DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Monday. the 27th March, 1995

The House met at 9 A.M. of the Clock in the Assembly Chamber at Dispur with prof. Debesh Chakraborty Speaker in the Chair.

STARRED
QUESTIONS AND ANSWERS
(To which oral replies were given)

শ্রী ভৃগু কুমাৰ ফুকন : মাননীয় অধ্যক্ষ মহোদয়, পইণ্ট অৱ অর্ডাৰ (ক) ২০-২-৯৫ তাৰিখে অসম বন্ধৰ সময়ত যি সকল আৰক্ষী লোকে ব্যৱসায়ী সকলৰ দোকানৰ তলা ভাঙি ব্যয়বস্তু নষ্ট কৰিলে সেই সকলৰ বিৰুদ্ধে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

খ) সেইদিনা বলপূৰ্বক ভাবে দোকান পোহাৰ খুলিবলৈ চৰকাৰৰ কিবা নিৰ্দ্দেশ আছিল নেকি ?

মাননীয় অধ্যক্ষ : এই সম্পৰ্কে এতিয়া কব নোৱাৰি । পিচত আলোচনা কৰিম ।

The position of questions both oral and Written for 27.3.95 are as follows :-

Oral—Sl. Nos. 121 to 140

Written—Sl. Nos. 295 to 322

Postponed—Sl. 308

Now Starred Question No. 121. Hon'ble Questioner Shri Bhupen Rai.

বিষয় : উগ্রপন্থীৰ আক্রমণত নিহত আৰক্ষীৰ সংখ্যা

শ্রী ভূপেন ৰায়ে সুধিছে :

* ১২১। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) ১৯৮৬ চনৰ পৰা উগ্রপন্থীৰ আক্রমণত নিহত হোৱা আৰক্ষী লোকৰ সংখ্যা কিমান আৰু সাধাৰণ লোকৰ সংখ্যা কিমান ? (ভাগে ভাগে দেখাব)

খ) নিহত ব্যক্তি সকলৰ পৰিয়ালে পাবলগীয়া এককালীন সাহায্য চৰকাৰে ঘোষণা কৰা অনুযায়ী (একলাখ) পাইছেনে ? যদি পোৱা নাই কেতিয়া পাব ?

গ) চৰকাৰী ঘোষণা অনুযায়ী মৃত ব্যক্তিৰ নিকট আত্মীয়ই চৰকাৰী চাকৰী আদি সংস্থাপন পাইছেনে ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) আৰক্ষী লোকৰ সংখ্যা ১৮৭ জন।

আৰু

সাধাৰণ লোকৰ সংখ্যা, ১,৩৭০ জন।

খ) আৰক্ষী লোকৰ ক্ষেত্রত মৃতকৰ নিকটাত্মীয়লৈ ১০০ জনক এক লাখ টকাকৈ ১৩ জনক ৫০,০০০/- (পঞ্চাশ হাজাৰকৈ), এজনক পয়সত্তৰ

হাজাৰ মুঠ ১,১২,২৫,০০০'০০ টকা দিয়া হৈছে। বাকী থকা সকলৰ ক্ষেত্ৰত এককালীন সাহায্য আদায় দিয়াৰ যাবতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

সাধাৰণ লোকৰ পৰিয়াললৈ মুঠ ৯,৫১,৭৫,০০০'০০ টকা আদায় দিয়া হৈছে।

গ) মৃত আৰক্ষী পৰিয়ালৰ ৯ জন নিকট আত্মীয়ক চাকৰি দিয়া হৈছে।

* শ্ৰী ভূপেন বায় : মাননীয় অধ্যক্ষ মহোদয়, মৃত আৰক্ষী লোকৰ পৰিয়ালক এতিয়ালৈকে পইচা আদায় দিয়া নাই। তেখেত সকলক আদায় দিয়াৰ কথা কৈছে। যি সকলে কনিষ্টবল হিচাবে আৰক্ষী বিভাগত কাম কৰি আছিল তেখেত সকলৰ পৰিয়ালৰ অৱস্থা তেনেই বেয়া। তেখেত সকলৰ পৰিয়ালৰ কাৰণে চাকৰিৰ ব্যৱস্থা বা বিশেষভাবে এপইণ্টমেণ্ট দিয়াৰ কোনো ব্যৱস্থা নাই। এই ক্ষেত্ৰত মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা হাতত লব নেকি ?

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, চৰকাৰক দিবলৈ কোৱা হৈছে। কিছুমানক সাহায্য দি থকা বুলি কৈছে। তাতে ভেকেন্সিৰ কথা আছে।

* শ্ৰী ভূপেন বায় : মাননীয় অধ্যক্ষ মহোদয় যি সকল আৰক্ষী উগ্ৰপন্থীৰ আক্ৰমণত নিহত হৈছিল, তেখেত সকলৰ পৰিয়ালক চাকৰি দিয়াৰ কথা চৰকাৰে ঘোষণা কৰিছিল। বিশেষকৈ আমাৰ বঙ্গাইগাওঁ জিলাত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বিশেষ গুৰুত্ব দিব নেকি ?

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই জনাত প্ৰায় ভাগকে চাকৰি দিয়া হৈছে।

---

* Speech not Corrected

* শ্রীমতী বেণুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, পুলিচৰ জিম্মাত যি সকল লোকৰ মৃত্যু হৈছে, তেখেত সকলৰ পৰিয়ালৰ সাহায্য আগবঢ়াইছে। কিন্তু দিহা বাগিচাত পুলিচৰ জিম্মাত এজন শ্ৰমিক আৰু এজন ছাত্ৰ নেতাৰ মৃত্যু হৈছিল তেখেত সকলৰ পৰিয়াললৈ আজিলৈকে কোনো সাহায্য দিয়া নাই। এই ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

দ্বিতীয়তে, যোৰা অপাৰেশনৰ সময়ত তিয়ক সমষ্টিৰ মেলেং বাগিছাৰ শ্ৰী প্ৰদীপ বৰা পুলিচৰ জিম্মাত মৃত্যু হৈছিল। তেখেতৰ পৰিয়ালক আজিলৈকে কোনো সাহায্য দিয়া নাই। আনকি চৰকাৰী চাকৰি এটাও দিয়া নাই। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মোৰ এই প্ৰশ্ন ২টাৰ উত্তৰ দিব নেকি ?

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, ১নং প্ৰশ্নটোৰ উত্তৰ হৈছে সাহায্য দিয়াৰ ব্যৱস্থা কৰা হব। ২ নং প্ৰশ্নটো বেলেগ কৰি কৰিব লাগিব।

* শ্ৰী মুহিবুল হক : মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী জিলাৰ গৌৰীপুৰ সমষ্টিত আব্দুল হক ফেব্ৰুৱাৰী মাহৰ ১৫ তাৰিখে পুলিচৰ জিম্মাত মৃত্যু হৈছিল। তেখেতৰ পৰিয়ালক কোনো সাহায্য দিয়া নাই আনকি কোনো ব্যক্তিক চাকৰিও দিয়া নাই। মৃত্যু হোৱা পৰিয়ালক সাহায্য দিবলৈ মুখ্য মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা হাতত লব নেকি ?

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয়, অধ্যক্ষ ডাঙৰীয়া, এই ক্ষেত্ৰত কিছু সময় লাগিব। পোষ্ট মৰ্টানৰ ৰিপোৰ্ট লাগিব। এই বিষয়ে মই চাম।

* Speech not Corrected

* শ্রী আলাউদ্দীন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, গোৱালপাৰা জিলাত বাউৰী কুটিৰ নামৰ ঠাইত ৰাইজৰ ওচৰত প্ৰতিবাদ কৰাত সেই গাৰঁৰ ৰাইজে এজন লোকক হত্যা কৰে। এই হত্যাৰ ৰিপোৰ্ট মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ ওচৰত আছে নেকি? যিজন লোক নিহত হৈছে তেখেতৰ পৰিয়ালক সাহায্য দিয়াৰ ব্যৱস্থা কৰিব নেকি?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া মোৰ হাতত ৰিপোৰ্ট নাই। উগ্ৰপন্থীৰ হাতত নিহত হৈছে নে কেনেকৈ হৈছে খবৰ লব লাগিব। লগতে সাহায্য দিয়াৰ কথাটোও চাব লাগিব।

* শ্রী দেৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, উগ্ৰপন্থীৰ হাতত নিহত হোৱা নিকটতম পৰিয়ালক সাহায্য দিয়াৰ কথাটো বিবেচনা কৰি চাব লাগে। বিশেষকৈ কোকৰাঝাৰ আৰু বঙ্গাইগাওঁ জিলাত মানুহবিলাক বেছিকৈ ক্ষতিগ্ৰস্ত হৈছে। ক্ষতিগ্ৰস্ত হোৱা ৭৮৬টা পৰিয়ালে কোনো চৰকাৰী সাহায্য পোৱা নাই। ১,৩১৩টা পৰিয়ালে সাহায্য পাইছে। ক্ষতিগ্ৰস্ত হোৱা পৰিয়াল কেইটাই পাবলগীয়া চৰকাৰী সাহায্য লাভ কৰাৰ কাৰণে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে ব্যৱস্থা কৰি দিব লাগে।

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, ৰবপেটা, বঙ্গাইগাওঁ আৰু কোকৰাঝাৰ জিলাত যি সকল লোক উগ্ৰপন্থীৰ হাতত নিহত হৈছে সেই সকলৰ পৰিয়ালক ১লাখ টকাকৈ এক কালীন সাহায্য দিয়া হৈছে। ইয়াত কৰবাত কিছুমান লোক থাকি গৈছে। বহুতে ৰিপোৰ্টও দিব পৰা নাই। যি সকলে পিছত ক্লেইম কৰিছে, সেই সকলক ১০ হেজাৰকৈ টকা দিয়া হৈছে আৰু তেওঁলোকক ৰেচন

---

* Speech not Corrected

আদিও দি থকা হৈছে।

মাননীয় অধ্যক্ষ : ১২২ নং প্রশ্নৰ প্রশ্ন কর্ত্তা অনুপস্থিত।

শ্রী আলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য মুনিন মহন্তই মোক এই বিষয়ে কবলৈ কৈ গৈছে।

মাননীয় অধ্যক্ষ : মই কাগজ পোৱা নাই।

শ্রী আলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, এই কাৰণেই মই আজি বিশেষভাৱে আহিছো। নহলে নাহিলোহেঁতেন। কাৰণ মোৰ বহুত কাম আছে। চেক্রেটাৰীৰ হাতত কাগজ থকা বুলি মোৰ ধাৰণা হৈছে। কাৰণ মই চেক্রেটাৰীৰ লগত আলোচনা কৰিছিলো।

মাননীয় অধ্যক্ষ : মোৰ হাতত কাগজ নাই। এতিয়া তথা চিহ্নিত প্রশ্ন নং ১২৩।

Re : Release of Public Guns.

Shri Moulana Abdul Ragibi asked :

*123. Will the Chief Minister be pleased to state :

a) Whether the Govt. has taken any decision to release the Guns belonging to public earlier seized by the Govt. if so the details thereof ?

b) Whether the Govt. is aware of the fact the N.H. 36 in between Kathiatali and Dobaka under Nagaon District and in between Dobaka and Parakhuwa has become a dacoity infested area ? If so what

measure has been taken by the Govt. to save and protect the passengers from such anti social activities?

c) Whether the Govt. will consider to establish Police Out Post or C.R.P.F. permanent camp at Madartali (in between Kathiatali and Dobaka and at Lalmati (in between Dobaka and Parakhuwa)?

d) Whether the Govt. is considering to establish a Fire brigade station at Dobaka keeping in view the public interest and safeguard?

Shri Hiteswar Saikia (Chief Minister) replied:

a) Yes, the Govt. has taken decision to release only SBBL guns and Muzzle loading guns at present.

b) Govt. is aware of some incidents of dacoity reported from this area. Police is taking measure to prevent such incidents.

c) No such proposal is under Govt's consideration of this moment.

d) No proposal at the moment.

* মৌলানা আব্দুল জেলিল বাগিবী : অধ্যক্ষ মহোদয়, সাধাৰণ মানুহক দিয়াৰ ক্ষেত্ৰত একনলীয়া বন্দুক দিয়া নাই। ইয়াৰ পাথকা কি আৰু দুনলীয়া বন্দুক দিয়াৰ ব্যৱস্থা কৰিবনে?

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : চাৰ, একনলীয়া দিয়া হৈছে কিন্তু

* Speech not Corrected

দুনলীয়া দিয়া নাই।

* মৌলনা আব্দুল জেলিল বাগিবী : চিংগল দিয়া হৈছে কিন্তু ডাব'ল দিয়া নাই। ইয়াৰ পার্থক্য কি ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী : চাৰ, পার্থক্য আছে বুলিয়েই দিয়া নাই। পৰিস্থিতি লৈ দিয়াৰ ব্যৱস্থা কৰা হব।

* মৌলানা আব্দুল জেলিল বাগিবী : চাৰ, ডবকাৰ পৰা পাৰাখোৱা আৰু মদাৰতলিৰ পৰা ডবকা এই অঞ্চলটোত বেছি ডকাইটি হয়। পাৰা-খোৱাত এটা অস্থায়ী কেম্প এচ পিৰ লগত যোগাযোগ কৰি কৰা হৈছিল যদিও কেম্পটো স্থায়ী নোহোৱাৰ কাৰণে জনসাধাৰণৰ অসুবিধা হৈছে আৰু মদাৰতলিৰ পৰা কেম্পটো নেপকোলৈ দিয়া হৈছে। এইটো মদাৰতলিতে থাকিব লাগে কিয়নো ডবকা মদাৰতলিৰ মাজত স্থায়ী কেম্প নাই। এইটো দি সাধাৰণ মানুহৰ নিৰাপত্তাৰ ব্যৱস্থা কৰিবনে ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) এইটো বিবেচনা কৰা হৈছে কিন্তু ফোর্চ হলে দিব পৰা হব।

* আলাউদ্দিন সৰকাৰ : অধ্যক্ষ মহোদয়, বন্দুকৰ মালিক সকলৰ পৰা বন্দুক লৈ আহিছে আৰু পুলিচ বিভাগে ৰাখিছে যদিও সেই বিলাক ভালকৈ যত্ন কৰি ৰখা নাই কাৰণে মৰিচা ধৰি যায়। দামী বস্তু এটা ভালদৰে ৰাখিব লাগে সেইটোৰ ব্যৱস্থা কৰিবনে ? আৰু কথা হ'ল ডবকাৰ কথা মাননীয় সদস্যই কোৱাৰ দৰে মইও গোলোকগঞ্জৰ কথা কব বিচাৰিছো। তাত ৰাইজৰ মাজত যিটো নিৰাপত্তাহীনতাৰ ভাব সৃষ্টি

---

* Speech not Corrected

হৈছে তাৰ প্ৰতিবোধ কল্পে এটা পুলিচ পিকেট স্থাপন কৰাৰ কথা লৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়কো লগ পাই কথা পাতিছিলো। সেই বিষয়ে কি ব্যৱস্থা লৈছে জনাবনে ?

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : চাৰ, বন্দুক বিলাক উগ্ৰপন্থীয়ে লৈ যায় কাৰণে ঠায়ে ঠায়ে প্ৰায় বিলাক মানুহৰ পৰা তেনে ভাবে বন্দুক বিলাক ৰক্ষণাবেক্ষণৰ কাৰণে পুলিচ বিভাগত ৰখা হৈছে। এই সকলো বিলাক পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰিব। অৱশ্যে বন্দুক বিলাক যদি ভালকৈ ৰখা নাই তেনেহলে ভালকৈ ৰখাৰ ব্যৱস্থা কৰা হব।

* Shri Samarendranath Sen : Sir, in between Sonapur and Khleriahat dacoity is committed in the night service buses. May I know whether our Chief Minister will take up the matter with the Chief Minister Meghalaya ?

Mr. Speaker : The question is different. Mr. Sen, I admit but it does not relate to this Question. Regarding Question No. 122, I have received a notice from Shri Munin Mahanta authorising Shri Allauddin Sarkar to put the question, Honourable Chief Minister will reply.

---

* Speech not Corrected

বিষয় : আৰক্ষীৰ সাক্ষাৎকাৰ গ্ৰহণ।

শ্ৰী মুনিন মহন্তই সুধিছে :

* ১২২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসম ৰাজ্যখনৰ বিভিন্ন স্থানত বেটেলিয়ান সমূহত আৰু আৰক্ষী বিভাগৰ চিপাহী (Constable) নিয়োগৰ বাবে ১৯৯১ চনৰ পৰা ১৯৯৫ চনলৈকে সাক্ষাৎকাৰ গ্ৰহণ কৰা হৈছিল নেকি ?

খ) এই সাক্ষাৎকাৰ সমূহত বিভিন্ন স্থানত অংশ গ্ৰহণ কৰাৰ সংখ্যা কিমান জন আৰু উত্তীৰ্ণ হোৱাৰ সংখ্যা কিমান জন ?
(জিলা ভিত্তিত লিষ্টখন সদনৰ মেজত দিব)

গ) উক্ত সাক্ষাৎকাৰত উত্তীৰ্ণ হোৱা সকলক নিযুক্তিৰ বাবে বাৰস্থা লোৱা হৈছে নেকি ?

ঘ) যদি নিযুক্তি দিয়া হৈছে, কিমান জনক দিয়া হৈছে ?
(নিযুক্তি পোৱা সকলৰ সংখ্যা সমষ্টি ভিত্তিত সদনৰ মেজত দিব)

ঙ) চাহবাগানৰ বাবে গঠিত 'টাস্ক ফৰ্চত' হোমগার্ড সকলক নিযুক্তি দিয়াৰ বাবে ঘোষণা কাৰ্য্যকৰী কৰা হৈছে নেকি ?

শ্ৰীযুত হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হৈছিল।

খ) সৰ্ব্বমুঠ প্ৰাৰ্থীৰ সংখ্যা—১,৫৯,৮০৯ জন।
উত্তীৰ্ণ হোৱা প্ৰাৰ্থীৰ সৰ্ব্বমুঠ সংখ্যা ৬,৮৩২ জন।
(জিলা ভিত্তিক তালিকা এখন ইয়াৰ লগত গাঁঠি দিয়া হ'ল)
(See the Annexure—I)

গ) হৈছে।

ঙ) ৫২০৫ জনক

(জিলা ভিত্তিত তালিকা এখন ইয়াৰ লগত গাঁথি দিয়া হল)

(See the Annexure—III)

ঙ) হয়, হৈছে ।

* শ্ৰী আলাউদ্দিন সৰকাৰ : চাৰ, আপুনি নিশ্চয় অৱগত যে পুলিচ বিভাগত শাৰিৰীক যোগ্যতাৰ ভিত্তিত উত্তীৰ্ণ হয়, আমাৰ তাত পানবাৰী ধুবুৰীত ১৯৯৩ চনত তেনে ভাগে পৰীক্ষাত উত্তীৰ্ণ হোৱা ২৯ জনৰ ১০ জনে নিযুক্তি পালে যদিও বাকী ১৯ জনৰ ভাগ্যৰ কথা জানিব পৰা হোৱা নাই। আকৌ ১৯৯৪ চনৰ পৰীক্ষাত তাৰ ভিতৰত দুই এজনে পাচ কৰিবলৈ সফল নহ'ল। আগৰ যি খিনিক নিযুক্তি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল যদিও এতিয়া নতুন তালিকা হোৱাৰ পিচত সেই তালিকাখন বলবত্ত থাকিব নে আৰু এই ১৯ জন প্ৰাৰ্থী পুলিচ বিভাগৰ বিভিন্ন স্তৰত যোগ্যতা অনুযায়ী মকৰল কৰা হব নেকি ?

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, নিযুক্তি হৈছিল। তেখেতৰ ধুবুৰীৰ পৰা ৪১৯৬ জনে পৰীক্ষাত অৱতীৰ্ণ হৈছিল আৰু তাৰে ৬৯১ জন উত্তীৰ্ণ হৈছিল আৰু ৮৮ জনক ইতিমধ্যে নিযুক্তি দিয়া হৈছে। এতিয়াও নিযুক্তি দি থকা হৈছে।

* শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা : চাৰ, 'আজিৰ বাতৰি' কাকতৰ আজিৰ তাৰিখৰ সংখ্যাত এটা কথা প্ৰকাশ পাইছে যে মুখ্যমন্ত্ৰীৰ নিজৰ সমষ্টিতে ১৩৩ জন লোকক অবৈধ ভাবে কনিষ্ঠবল পদত নিযুক্তি দিয়া কথা সচানে ?

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : চাৰ, বাতৰি কাকতৰ খবৰটো পাইও

* Speech not Corrected

পড়িছো। চাৰ এই সম্পৰ্কত খবৰ কাগজত প্ৰকাশ পোৱাৰ আগতে পুলিচ বিভাগে খবৰ পাই বিষয়টো তদন্ত কৰিবলৈ লৈছে আৰু মুৰব্বীজনক চাচপেণ্ড কৰা হৈছে আৰু বিশেষ তদন্ত চলি আছে।

* শ্ৰী নগেন শৰ্ম্মা : চাৰ, এই অবৈধ ভাবে নিযুক্তি পোৱা খিনিৰ কি ব্যৱস্থা লব ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : চাৰ অবৈধ ভাবে দিয়া সকল খানীয় নহয়, কাচাৰৰ পৰা দিছে। সেই বিলাক ক্ষেত্ৰতো তদন্ত কৰা হৈছে আৰু সেইমতে ব্যৱস্থা লোৱা হব।

* শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত : চাৰ, বহৰমপুৰ বেটেলিয়নতো নিযুক্তিৰ ক্ষেত্ৰত নিৰ্দ্দিষ্ট অভিযোগ ইতিমধ্যে ২১-৫-৯৫ তাৰিখৰ 'নতুন দৈনিক' কাকতত প্ৰকাশ পাইছে আৰু তাৰ স্থানীয় বাইজেও এই সম্পৰ্কত লিখিত অভিযোগ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ওচৰত দৰ্খাস্ত হিচাবে জনাইছে। তাৰ কপি আমালৈও প্ৰেৰণ কৰিছে। যদি এই অভিযোগ সত্য হয় এই ক্ষেত্ৰত কি ব্যৱস্থা লব জনাব লাগে।

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : যদি অভিযোগ ইতিমধ্যে পোৱা হৈছে নিশ্চয় তদন্ত কৰা হব। সেই মতে ব্যৱস্থাও লোৱা হব।

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই সদনত এটা প্ৰশ্ন কৰিব বিচাৰিছো—দৈনিক জনমভূমি ২৭ মাৰ্চ্চৰ কাকতত প্ৰকাশ পোৱা মতে 'আই, পি, এছ বিষয়া বসন্ত কুমাৰ বৰপূজাৰী নিলম্বিত শীৰ্ষক বাতৰিত উল্লেখ কৰা মতে নিৰ্ভৰ যোগ্য সূত্ৰে জানিবপৰা গৈছে যে যোৱা শুক্ৰবাৰে নিশা মুখ্যমন্ত্ৰী শইকীয়াই তেওঁৰ শিমলুগুৰীৰ ঘৰৰ পৰা দিশপুৰত থকা গৃহ সচিবলৈ

* Speech not Corrected

টেলিফোন কৰি বৰপূজাৰীৰ বিৰুদ্ধে তেনে ব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিছিল। উল্লেখযোগ্য যে ২৪ মাৰ্চ্চৰ দৈনিক জনমভূমিত মুখ্যমন্ত্রীৰ সমষ্টিত ১৩০ জনক কনিষ্টবোল পদত অবৈধ নিযুক্তি শীৰ্ষক এটা বাতৰি প্ৰকাশ হোৱাৰ প্ৰায় লগে লগে বৰপূজাৰীক নিলম্বিত কৰা হ'ল। এতিয়া কথা হ'ল এই যি সকল কনিষ্টবোল ইতিমধ্যে অবৈধ ভাবে নিযুক্তি হ'ল সেই সকলৰ বিৰুদ্ধে বা সেই সকলৰ ক্ষেত্রত কি ব্যৱস্থা লোৱা হব? কাৰণ এই অবৈধ ভাবে নিযুক্তি পোৱা কনিষ্টবোল সকলে ইতিমধ্যে চাকৰি কৰি আছে তেওঁলোকৰ ক্ষেত্রত কি ব্যৱস্থা লোৱা হব। তাৰোপৰি এই অবৈধ নিযুক্তিৰ সংক্রান্তত গুৱাহাটীত থকা দেউৰী নামৰ এজন বিষয়া জৰিত আছে Quoted from the Sentinel dated 27th March, 1995 under the heading ,Illegal recruitment in Police "Circles concerned say that a very close relative of a top Congress-I leader from Sibsagar used to help him in appointing these youths of doubtful nationality through an official of Assistant Inspector General of Police, (Reorganisation) one Deuri here.

গতিকে এনে ক্ষেত্রত ৰিঅ'ৰ্গেন ইজেশ্যনৰ কি ব্যৱস্থা কৰিব? গতিকে মোৰ ১নং প্রশ্ন হ'ল অবৈধ ভাবে হোৱা নিযুক্তিৰ ক্ষেত্রত নিযুক্তি পোৱা প্রাৰ্থী সকলৰ ক্ষেত্রত কি ব্যৱস্থা লোৱা হব আৰু দেউৰী বোলা বিষয়া জনৰ ওপৰত কি ব্যৱস্থা কৰিব?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : অবৈধ ভাবে যি সকলৰ নিযুক্তি হৈছে তেওঁলোকক বৰ্খাস্ত কৰা হব আৰু দেউৰী বোলা বিষয়া জনৰ

* Speech not Corrected

ওপৰত তদন্ত কৰা হব যদি এই অবৈধ ভাবে হোৱা নিযুক্তিৰ ক্ষেত্ৰত সেই বিষয়া জন ইনভলভ আছে।

* শ্ৰী জয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, এই যে ১১৯ জন লোকক নাজীৰাৰ পৰা পুলিচ চিপাহী পদত নিযুক্তি দিয়া হৈছে বুলি বাতৰি কাকতত ওলাইছে সেই বিষয়ে কি ব্যৱস্থা লোৱা হব সেইটো নকলে। নাজীৰাৰ পৰা পাইছে নেকি কব লাগে।

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : সেইটোও তদন্ত কৰা হব।

বিষয়—নাৰী ধৰ্ষণৰ গোচৰ

শ্ৰী নজমুল হকে, সুধিছে :

* ১২৪ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমত ১৯৯২ চনৰ পৰা ১৯৯৪ চনৰ ৩১ ডিচেম্বৰলৈকে মুঠ কিমানটা নাৰী ধৰ্ষণ গোচৰ পুলিচ থানাত পঞ্জীয়ন কৰা হৈছে, জিলা ভিত্তিক তথ্য সদনক জনোৱা হবনে ?

খ) নাৰী ধৰ্ষণ গোচৰত মুঠ কিমান জন আচামীক পুলিচে গ্ৰেপ্তাৰ কৰিছে আৰু মাজত কিমানটা গোচৰ আদালতত ৰুজু কৰা হৈছে ?

গ) ধৰ্ষণ অপৰাধ বন্ধ কৰিবলৈ চৰকাৰৰ হাতত কিবা আচনি আছেনে ?

শ্ৰী যুত হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) মুঠ ১৪১০ টা। (জিলা ভিত্তিক তথ্য অনুবন্ধ 'ক' ত দেখুউৱা হল)

(See the Annexure—III)

(খ) মুঠ ১৫১৯ জনক গ্ৰেপ্তাৰ কৰা হৈছে আৰু ৮০৮ টা গোচৰ

* Speech not Corrected

আদাল ৰুজু হৈছে ।

(গ) নাৰীৰ বিৰুদ্ধে হোৱা অন্যায়, অত্যাচাৰ আদিৰ ক্ষেত্ৰত ক্ষিপ্ৰ প্ৰতিৰোধৰ বাবে চৰকাৰে ২২/৯/৯৩ তাৰিখে গুৱাহাটী মহানগৰীত "Women police Station" এটা প্ৰতিষ্ঠা কৰিছে । তদুপৰি প্ৰথম পদক্ষেপ হিচাপে নলবাৰী জিলাত জিলা আৰক্ষী অধীক্ষকৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণ আৰু পৰিচালনাত এটা নাৰী কেন্দ্ৰ (Women Cell) খোলা হৈছে । এই নাৰী কেন্দ্ৰই ধৰ্ষণ আদি অপৰাধ জনিত গোচৰত ক্ষিপ্ৰ ব্যৱস্থা লয় ।

* শ্ৰী নজমূল হক : অধ্যক্ষ মহোদয়, নাৰী ধৰ্ষণৰ অপৰাধত যি সকলক আদালতত দোষী সাব্যস্ত কৰা হৈছে, এনেকুৱা লোকৰ সংখ্যা কিমান জন ?

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : ১৯৯২ পৰা ১৯৯৪ চনৰ কালছোৱাৰ ভিতৰত ১৪৯০টা গোচৰৰ ভিতৰত ৮০৮টা গোচৰ আদালতত ৰুজু হৈছে বাকী ৬০২টা গোচৰ বিভিন্ন থানাত তদন্তাধীন হৈ আছে ।

* শ্ৰী নজমূল হক : কিমানজন অপৰাধী লোক কাৰাদণ্ড হৈছে সেইটো জনাবনে ?

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : চাৰ্জচিট দিয়া হৈছে । ৮০৮ টা চাৰ্জচিট দিয়া হৈছে আৰু ৬০২ টাৰ তদন্তাধীন হৈ আছে ।

* শ্ৰী মহিবুল হক : কিমানজন লোকক কাৰাদণ্ড দিয়া হৈছে কিয়নো বৰ্ত্তমান যয়টো আইনৰ ব্যৱস্থা আছে তাৰ দ্বাৰা দোষীক উপযুক্ত শাস্তি দিয়াৰ কাৰণে নতুন আইন প্ৰণয়ন কৰা হব নেকি ? বেছিভাগ

---

* Speech not Corrected

অৱস্থাত দেখা যায় অপৰাধী সকলে আইনৰ শুকুতা লৈ সাৰি গৈছে।

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : আই, পি, চিৰ ব্যৱস্থা আছেই।

* শ্ৰী মহিবুল হক : ১৯৮৭/৮৬ চনত কিমানটা ধৰ্ষনৰ কেচ হৈছিল ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : ১৯৮৫ চনত--৩৩২টা, ১৯৮৬ চনত—৩৯৮টা ১৯৮৭ত—৪৪২টা, ১৯৮৮ চনত—৪০৪টা, ১৯৮৯চনত—৩১৫ টা আৰু ১৯৯০ চনত—৩১৩ টা

* শ্ৰী চন্দন কুমাৰ সৰকাৰ : কিমান জন পুলিচৰ লোক এই কেচ বিলাকত ইনভলভমেণ্ট আছে সেই বিষয়ে মন্ত্ৰী মহোদয়ে জনাবনে ?

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : ১৯৯২ চনত পুলিচৰ ক্ষেত্ৰত—২টা, আৰ্ম্মি—৬ টা, চি, আৰ, পি—১টা। ১৯৯৩ চনত—পুলিচৰ—৩টা, আৰ্ম্মি—১টা আৰু ১৯৯৪ চনত পুলিচৰ—২টা. চি, আৰ, পি—১টা বেইলওৱেৰ—১টা।

* শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা : যি সকল পুলিচ আৰু আৰ্ম্মী'ৰ মানুহ এইবিলাক অপৰাধত ইনভলভমেণ্ট হৈ আছে সেই বিলাকৰ ওপৰত কি ব্যৱস্থা লোৱা হৈছে ?

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : চাৰ্জ্জচিট দিয়া হৈছে আৰু তাৰে বহু কেইটা কেচৰ ফাইনেল হৈছে আৰু সেইমতে শাস্তিমূলক ব্যাৱস্থা লোৱা হৈছে।

* শ্ৰী পৰিমল শুক্লবৈদ্য : যি সকল নাৰী এই ধৰ্ষন বিলাকৰ বলি হৈছে তেওঁলোকে আজি সমাজত সন্মানজনক ভাবে জীয়াই থকাৰ কাৰণে

---

* Speech not Corrected

মানসিকতা হেৰাই পেলাইছে আৰু মান-মৰ্য্যদাৰে জীয়াই থকাৰ কাৰণে তেওঁলোকক সামাজিক ভাবে বা আৰ্থিক ভাবে সকাহ দিয়াৰ দাবে কিবা ব্যৱস্থা কৰিছেনে ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : তেনেধৰণৰ বিশেষ ব্যৱস্থা নাথাকিলেও তেওঁলোকক অন্যান্য সাহায্যৰ লগতে আৰ্থিক সাহায্যয়ো দিয়া হয় ।

* শ্রী হিতেন্দ্র নাথ গোস্বামী : অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মই মুখ্যমন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই যে আমাৰ ৰাজ্যখনত যিটো ওমেন কমিশান বহুৱা হৈছে এই কমিশানৰ জৰিয়তে এই যি সকল দুৰ্ভগীয়া ধৰ্ষিতা নাৰী তেওঁলোকে যাতে বিভিন্ন প্রনেধৰণৰ অপৰাধ মূলক কেচৰ ক্ষেত্রত হাইকোৰ্ট বা চুপৰিম কোৰ্টলৈ যাব পাৰে তাৰ কাৰণে সাহায্য দিয়া বা সহায় কৰাৰ ক্ষেত্রত স্পেচিফিক পৰামর্শ দিব নেকি, সদাহতে এই কমিশানে বিশেষ সহায় আগবঢ়াব পৰা নাই গতিকে কম্পেচিফিক পৰামর্শ দিব লাগে। সিদিনা মাঠো আমাৰ গোলাঘাটৰে এজন মালপানী বোলা ব্যৱসায়ী লোক ধৰ্ষন কেচত ইনভলভমেণ্ট আছিল কিন্তু তেওক গ্রেপ্তাৰ কৰিব পৰা নাই । গতিকে এই বিষয় দুটা চাব নেকি ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : ওমেন পুলিচে ওমেন কমিশানাৰ আন্দাৰত কাম কৰে, তথাপিতো মাননীয় সনস্য গৰাকীয়ে যিটো পৰামর্শ আগবঢ়াইছে সেইটো বিবেচনা কৰা হব আৰু মালপানীৰ যিটো কেচৰ কথা কোৱা হৈছে সেইটো তদন্ত কৰি ব্যৱস্থা লোৱা হব ।

* শ্রী মিচন ৰঞ্জন দাস : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্রী

---

* Speech not Corrected

মহোদয়ৰ পৰা এটা কথা জানিব বিছাৰিছো যে, ৰেপডকেচ বিলাকৰ ভিতৰত কিমান কেচৰ ফাইনেল ৰিপোৰ্ট দিছে আৰু কিমান কেচত চাৰচিট দিছে আৰু সেই বিলাকৰ ট্ৰায়েল হৈছে নে নাই ?

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) চাৰচিট হলে অটোমেটিক ট্ৰাফল আমানত হৈ যায় ।

* শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম : যোৱা ১১ ফেব্ৰুৱাৰী তাৰিখে গৌৰৱেঞ্জৰ ভিতৰত থকা এলেকাৰ ভিতৰত দুজন বি, এচ, এফ জোৱানে দুগৰাকী তিৰোতাক ধৰ্ষণ কৰে । দ্বিতীয়তে আকৌ ১১ ফেব্ৰুৱাৰী-তেই ভৈৰৱকুণ্ডৰ এগৰাকী যুৱতীক ধৰ্ষণ কৰা হয় । এই কথা মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ হৈছে নে ? ইতিমধ্যে আদালতত কেচ ৰুজু কৰা হৈছে নে নাই যই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো ।

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : প্ৰথমটো দৃষ্টি গোচৰ হৈছে আৰু ব্যৱস্থা লোৱা হৈছে । দ্বিতীয়টো জনা নাই ব্যৱস্থা লোৱা হব ।

* শ্ৰীমতী ৰেণুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে যি সকল ধৰ্ষিতা আছে তেওঁলোকক সাহায্য দিয়া হৈছে । যোৱা বাজেট চেচনতো এই কথা উৎথাপন কৰা হৈছিল । এতিয়া মই কব বিছাৰিছো যে শিৱসাগৰ জিলাৰ বিনা দাস, নামৰ এগৰাকী মিলিটাৰীয়ে ধৰ্ষন কৰিছিল । কিন্তু তেওঁক কোনো ধৰণৰ সাহায্য দিয়া নাই । গতিকে সাহায্য দিয়া কথাটো সত্য নহয় । গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো

* Speech not Corrected

যে সেই ধর্ষিতা গৰাকীক মন্ত্রী মহোদয়ে পুনৰসংস্থাপন দিয়াৰ ব্যৱস্থা কৰিব নে ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে মোৰ উত্তৰটো ভালদৰে শুনা নাই। কিছু কিছু ক্ষেত্রত সাহায্য দিয়া হৈছে বুলি কৈছো সকলোকে নহয়। তেখেতে যিটো কৈছে সেইটো মই চাম।

বিষয় : পুলিচৰ জিম্মাত মৃত্যু।

শ্রী হিতেশ্বৰ ডেকাই সুধিছে :

* ১২৫। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) ১৯৯১ চনৰ ১ জুলাইৰ পৰা বর্ত্তমানলৈকে ৰাজ্যখনত কোনো লোকৰ "পুলিচৰ জিম্মাত মৃত্যু" (Custodial death) হৈছে নেকি ?

খ) যদি হৈছে এই সময় ছোৱাত এনেদৰে মৃত্যু হোৱা লোকৰ সংখ্যা কিমান ?

(মৃত্যু হোৱা লোকৰ নাম তালিকা, সময় আৰু ঠাই সন্নিবিষ্ট তথ্য সদনৰ মেজত দাখিল কৰিব)

গ) পুলিচৰ জিম্মাত মৃত্যু হোৱা ঘটনাবোৰৰ তদন্তৰ ব্যৱস্থা কৰা হৈছে নেকি ?

ঘ) যদি হৈছে – এনেকুৱা কিমানটা তদন্তৰ প্রতিবেদন চৰকাৰৰ ওচৰত দাখিল কৰিছে আৰু এই সংক্রান্তত চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

---

* Speech not Corrected

ক) হয় হৈছে।

খ) ৪৯ জন। পৰিশিষ্ট 'ক'ত
(See the Annexure—IV)

গ) হয়, হৈছে

ঘ) ২৩টা তদন্তৰ প্ৰতিবেদন ৰাজ্য চৰকাৰে পাইছে। মুঠ ২২ জন দোষী আৰক্ষী বিষয়া কৰ্মচাৰী আৰু দুজন ডাক্টৰৰ বিৰুদ্ধে আইনগত ব্যৱস্থা লোৱা হৈছে।

* শ্ৰী হিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয় উত্তৰত কৈছে যে এই সময় চোৱাত মুঠ ৪৯ জন পুলিচ কাষ্টডিত মৃত্যু হৈছে। আৰু তাৰে ২৩টা প্ৰতিবেদন পোৱা বুলি কৈছে। এই যে ৪৯ "জন মৃত্যু হোৱা বুলি কলে, কেনেকৈ তদন্ত হ'ল আৰু কেনেকৈ মৃত্যু হ'ল ?

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : এই ৰিপোৰ্টটো সদনত দাখিল কৰিম।

* শ্ৰী হিতেশ্বৰ ডেকা : অধ্যক্ষ মহোদয়, ৰিপোৰ্টটো সদনত দাখিল কৰা বাবে ধন্যবাদ দিছো। আজি ৰাষ্ট্ৰদুৰি প্ৰতিবাদ হৈছে পুলিচৰ জিম্মাত মানুহৰ মৃত্যু হৈছে বুলি। পুলিচৰ হাতত মানুহ মৰা বাবে ভাৰতবৰ্ষৰ কোনো ঠাইতে আৰক্ষীৰ হাতত আইন দিয়া নাই। অসম চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা লৈছে আৰু আগতে যিসকলৰ পুলিচ কাষ্টডিত মৃত্যু হল সেই সকল বিষয়াৰ ওপৰত কি ব্যৱস্থা লৈছে ? লগতে পৰবৰ্ত্তী কালত পুলিচ কাষ্টডীত যাতে মৃত্যু নহয় তাৰ কাৰণে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, কিছুমান মানুহক

---

* Speech not Corrected

ৰাইজে ধৰি খুব পিতে আৰু জখম হয়, পুলিচে নিয়াৰ পাচত মানুহ জনৰ মৃত্যু হয় এনে ধৰণৰ কাৰণ কিছুমান দেখিবলৈ পোৱা যায়। পুলিচৰ কাষ্টডিত যি সকলৰ মৃত্যু হৈছে তেওঁলোকৰ তদন্ত কৰিবলৈ দিয়া হৈছে।

* শ্ৰী হিতেশ্বৰ ডেকা : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাব নেকি যে এই ৪৯ জন মানুহৰ ভিতৰত ৰাইজে মাৰপিত মাৰপিত কৰাৰ ফলত কিমান জনৰ মৃত্যু হৈছে আৰু পুলিছে মাৰ পিত কৰা ফলত কিমান জনৰ মৃত্যু হৈছে ?

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয় মই তদন্তৰ ৰিপোৰ্ট সদনত দাখিল কৰিম।

* শ্ৰী চন্দন কুমাৰ চৰকাৰ : অধ্যক্ষ মাহাদয়, ১৯৮৭ চনৰ পৰা ১৯৯০ চনলৈকে পুলিচৰ কাষ্টডিত কিমান মানুহৰ মৃত্যু হ'ল মন্ত্ৰী মহোদয়ে জনাব নে ?

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, ২৭ জনৰ মৃত্যু হৈছিল।

* শ্ৰী জয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, পুলিচে ঘৰৰ পৰা উঠাই লৈ যাওতে থানা নাপাওতেই বাটতে মৃত্যু হলে সেইটো পুলিচ কাষ্টডিত ডেথ হবনে নহয় জনাবনে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, পুলিচৰ কাষ্টডিত মৃত্যু হয় নে নহয় কব নোৱাৰো কাৰণ পুলিচে নিওতে বাটতে মৃত্যু হলে পুলিচৰ হাতেই মৃত্যু হব কিন্তু কি ধৰণে মৃত্যু হ'ল তদন্ত কৰিব লাগিব।

---

* Speech not Corrected

* শ্রী জয়নাথ শর্ম্মা : অধ্যক্ষ মহোদয়, খবৰ পৰা উঠাই নিয়াৰ পাচত মানুহ জনৰ মৃত্যু হলে তদন্ত কৰা হব। কিন্তু সেই পুলিচ অফিচাৰ সকলক পুৰস্কাৰ দিয়া হব নে তিৰস্কাৰ দিয়া হব ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : অধ্যক্ষ মহোদয় মৃত্যুৰ কাৰণ চাই ব্যৱস্থা লোৱা হয়। শাস্তিও পাব পাৰে পুৰস্কাৰ পাব পাৰে। যদি পুলিচৰ কাৰণে মৃত্যু হৈছে শাস্তি পাব।

* শ্রী জয়নাথ শর্ম্মা : অধ্যক্ষ মহোদয় তিপাজাৰত পুলিছে দুজন লৰাক উঠাই নিয়াৰ পাচত তেওঁলোকৰ মৃত্যু হ'ল। অথচ সেই পুলিচ অফিচাৰক পুৰস্কৃত কৰা হৈছে।

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : অধ্যক্ষ মহোদয়, এই কেচটো এতিয়া জুডিচিয়েল এনকুৱেৰীত আছে।

* শ্রী জয়নাথ শর্ম্মা : অধ্যক্ষ মহোদয়, জুডিচিয়েল এনকুৱাৰী বুলি কৈছে কিন্তু তাত এতিয়াও জাজ নিযুক্তি হোৱা নাই।

মাননীয় অধ্যক্ষ : এইটো এনেয়ে চলি আছে। (সদনত গণ্ডগোল) পৰম্পৰা চলি আছে গতিকে পৰম্পৰা মানিব লাগিব। (গণ্ডগোল) যিটো যেনেকৈ চলি আছে সেইটো কৈছো।

বিষয় : তদন্তৰ ব্যৱস্থা।

ডা: কমলা কলিতাই সুধিছে :

* ১২৬। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে .

ক) যোৱা ১২/৯/৯৪ ইং তাৰিখৰ প্রশ্নকর্ত্তাৰ তৰাচিহ্নিত প্রশ্ন নং ১৯

* Speech not Corrected

উত্তৰ দিওতে মাননীয় মুখ্যমন্ত্রীয়ে প্রশ্নৰ 'গ' অংশত "তদন্ত কৰা ব্যৱস্থা কৰা হৈছে" বুলি কোৱা সত্যনে ?

খ) যদি সত্য, তদন্ত সম্পূর্ণ কৰা হ'ল নে ?

গ) তদন্তৰ প্রতিবেদন সদনত দাখিল কৰিব নে ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) সত্য ।

খ) হয়, তদন্ত কৰা হৈছে।

গ) তদন্ত প্রতিবেদন সদনত দাখিল কৰাৰ বাবে লগত গ্রথিত কৰা হ'ল। (See the Annexure—V)

* ডাঃ কমলা কলিতা : অধ্যক্ষ মহোদয়, মুখ্যমন্ত্রীয়ে এই বিষয়টো তদন্ত কৰাত আমি সন্তোষ পাইছো। কিন্তু আচৰ্য্য প্রকাশ কৰিছো যে পুলিচৰ তদন্ত এনেকুৱা যে গোকাট অসত্যও হব পাৰে। মুখ্য মন্ত্রীয়ে জনাব নে যে, এই সম্পর্কে যিটো তদন্ত কৰা হৈছে সেই তদন্তৰ প্রতিবেদনৰ ওপৰত যদি আমি তথ্য সম্বলিত প্রমান দিও তেনেহলে ব্যৱস্থা গ্রহণ কৰিব নে ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : নিশ্চয় ব্যৱস্থা লোৱা মব ।

* ডাঃ কমলা কলিতা : অধ্যক্ষ মহোদয়, মই ইয়াৰ লগতে আৰু এটা প্রশ্ন কৰিব খোজো যে মোৰা পৰহি পলাশবাৰী থানাৰ অ'. চি আৰু এচ, আই য়ে ভাৰত কলিতা নামৰ এজন মানুহৰ পৰা ১০০০ টকা আদায় কৰিছে। মোৰ দৃষ্টি গোচৰ হোৱা আই. জি. পি এজনক কৈ এডিচনেল এচ. পি হেম বৰুৱাক পঠাই ২০০০০

* Speech not Corrected

ভাৰত কলিতাক ঘূৰাই দিয়া হ'ল। এতিয়া, সেই অচি আৰু এচ, আই পুলিচ বিষয়া সকলৰ ওলৰত কি ব্যৱস্থা লোৱা হব ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : অধ্যক্ষ মহোদয়, দোষীক শাস্তি দিয়া হব।

* শ্রী হিতেন্দ্র নাথ গোস্বামী : অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে ১৯৯২ চনৰ পৰা প্রত্যেকটো কথা তদন্ত কৰা হব বুলি কৈ আছে। মই জানিব বিছাৰিছো যে গোৰহাট এচ, পিৰ ৰডিগার্ডে যিটো ঘটনা কৰিলে তাৰো তদন্ত হব বুলি কৈছিল কিন্তু আজি পর্য্যন্ত তদন্তৰ ৰিপোৰ্ট দাখিল নকৰিলে। এই ক্ষেত্রত মন্ত্রী মহোদয় এটা স্পষ্ট উত্তৰ দিব নে ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : অধ্যক্ষ মহোদয়, তদন্ত কৰা হৈছিল। কিন্তু ৰিপোৰ্টত তেনে কোনো ভিত্তি নাছিল। তেখেতে বিছাৰিলে ৰিপোৰ্টটো দিম।

* শ্রী জয়নাথ শর্ম্মা : অধ্যক্ষ মহোদয়,২০,০০০ হাজাৰ টকা ভাৰত কলিতাৰ পৰা নি ঘূৰাই দিয়া হ'ল। চিপাজাৰত ২১শ টকাৰ কাৰণে ৰিপুঞ্জয় শর্ম্মাৰ মৃত্যু হ'ল চৰকাৰে ইয়াৰ কি ব্যৱস্থা ললে ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : অধ্যক্ষ মহোদয়, তদন্ত কৰি ব্যৱস্থা লোৱা হব

* শ্রী জয়নাথ শর্ম্মা : তদন্ত কেতিয়া শেষ হ'ব ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী): এইটো আ. চিৰ ওপৰত নির্ভৰ কৰে।

---

* Speech not Corrected

Re : Situation Of Assam

Smti. Pramila Rani Brahma asked :

127. Will the Chief Minister be pleased to State :

a) Whether the situation of Assam is peaceful now ?

b) If yes, why the Punjab Commandoes have been deputed in some districts of Assam ?

c) Whether it is a fact that in all districts excluding some districts of Assam where Punjab Commandoes have been placed are in peace and normalcy ?

Shri Hiteswar Saikia (Chief Minister) replied.

a) Yes.

b) Some extremist organisation who do not believe in the constitution of India are continuing their anti State and anti People activities. This has to be done control the insurgent activities of certain outlawed banned militant groups.

c) Law and order situation is under control.

* শ্রীমতী প্রমীলা ৰাণী ব্রহ্ম : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী মহোদয়ে (ক) প্রশ্নৰ উত্তৰত ইয়েচ বুলি কৈছে। তাৰ লগতে মই এটা এদিশ্যনেল প্রশ্ন কৰিব বিচাৰিছো যে, যদিহে গোটেই অসমতে শান্তি আহিছে তেনেহলে আমাৰ বাজেট অধিবেশন আৰম্ভ হোৱাৰ

* Speech not Corrected

আগে আগে অভিশেষ বার্মাক এক্সট্রিমিষ্টে কেনেকৈ অপহৰণ কৰিব পাৰিলে ? সেইদৰে ডিব্রুগড় বিশ্ববিদ্যালয়ৰ

মাননীয় অধ্যক্ষ : এইটো এটা বেলেগ প্ৰশ্ন ।

* শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম : অধ্যক্ষ মহোদয় মন্ত্ৰী মহোদয়ে কোকৰাঝাৰ অঞ্চলত কণ্ট্ৰল কৰিবৰ কাৰণে কি ব্যৱস্থা লৈছে। কোকৰাঝাৰ আৰু এন, চি, হিলত এক্সষ্ট্ৰিমিষ্ট ইনটেক আছে নেকি ? আলফা সংগঠনটো চৰকাৰে বেন্দ কৰাৰ অৰ্ডাৰ দিছে নেকি ? তাৰোপৰি কোকৰাঝাৰত শান্তি আনিবলৈ বি, এচ, এফ আৰু পুলিচ বাহিনী থকাৰ পিচতো কিয় আৰ্মি দিবলগা হল জনাবনে ?

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, শান্তিৰ বাতাবৰণ সৃষ্টি কৰাৰ কাৰণে আৰ্মি আৰু পুলিচৰ দৰকাৰ হয়। কিদনেপ হোৱাটোৱে আইন শৃংখলাৰ অৱনতি হোৱাটো নুবুজায়। দিল্লী মহানগৰীতো আজি দিনে ২৫টা কৰি অপহৰণ হৈ আছে। কিছুমান মিচক্ৰিয়েণ্ট আৰু উগ্রপন্থীয়ে এইবিলাক কাম কৰি আছে। সেইবিলাকক কণ্ট্ৰল কৰিবৰ কাৰনে আৰ্মি, বি, এচ, এফ আৰু পুলিচ অনা হয়। কোকৰাঝাৰত কেইবাটাও হত্যাকাণ্ড সংঘটিত হৈছে আৰু মই পৰিপ্রেক্ষিতত অধিক পুলিচ মোটায়েম কৰা হৈছে।

* শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম : অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো যে, এক্সষ্ট্ৰিমিষ্ট সংগঠনটো দমন কৰিবৰ কাৰণে অসমৰ পুলিচৰ ক্ষমতা অক্ষম হৈছে নেকি ? আজি পঞ্জাৱ কমান্দোক কিয় কোকৰাঝাৰ আৰু এন, চি, হিলত দিবলগা হৈছে ?

---

* Speech not Corrected

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যি পৰিমাণৰ পুলিচ আছে সেইখিনি যথেষ্ট নোহোৱাৰ বাবে বাহিৰৰ পৰা আনিব লগা হৈছে। প্ৰত্যেক ৰাজ্যই আনিছে। আমাৰ ৰাজ্যত আইন শৃঙ্খলাৰ ৰক্ষাৰ ক্ষেত্ৰত যিমান আৰক্ষীৰ প্ৰয়োজন সিমান পৰিমানৰ নোহোৱাৰ বাবে আন ঠাইৰ পৰা অনা হৈছে। আজি পাঞ্জাৰ কামান্দো অনা হৈছে আৰু কোকৰাঝাৰ আৰু বঙ্গাইগাঁৱত শান্তি ৰক্ষাৰ বাবে ৰখা হৈছে।

* শ্রী দিলীপ কুমাৰ শইকীয়া : অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রীয়ে (ক) প্ৰশ্নৰ উত্তৰত ক'ইচ বুলি কৈছে গতিকে পাঞ্জাৰ কামান্দো অসমৰ পৰা তৎকালীন ভাৱে পঠোৱাৰ ব্যৱস্থা কৰিবনে ? এই পঞ্জাৰ কামান্দোক মাহে খৰচপাতিৰ বাবে ১ লাখ কৰি টকা দিব লাগে বুলি শুনিবলৈ পাইছো। যিহেতুকে (ক) প্ৰশ্নৰ উত্তৰত ইয়েচ বুলি কৈছে গতিকে পঞ্জাৰ কামান্দো ঘুৰাই পঠোৱাৰ ব্যৱস্থা কৰিবনে আৰু তেওঁলোকৰ বাবে কিমান টকা খৰচ হৈছে জনাবনে ?

* শ্রী দেৱান জয়নাল আবেদিন : অধ্যক্ষ মহোদয়, ইয়াৰ লগতে মইও এটা প্ৰশ্ন কৰিব বিচাৰিছো যে, যোৱা কালিৰ বাতৰি কাকতত ওলাইছ যে, কোকৰাঝাৰত পঞ্জাৰ কামান্দোই এনেকুৱা এটা পৰিবেশৰ সৃষ্টি কৰিছে যে, সেই জিলাত জীয়ৰী, বোৱাৰী ঘৰৰ পৰা বাহিৰলৈ ওলাব নোৱাৰা অৱস্থা হৈছে। এই পঞ্জাৰ কামান্দোৰ বিৰুদ্ধে কিবা ব্যৱস্থা গ্ৰহন কৰিবনে ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : অধ্যক্ষ মহোদয়, আমাৰ ফৰ্চ কম আছে গতিকে আৰু আনিব লাগিব। আমাৰ ৰাজ্যখনত সদায় ১শৰো

* Speech not Corrected

অধিক ফর্চ থাকে। এতিয়া ২০ টা কামান্দোহে আছে গতিকে আৰু আনিব লাগিব। কিমান টকা খৰচ হয় তাৰ ৰিপোর্ট মই পিচতহে দিম :

* শ্রী জয়নাথ শর্ম্মা : অধ্যক্ষ মহোদয়, অসমলৈ যে পঞ্জাৰ কামান্দো আনিছে তেওঁলোক অসম পুলিচতকৈ চুপিৰিয়ৰ বুলি মন্ত্রী মহোদয়ে ভাবে নেকি ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : অধ্যক্ষ মহোদয়, তেওঁলোকৰ এ, কে ৪৭ আছে যিটো অতি উত্তম।

* শ্রী নগেন শর্ম্মা : অধ্যক্ষ মহোদয়, অসমত যি সৈন্য বাহিনী ৰখা হৈছে সেই সৈন্য বাহিনি অসম পুলিচতকৈ চুপিৰিয়ৰ নেকি মন্ত্রী মহোদয়ে জনাবনে ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : অধ্যক্ষ মহোদয়, সৈন্য বাহিনী সকলো ঠাইতে নাই। আমাৰ আৰক্ষী কম থকা বাবে তেওঁলোকক অনা হৈছে।

বিষয় : বাচাৰাট কমিটি।

শ্রী দিলীপ কুমাৰ শইকীয়া সুধিছে :

* ১২৮। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) বৰ্ত্তমান ৰাজ্যখনত থকা সংবাদ পত্রৰ কর্মী সকলক 'ৰাচাৰাট' কমিটিয়ে অনুমোদন জনোৱা চর্ত্তসমূহৰ ওপৰত ভিত্তি কৰি দৰমহা দিয়াৰ ক্ষেত্রত চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে ?

খ) ৫কাৰণ গোষ্ঠীৰ কর্তৃপক্ষৰ লগত 'ৰাচাৰাট' কমিটিৰ নিৰিখ অনুসৰি কর্মীসকলক দৰমহা দিয়াৰ ক্ষেত্রত ৰাজ্য চৰকাৰে কিবা আলোচনা

* Speech not Corrected

প্রক্রিয়া আৰম্ভ কৰিছে নেকি। যদি কৰিছে কাৰ্যকৰী কেতিয়াৰ পৰা হব ?

গ) চৰকাৰী ভাবে দিয়া বিজ্ঞাপন সমূহ বৰ্তমান চৰকাৰৰ চোৱাত কোন কোন গোষ্ঠীলৈ কিমান দিয়া হৈছে আৰু অনাদায়কৃত বিজ্ঞাপন ব্যয়ৰ এখন তালিকা দাখিল কৰিব ?

ঘ) বৰ্তমান ক্রমাগতভাবে বৃদ্ধি পোৱা নিউজ প্রিণ্ট (News print) মূল্য সম্পৰ্কত চৰকাৰে কিবা ব্যৱস্থা গ্রহণ কৰিছে নেকি ? এই News Print সুলভমূল্যত প্রকাশন গোষ্ঠী সমূহক যোগান ধৰাৰ কিবা আচনি যদি লৈছে জনাব ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) বৰ্তমান ৰাজ্যখনত থকা সংবাদপত্র কর্মীসকলক বাচাৰাট কমিটিয়ে অনুমোদন জনোৱা চর্ত্তসমুহৰ আধাৰত দৰমহা আদায় দিওৱাৰ ক্ষেত্রত চৰকাৰে যথোপযুক্ত ব্যৱস্থা লৈছে। এতিয়ালৈকে তিনিটা সংবাদ-পত্রৰ গোষ্ঠীয়ে বাচাৰাট কমিটিৰ চর্ত্তসমূহৰ আধাৰত তেওঁলোকৰ সংবাদ পত্রৰ কর্মীসকলক দৰমহা আদায় দি আছে। উক্ত গোষ্ঠী-সমূহ হ'ল, আসাম ট্রিবিউন, চে ন্টিনেল আৰু দৈনিক জনমভূমি।

খ) এই সংক্রান্তত প্রকাশন গোষ্ঠী কর্তৃপক্ষ, সংবাদপত্র কর্মী তথা চৰকাৰী প্রতিনিধিক লৈ এখন ত্রিপাক্ষিক কমিটি গঠন কৰা হৈছে। এই কমিটিৰ প্রথম বৈঠক মোৱা বহৰ জুন মাহত অনুষ্ঠিত হয় আৰু পৰবর্তী বৈঠকত এই বিষয়ে বিচাৰ বিবেচনা কৰি উক্ত পৰামর্শ ৰলী ৰূপায়ণৰ ক্ষেত্রত অনতি পলমে সিদ্ধান্ত লোৱা হব।

গ) বৰ্তমান চৰকাৰৰ কার্যকাল চোৱাত চৰকাৰীভাৱে কোন কোন গোষ্ঠীলৈ কিমান বিজ্ঞাপন দিয়া হৈছে তাৰ এখন তালিকা পৰিশিষ্ট (ক)ত

আৰু ১৯৯১ চনৰ পৰা এতিয়ালৈ অনাদায়কৃত বিজ্ঞাপনৰ বাবদ প্ৰতিবেদন এখন পৰিশিষ্ট (খ) ত সংলগ্ন কৰা হ'ল।

(See the Annexure—VI)

ঘ) নিউজ প্ৰিণ্টৰ (News Print) বিষয়টো যিহেতু কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ সেয়ে ৰাজ্য চৰকাৰে এই বিষয়ে একো কৰিব নোৱাৰে।

• শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে 'ক' প্ৰশ্নৰ উত্তৰত জনাইছে যে 'চেণ্ট্ৰিনেল গ্ৰুপে' 'বাছাৰাট কমিটিৰ' পৰামৰ্শ মতে কৰ্ম্মচাৰীক দৰমহা আদি দিছে কিন্তু 'জাৰ্নেলিষ্ট ফেডাৰেচনে' অলপতে জনতা ভৱনৰ সম্মুখত ধৰ্ম্মঘট কৰোতে জনাইছে যে চেণ্ট্ৰিনেল গ্ৰুপে বাছাৰাট কমিটিৰ পৰামৰ্শ প্ৰয়োগ কৰা নাই। অসমৰ আৰু বহুতো বাতৰি প্ৰতিষ্ঠানতে এই পৰামৰ্শ মতে কাম কৰা নাই। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে ৰাজ্যখনত যিবোৰ বাতৰি কাকত প্ৰতিষ্ঠানতে বাছাৰাট এৱাৰ্ড মতে কৰ্মীসকলক সা-সুবিধা দিয়া নাই, সেই সমূহক এই এৱাৰ্ড মানি লোৱাৰ কাৰণে চৰকাৰে কি কি কাৰ্য্যকৰী ব্যৱস্থা লৈছে বা লোৱা হব ? এইটো উত্তৰ মুখ্যমন্ত্ৰীয়ে এতিয়া দিব নোৱাৰিলে পিচত দিলেও হব। লগতে মুখ্যমন্ত্ৰীৰ পৰা আৰু এটা কথা জানিব খুজিছো যে 'সাদিন গ্ৰুপক' ১৯৯০-৯১ চনৰ পিচৰ পৰা ১৯৯৪-৯৫ চনলৈকে কোনো চৰকাৰী বিজ্ঞাপন দিয়া হোৱা নাই জনাবনে ? আনহাতে বহুতো কাকতক বিজ্ঞাপনৰ টকা দিবলৈ বাকী আছে। আচাম ট্ৰিবিউনক ৭১ লাখ ১৬ হেজাৰ টকাৰ ভিতৰত মাত্ৰ ৪৯ লাখহে দিয়া হৈছে বাকী ১৮ লাখ টকা এতিয়াও দিবলৈ বাকী আছে অনান্য বহুতো কাকতক

* Speech not Corrected

টকা দিবলৈ বাকী আছে এইবোৰ টকা কিমান দিনৰ ভিতৰত দিয়া হব জনাবনে ?

মাননীয় অধ্যক্ষ : আপুনি এটা এটা কৈ প্ৰশ্ন কৰিলেহে উত্তৰ দিব পাৰে একেলগে ইমানবোৰ নকৰিব ।

* শ্ৰী হিতেশ্বৰ শইকীয়া, (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই সংক্ৰান্তত এখন কমিটি গঠন কৰি দিয়া হৈছে আৰু সেই কমিটিৰ মতামত মতে সিদ্ধান্ত লোৱা হব । চেণ্টিনেল গ্ৰুপৰ কথাটো মই সদনত পিচত দাখিল কৰিম । সাদিনৰ কথাটো মই চোৱা নাই, তেওলোকক কিয় বিজ্ঞাপন দিয়া নাই সেই কথাটো মই চাম । বাতৰি কাকতত বিজ্ঞাপন বাজেট প্ৰভিজন মতে দিয়া হয় ।

* শ্ৰী দিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, আমি দেখিবলৈ পাইছো যে 'আচাম ট্ৰিবিউনক বেছিকৈ বিজ্ঞাপন দিয়া হৈছে। কিন্তু মই ভাবো অসমত অসমীয়া ভাষাৰ বাতৰি পঢ়া লোক বেছি-ইংৰাজীতকৈ । বিজ্ঞাপন দিয়াৰ ক্ষেত্ৰত এটা ইউনিফৰম চিষ্টেমত দিয়াৰ ব্যৱস্থা চৰকাৰে লবনে ? নিউজ প্ৰিণ্টৰ সম্পৰ্কত মই এটা কথা কব খোজো যে 'বাতৰি প্ৰতিষ্ঠান'বোৰ অসমত এক উদ্যোগ হিচাবে গঢ় লৈ উঠিছে । ইয়াত বহুতো নিবনুৱা যুৱকে কৰ্ম্ম সংস্থাপন পাইছে । এতিয়া দেখা গৈছে যে নিউজ প্ৰিণ্টৰ অভাৱত বহুতো বাতৰি প্ৰতিষ্ঠান বন্ধ হোৱাৰ উপক্ৰম হৈছে । সেয়ে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি নিউজ প্ৰিণ্টৰ অভাৱ দূৰ কৰাৰ ব্যৱস্থা মুখ্যমন্ত্ৰীয়ে গ্ৰহণ কৰিবনে ?

---

* Speech not Corrected

* শ্রী হিতেশ্বৰ শইকীয়া, (মুখ্যমন্ত্রী) : অধ্যক্ষ মহোদয়, বহুতো কাকতক টকা দিবলৈ বাকী থকাটো সচা। বাজেটত ধৰা টকাতকৈ বেছিকৈ খৰচ কৰাৰ কাৰণেই আজি এই অৱস্থাৰ সৃষ্টি হৈছে। এতিয়া মই কৈছো যে বাজেটত যিমান টকা ধৰা থাকে সেই মতেহে খৰচ কৰিব লাগিব। তাতকৈ অধিক টকা খৰচ কৰিব নোৱাৰিব। নিউজ প্ৰিণ্টৰ কথাটো মই কেন্দ্ৰীয় চৰকাৰৰ লগত টেক আপ কৰিম।

* শ্রী নকুল দাস : মাননীয় অধ্যক্ষ মহোদয়, বাছাৰাট কমিটিৰ পৰামৰ্শ মতে কৰ্ম্মচাৰী সকলক নাৰ্যা সা-সুবিধা অতি সোনকালে দিয়াৰ কাৰণে চৰকাৰে খৰটকীয়া কাৰ্য্য ব্যৱস্থা লবনে ?

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : অধ্যক্ষ মহোদয়, এইটো কৰিবলৈ কোৱা হব।

* শ্রী অতুল বৰা : অধ্যক্ষ মহোদয়, মুখ্যমন্ত্রীয়ে এটা কথা জনাবনে যে 'জনক্রান্তি' নামৰ কাকতখন আমি বিনামূলীয়াকৈ পাই আছো, টকা দিয়া নাই, বিজ্ঞাপনো দেখা নাই, এই বাতৰি কাকতখন কেনেকৈ মালিকে চলাইছে জনাবনে ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : অধ্যক্ষ মহোদয়, এইটো মই জানিম, বাতৰি কাকতৰ মালিকেহে জানিব, কেনেকৈ কাকত চলাইছে।

* ড: জয়নাথ শর্ম্মা . অধ্যক্ষ মহোদয়, বাছাৰাত আয়োগৰ পৰামৰ্শসমূহ ইমপ্লিমেণ্ট নোহোৱাকৈয়ে আৰু এটা নতুন কমিটি গঠন হৈছে প্ৰেছৰ লোক সকলৰ বাবে। এই কমিটিৰ এৱাৰ্ডসমূহ কিয় ইমপ্লিমেণ্ট হোৱা নাই মুখ্যমন্ত্রীয়ে জনাবনে ? লেবাৰ মিনিষ্টাৰে এই সদনত এচুৰেঞ্চ দিছিল আগতে এইটো ইমপ্লিমেণ্টৰ কাৰণে।

---

* Speech not Corrected

* শ্রীদিলেশ্বৰ তাতি, (শ্রম মন্ত্রী) : অধ্যক্ষ মহোদয়, প্রয়োজন হলে বিবেচনা কৰা হব বুলিহে মই কৈছিলো ।

* ড° জয়নাথ শর্ম্মা : অধ্যক্ষ মহোদয়, বাছোৱাট আয়োগৰ পৰামর্শৰলী ইমপ্লিমেণ্ট নোহোৱাৰ কাৰণে এটা প্রশ্ন কৰাত লেবাৰ মিনিষ্টাৰে কৈছিল যে এইটো প্রয়োগ কৰাটো নেচেচিটি আৰু মেণ্ডেটৰী । এই আয়োগৰ এৱার্ডসমূহ ইমপ্লিমেণ্ট কৰাৰ কাৰণে সদনত এখন বিল আনিবনে কি জনাবনে ?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : অধ্যক্ষ মহোদয়, ইয়াৰ প্রয়োজন আছেনে নাই সেইটো চাব লাগিব । এইটো যাতে ইমপ্লিমেণ্ট হয় সেইটো আমি চাব লাগিব । কিন্তু বাস্তবি প্রতিষ্ঠানে যদি ইমপ্লিমেণ্ট নকৰে আমি তেওলোকক বাধ্য কৰাব নোৱাৰো, আমি কেৱল বিজ্ঞাপন দিয়াটো বন্ধ কৰিব পাৰো ।

বিষয়— মার্ঘেৰিটাৰ নগৰ সমিটিৰ শাখা

শ্রী ৰামেশ্বৰ ধানোৱাৰে সুধিছে :

* ১২৯। মাননীয় পৌৰ প্রশাসন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) মার্ঘেৰিটা মহকুমাৰ ভিতৰত কেইখন নগৰ সমিতি/নগৰ পালিকা আছে জনাবনে ?

খ) উক্ত নগৰ সমিতিৰ পৰিকল্পিত উন্নয়নৰ বাবে কি ব্যৱস্থা চৰকাৰে লৈছে জনাবনে ?

গ) পৰিকল্পিত নগৰ হিচাপে গঢ়ি উঠিবলৈ নগৰ আৰু গ্রাম্য পৰিকল্পনা

* Speech not Corrected

বিভাগৰ দ্বাৰাই নক্সা (Blue Print) তৈয়াৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ কথা চৰকাৰে চিন্তা কৰিছেনে ?

শ্ৰী দেৱানন্দ কোঁৱৰ (পৌৰ প্ৰশাসন মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) মাৰ্ঘেৰিটা মহকুমাৰ ভিতৰত মাত্ৰ এখন নগৰ সমিতি আছে আৰু উক্ত নগৰ সমিতিখন হৈছে ডিগবৈ নগৰ সমিতি।

খ) ডিগবৈ নগৰ সমিতিৰ বাবে চৰকাৰে এতিয়ালৈকে অল্পব্যয়ী শৌচাগাৰ নিৰ্ম্মান আচনিৰ বাবে (HUDCO)ৰ পৰা ১৭'৫১ লাখ টকা ঋণ হিচাব ধাৰ্য্য কৰা হৈছে আৰু ইয়াৰে ১৩'৪০ লাখ (Subsidy)ৰ পৰা বৰ্ত্তমানলৈ ৩'৩৫ লাখ টকা মোকোলাই দিয়া হৈছে। ১৯৯৫-৯৬ চনৰ পৰিকল্পনাৰ শিতানত বজাৰ নিৰ্মান, ৰাস্তা ঘাট উন্নয়ন আৰু মীন মহল নিৰ্মানৰ বাবে অৰ্থ ধাৰ্য্য কৰা হৈছে।

গ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

* শ্ৰী ৰামেশ্বৰ ধানোৱাৰ : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে মাৰ্ঘেৰিটাক নগৰ সমিতি গঠন নকৰাৰ কাৰণ কি ?

* শ্ৰী দেৱানন্দ কোঁৱৰ (মন্ত্ৰী, পৌৰ প্ৰশাসন) : অধ্যক্ষ মহোনয়, মাননীয় সদস্য জনৰ উত্তৰত কব খোজো যে নগৰ সমিতি গঠন হোৱাৰ কাৰণে যিটো প্ৰক্ৰিয়া সেইটো হৈছে জিলাৰ উপায়ুক্তই আয়ুক্তৰ জৰিয়তে এই সম্পৰ্কত প্ৰস্তাৱ প্ৰেৰণ কৰিব লাগিব চৰকাৰলৈ। চৰকাৰে তেতিয়া সকলো দিশ চাই মেলি নগৰ সমিতি গঠন কৰাৰ কাৰণে এখন নোটিফিকেচন জাৰি কৰিব—এই নগৰ সমিতি গঠন কৰাত কাৰোবাৰ আপত্তি আছে নেকি জানিব বিচাৰিব—যদি কোনো ফালৰ পৰা আপত্তি নাহে তেন্তে নগৰ সমিতি গঠন কৰাৰ কাৰণে চৰকাৰে

* Speech not Corrected

প্রয়োজনীয় ব্যবস্থা গ্রহণ করিব। মার্ঘেরিটা মহকুমার সদর স্থান মার্ঘেরিতেই করা হব, অন্য কোনো ঠাইর পরা এই সংক্রান্তত কোনো প্রস্তাব বর্তমানলৈকে পোরা নাই।

(Starred question NB 130 to 140 Could not be taken up as the Question Hour was over. However, the replies to the said Questions decined to have been disposed of)

বিষয় - ভোটদাতাদের জন্য ভোট কেন্দ্র স্থাপনের দাবি।

শ্রী প্রণব কুমার নাথে জিজ্ঞাসা করছেন

*১৩০। মাননীয় মুখ্য মন্ত্রী মহোদয়ে অনুগ্রহ করি জনাবনে ?

ক) কবিমগঞ্জ জিলায় লোকসভা ও বিধান সভার নির্ব্বাচনের অনেক ভোট কেন্দ্র ভোটদাতাদের নিকটবর্ত্তী স্থানে ভোট কেন্দ্র থাকা স্বত্তেও ভোটদাতাদের নিজ নিজ এলাকা থেকে ৬'৭ কিলোমিটার পর্যান্ত দূরবর্তী স্থানে ভোট কেন্দ্র স্থাপন করা হয়েছে, যারফলে ভোটদাতাদের সময়মত এবং নির্ভিস ভোট দেওয়ার পক্ষে অনেক অসুবিধা হয়ে থাকে এব্যাপারে বিভাগীয় কর্তৃপক্ষ অবহিত আছেন কি ?

খ) গ্রামাঞ্চলের সাধারণ ভোটদাতাদের ভোট দানের সুবিধার জন্য দূরবর্তী স্থানের ভোট কেন্দ্র গুলি স্থানীয় এলাকায় স্থাপনের ব্যবস্থা করবেন কি ? যদি হা কথন কি ভাবে ?

শ্রী হিতেশ্বর শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তর দিবেন :

ক) নয়।

খ) ভারতের নির্ব্বাচন আয়োগের নির্দ্দেশিকা অনুযায়ী সময়ে সময়ে ভোট

গ্রহণ কেন্দ্রের সংশোধন করা হয়।

বিষয় : পৌৰ নিগমৰ বিত্তীয় কেলেংকাৰী।

শ্রী ৰমেন্দ্র নাৰায়ন কলিতাই সুধিছে :

১৩১। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) গুৱাহাটী পৌৰ নিগমৰ বিত্তীয় কেলেংকাৰীৰ ভাৰ, চি,বি আইক অর্পন কৰা হ'লনে ?

খ) যদি দিয়া হৈছে, তেনেহলে চি, বি, আইয়ে তদন্তৰ কাম আৰম্ভ কৰিলে নে ?

গ) যদি কৰা নাই, তেনেহলে চৰকাৰে এই সম্পৰ্কত কি ব্যৱস্থা গ্রহণ কৰিছে ?

ঘ) বিত্তীয় কেলেংকাৰীৰ লগত জড়িত বিষয়া, কৰ্ম্মচাৰীৰ ওপৰত শাস্তি-মূলক ব্যৱস্থা গ্রহণ কৰিছেনে ?

ঙ) যদি কৰিছে, কি শাস্তি মূলক ব্যৱস্থা গ্রহণ কৰিছে জনাবনে ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) নাই।

খ) ওপৰোক্ত (ক) প্রশ্নৰ উত্তৰ মতে প্রশ্ন নুঠে।

গ) বর্ত্তমান ৰাজ্যৰ ভিজিলেন্স আৰু এণ্টিকৰাপচন্ বিভাগৰ জৰিয়তে তদন্ত কৰাই থকা হৈছে।

ঘ) ¦ বিষয়টো এতিয়া তদন্তাধীন।

ঙ) ¦

বিষয় : সংখ্যালঘু সম্প্রদায়ৰ উন্নয়ন

শ্রী চন্দন কুমাৰ সৰকাৰে সুধিছে :

* ১৩২। মাননীয় সংখ্যালঘু পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) অসমত বসবাস কৰা সংখ্যালঘু সম্প্রদায়ৰ বাবে কেনে ধৰণৰ উন্নয়ন আঁচনি চৰকাৰে গ্রহণ কৰিছে অনুগ্রহ কৰি জনাবনে ?

খ) নিযুক্তিৰ ক্ষেত্রত সংখ্যালঘু সম্প্রদায়ৰ যুৱক যুৱতীক বিশেষ অগ্রাধিকাৰ দিয়া হবনে ?

গ) অসমত বসবাস কৰা কোন শ্রেণী সম্প্রদায়ৰ মানুহক সংখ্যালঘু বুলি ধৰা হয় অনুগ্রহ কৰি জনাবনে ?

শ্রী দিলদাৰ ৰেজা (ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে :

ক) অসমত বসবাস কৰা সংখ্যালঘু সম্প্রদায়ৰ বাবে চৰকাৰে তলত দিয়া উন্নয়ন আঁচনি সমূহ গ্রহণ কৰিছে :

১। অসমৰ সংখ্যালঘু সম্প্রদায়ৰ মেধাবী তথা দৰিদ্র ছাত্র ছাত্রীৰ বাবে উদগনিমূলক জলপানী প্রদান।

২। ঘনবসত্তিপূর্ণ সংখ্যালঘু এলেকাত হাইস্কুল/হায়াৰ চেকেন্দাৰী ছিনিয়ৰ মাদ্রাছা/আৰবী কলেজ অদিত ছাত্রীৰ জিৰণী কোঠা নির্ম্মান।

৩। অসমৰ সংখ্যালঘু সম্প্রদায়ৰ দুখীয়া লোকৰ মাজত চিলাই মেচিন, বিক্সা আৰু ঠেলা আদি বিতৰণ।

৪। সংখ্যালঘু সম্প্রদায়ৰ দুখীয়া নিৰক্ষৰা যুৱকক পাৱাৰ টিলাৰ/পাৱাৰ পাম্প/ট্রেক্টৰ, মটৰ/স্কুটাৰ আদি চলোৱা আৰু মেৰামতিৰ প্রশিক্ষণ।

৫। সংখ্যালঘু সম্প্রদায়ৰ যুৱতীক নার্চ ও ধাত্রীৰ প্রশিক্ষণ।

৬। সংখ্যালঘু সম্প্রদায়ৰ লোক সকলৰ আর্থ সামাজিক নমুনা জৰীপকৰণ।

খ) চৰকাৰৰ অনুমোদিত নীতি অনুসাৰে সংখ্যালঘু সম্প্রদায়ৰ যুৱক-যুৱতীক দিয়া হব।

গ) মুছলিম, খৃষ্টান, শিখ, বৌদ্ধিষ্ট আৰু জেৱোষ্ট্রিয়ান (পার্চি) সম্প্রদায়ৰ মানুহক সংখ্যালঘু বুলি ধৰা হয়।

বিষয় : শিল্পীৰ ধন আত্মসাৎ

শ্রী অতুল বৰাই সুধিছে :

* ১৩৩। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) পূর্ব্বৰ সাংস্কৃতিক বিভাগৰ সঞ্চালক গৰাকীৰ (আনন্দ মোহন ভাগৱতী) বিৰুদ্ধে শিল্পী সকলৰ ধন আত্মসাৎ কৰা বুলি উঠা অভিযোগটো সচাঁনে ?

খ) যদি সচাঁ শিল্পী সকলৰ কিমান ধন সঞ্চালক গৰাকীয়ে আত্মসাৎ কৰিছে জনাবনে ?

গ) চৰকাৰে শিল্পী সকলৈ কি কি কাৰণত বা কি উদ্দেশ্যত এই ধন মঞ্জুৰ কৰিছিল জনাবনে ?

ঘ) আত্মসাৎ কৰা জনৰ বা সকলৰ বিৰুদ্ধে কিবা তদন্ত আৰম্ভ কৰিছেনে ? যদি কৰিছে সেই, তদন্ত কোন পর্য্যায়ত আছে জনাবনে ?

ঙ) যদি তদন্ত কৰা সম্পূর্ণ হল দোষীৰ ওপৰত কি শাস্তিমূলক ব্যৱস্থা গ্রহণ কৰা হৈছে জনাবনে ?

চ) যদি তদন্ত সম্পূর্ণ হোৱা নাই লেহেম কৰাৰ কাৰণ কি ? সঞ্চালক গৰাকী কোনোবা ৰাজনৈতিক নেতাৰ আশীর্বাদ পুষ্ট লোক নেকি ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিব ।

ক) হয় ।

খ) মুঠ ৬,৮২,০০০'০০ (ছয় লাখ বিৰাশী হাজাৰ)

গ) সংস্কৃতিৰ প্ৰতি শিল্পী সকলে আগবঢ়োৱা বিশিষ্ট বৰঙণি আৰু সেৱাৰ স্বীকৃতিৰূপে শিল্পী পেঞ্চন মঞ্জুৰ কৰা হৈছিল ।

ঘ) হয় । প্ৰাথমিক তদন্তৰ প্ৰতিবেদন চৰকাৰে ইতিমধ্যে গ্ৰহণ কৰিছে আৰু দোষীৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আইন বিভাগৰ লগত যোগাযোগ কৰা হৈছে ।

ঙ) প্ৰাথমিক তদন্তৰ প্ৰতিবেদন মৰ্ম্মে তেতিয়াৰ সঞ্চালক শ্ৰী আনন্দ মোহন ভাগৱতী আৰু সঞ্চালকায়ৰ ধন ভৰালী শ্ৰী অজিত বৰুৱাক পোন পতিয়া ভাবে চৰকাৰী ধন আত্মসাৎ কৰাৰ অভিযোগ পোৱা গৈছে । উক্ত সঞ্চালক গৰাকী আৰু ধন ভৰালী জনক ইতিমধ্যে নিলম্বিত কৰা হৈছে আৰু অভিযুক্ত দুয়োজনৰ বিৰুদ্ধে অনুশাসন মূলক ব্যৱস্থা লোৱা হৈছে ।

চ) লেহেম কৰাৰ প্ৰশ্ন নুঠে সঞ্চালক গৰাকী কোনো ৰাজনৈতিক নেতাৰ আশীৰ্বাদ পুষ্ট লোক নহয় ।

বিষয় : আৰক্ষী পদত নিযুক্তি

শ্রী প্রফুল্ল কুমাৰ মহন্তই সুধিছে ?

১৩৪। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) অসমত ১৯৯৪-৯৫ চনৰ ভিতৰত কিমানজন আৰক্ষী S. I., A. S. I. Havildar কনিষ্টবলক নিযুক্তি দিয়া হ'ল আৰু কিমান জনে পৰীক্ষা দিছিল ?

খ) নিযুক্তি পোৱা সকলৰ নাম আৰু স্থায়ী ঠিকনা উল্লেখ কৰিব আৰু কত কত নিযুক্তি দিয়া হৈছে জনাবনে ?

গ) 8th A.P. BN বটমপুৰত উক্ত সময় চোৱাৰ ভিতৰত পৰীক্ষা দি উত্তীর্ণ হৈ থকা স্থানীয় যুৱক সকলক নিয়োগ কৰা হলনে ?

ঘ) যি সকলে উক্ত 8th A.P. BN. বটমপুৰত চাকৰী (কনিষ্টবল পদত) উক্ত সময় চোৱাৰ ভিতৰত পালে তেওঁলোকৰ নাম আৰু স্থায়ী ঠিকনা জনাবনে ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে :

ক) ১৯৯৪-৯৫ চনত S.I. A.S.I., Havildar পদত পোনপতীয়া নিযুক্তি দিয়া হোৱা নাই । ৫৮ টা উপ-পৰিদর্শকৰ পদ, ৭৩ টা সহঃ উপ-পৰিদর্শকৰ পদ আৰু ২০৫ টা মুখ্য আৰক্ষীৰ পদ পদোন্নতিক্রমে পূৰণ কৰা হৈছে। ২৭১২ জন কনিষ্টবলক নিযুক্তি দিয়া হৈছে । ৪৬,৪২১ জনে পৰীক্ষা দিছিল।

খ) এই তথ্যবোৰৰ নকল প্রস্তুতকৰণৰ কাম চলি আছে । দুই এদিনতে মাননীয় সদনত উপস্থাপন কৰা হব ।

গ) নগাওঁ জিলাৰ যুৱকৰ নিযুক্তি দিয়া হৈছে।

ঘ) পৰিশিষ্ট 'ক'ত নগাওঁ জিলা সন্দর্ভত তথ্য দিয়া হল। বাকী তথ্য মাননীয় সদনত পিছত দাখিল কৰা হ'ব।

(See the Annexure VII)

বিষয় : তদন্ত কমিটি

শ্রী ভৃগু কুমাৰ ফুকনে সুধিছে :

* ১৩৫। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) পশুপালন বিভাগৰ দৰে এল,অ,চি কেলেংকাৰী হোৱা আন বিভাগ কেইটাৰ আর্থিক লেনদেন তদন্ত কৰিবলৈ অসম চৰকাৰে ১৯৯৪ চনৰ এপ্রিল মাহত এখন তদন্ত কমিটি কৰাটো সচানে ?

খ) এই কমিটিয়ে তিনিমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব লগা কথাটো সত্যনে ?

গ) কমিটিয়ে প্ৰতিবেদন যদি দাখিল কৰিছে সদনত সেই প্ৰতিবেদন দাখিল কৰিব নে ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) পশুপালন বিভাগৰ বাহিৰে অন্য বিভাগৰ আৰ্থিক লেনদেন তদন্ত কৰিবলৈ ১৯৯৪ চনৰ আগষ্ট মাহত এটা তদন্ত কমিটি গঠন কৰি দিয়া হয় ।

খ) প্ৰতিবেদন দাখিল কৰাৰ সময় বঢ়াই দিয়া হৈছে ।

গ) বৰ্ত্তমান প্ৰশ্ন নুঠে ।

বিষয় : পৌৰ প্ৰশাসনৰ ৰাস্তাত বিজুলী বাতি যোগান

শ্ৰী চিত্তৰঞ্জন পাটোৱাৰীয়ে সুধিছে :

১৩৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) গুৱাহাটী মহানগৰী পৌৰ প্ৰশাসন এলেকাৰ ভিতৰত কিমানটা ৰাস্তাত পৌৰ প্ৰশাসনে বিজুলী বাতি যোগান ধৰে ?

খ) তাৰে কিমানটা কাৰ্য্যক্ষম অৱস্থান আছে ?

গ) পৌৰ প্ৰশাসনে ৰাস্তাৰ বিজুলী বাতি নিম্নীয় হোৱাৰ কিমান অভিযোগ পাইছে ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ৩০১ (তিনিশ দুটা) পথত ।

খ) প্ৰায় সকলোকেইটা পথকেই কাৰ্য্যক্ষম কৰি ৰখাৰ ব্যৱস্থা কৰা হৈছে ।

গ) প্ৰায়েই অভিযোগ পায় থকা হয় আৰু অভিযোগ সমূহ লগে লগে নিষ্পত্তি কৰাৰ ব্যৱস্থা কৰা হয় ।

বিষয় : আৰ্থিক সাহায্য

শ্ৰী বদন বকৰাই সুধিছে :

* ১৩৭। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ভাৰত চৰকাৰৰ মানব সম্পদ বিকাশ মন্ত্ৰনালয়ৰ সাংস্কৃতিক বিভাগে No. F. 16-8/91-CH2 দিনাংক 5-7-94 পত্ৰযোগে অসম চৰকাৰলৈ ১৯৯৪-৯৫ চনৰ বাবে ২৮ জন সাহিত্য সংস্কৃতিৰ পূজাৰীলৈ আৰ্থিক সাহায্য হিচাবে ধন মঞ্জুৰী দিয়া কথাটো সচানে ?

খ) যদি সচা সেই ব্যক্তি সকলে ইতিমধ্যে আৰ্থিক সাহায্য পালেনে ?

শ্ৰী হিতেশ্বৰ শইকীয়া, (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয় ।

খ) পোৱা নাই । ইতিমধ্যে চৰকাৰে শিল্পী সকলৰ টকাখিনি বৰ্ত্তমান বিত্তীয় বছৰত আৰম্ভন কৰিবলৈ সিদ্ধান্ত লৈছে ।

বিষয় : ছাত্ৰী অপহৰণ

শ্ৰী পৰিমল শুক্ল বৈদ্যই, সুধিছে :

* ১৩৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) যোৱা ৮/২/৯৫ ইং তাৰিখে ধৰ্মপুৰ নিবাসী শ্ৰী জগৎ দাসৰ কণ্যা শ্ৰীমতী অনামিকা দাসক খৰিচালা ডোৱালী হাইস্কুলৰ পৰা চাৰিজন দুৰ্বৃত্তই অপহৰণ কৰি নিয়া কথাটো সচানে ?

খ) উক্ত ঘটনা সম্পৰ্কত সৰভোগ আৰু কলগাছীয়া থানাত এজাহাৰ দিয়াৰ পিচতো আচামীক কৰায়ত্ব নকৰাৰ কাৰণ কি ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) সঁচা ।

খ) আচামীক কৰায়ত্ব কৰাৰ বাবে পুলিচে সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণ কৰিছে ।

Re : I.P.R. Office open at Bilasipara.

Shri Giasuddin Ahmed, asked :

* 139. Will the Minister Information and Public Relations be pleased to State :

a) Whether Sub-Divisional Information and Public Relations Office has been opened at Bilasipara ?

b) If so, whether the said office has been provided with any public address set with fixed loud speaker and other facilities such as telephone and vehicle etc. required to maintain public relations.

Shri Hiteswar Saikia (Chief Minister) replied :

a) Yes, the office of the Sub-Divisional Information and Public Relations Office, Bilasipara has been started on 13.9.93.

b) Since the operator of the said office to operate the technical equipments has not been appointed, public address set and fixed loud speaker system have not yet been provided. Providing of other facilities such as telephone vehicle etc. is under process.

বিষয়— V. I. P. ৰ দেহৰক্ষীৰ সংখ্যা

শ্ৰী নিজামুদ্দিন খানে সুধিছে :

* ১৪০। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) V.I.P. সকলৰ লগত নিয়োজিত দেহৰক্ষীৰ সংখ্যা কিমান ?

খ) এই দেহৰক্ষী সকলৰ ভ্ৰমণ বাবদ নিয়মিত আদায় দিয়া হৈছেনে ?

গ) যদি হোহা নাই, নিয়মিত ভাবে আদায় দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) ১৮৮ জন ।

খ) দিব পৰা হোৱা নাই ।

গ) চেষ্টা কৰি থকা হৈছে ।

Re : Suspended Bodo Employees

Shri Khiren Borgoyary asked :

295. Will the Chief Minister be pleased to State :

a) How many Bodo Employees were suspended/discharged from their Services during Bodoland Movement?

b) How many employees have been reinstated so far ?

c) If not, when it will be done ?

Shri Hiteswar Saikia (Chief Minister) replied :

a) So far record available 56 employees were suspended and 16 employees were dismissed/discharged from service during the Bodoland Movement.

b) and c) Government have issued instructions/guidelines to all concerned authorities to reinstate all such employees who were suspended/dismissed/discharged from service during the Bodoland Movement. A

A copy of Government instructions issued in this regard is placed on the table of the house.

(See the Annexure—VIII)

বিষয়— পুলিশৰ সংখ্যা বৃদ্ধি

শ্ৰী মধুসূদন তেওয়াৰীয়ে জিজ্ঞাসা কৰছেন :

২৯৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয় অনুগ্ৰহ কৰিয়া জানাবেন কি ?

ক) কৰিমগঞ্জ জিলার সীমান্ত দিয়া নানান উগ্রপন্থীদের আনাগোনা তাই কৰিমগঞ্জ জিলার পুলিশ সংখ্যা বৃদ্ধি করা একান্ত দরকার চরকার কি জ্ঞাত আর সরকার এবিষয়ে কি ব্যবস্থা করিবেন জানাবেন কি ?

খ) কাছাড় হইতে পৃথক হওয়াৰ সময় করিমগঞ্জ পুলিশ সংখ্যা কমিছিল আর বর্ত্তমানে তাই আছে সরকার ইহা অবগত আছেন কি ?

গ) পাথারকান্দি থানায়ে আরও পুলিশ ওয়াচ পোষ্ট ও আউট পোষ্টের প্রয়োজন, এবিষয়ে সরকার পদক্ষেপ গ্রহণ করিবেন কি ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) জিলাখনৰ সামগ্রিক পৰিস্থিতিলৈ লক্ষ্য ৰাখি আৰক্ষী সংখ্যা বৃদ্ধি কৰাৰ বাবে চৰকাৰে বিবেচনা কৰি আছে ।

খ) অৱগত ।

গ) বৰ্তমান ওয়াছ পোষ্ট আৰু আউটপোষ্ট সৃষ্টি কৰাৰ কোনো প্ৰস্তাৱ চৰকাৰৰ নাই ।

বিষয় : গোচৰ পঞ্জীভুক্ত

শ্ৰী বদ্রীনাৰায়ণ সিংহই সুধিছে :

২৯৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) আত্মসমর্পণৰ পৰৱৰ্ত্তী কালছোৱাত আত্মসমর্পণকাৰী আলফা আৰু বড়ো উগ্রপন্থী লিপ্ত থকা কিমান গোচৰ পঞ্জীভূক্ত কৰা হৈছে।

খ) আত্মসমর্পনকাৰী আলফা আৰু বড়ো উগ্রপন্থীয়ে কৰা বিভিন্ন অপৰাধৰ তালিকা বেলেগে বেলেগে চৰকাৰে সদনৰ আগত দাঙি ধৰিবনে?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) আত্মসমর্পনৰ পৰৱৰ্ত্তী কালছোৱাত ২৮-২-৯৫ ইং তাৰিখ পর্যন্ত আত্মসমর্পনকাৰী আলফা উগ্রপন্থীৰ বিৰুদ্ধে ২২১ টা গোচৰ পঞ্জীভূত কৰা হৈছে. কিন্তু বড়ো আত্মসমর্পনকাৰীৰ বিৰুদ্ধে কোনো গোচৰ পঞ্জীভূক্ত হোৱা নাই।

খ) আত্মসমর্পকাৰী আলফা উগ্রপন্থীৰ বিৰুদ্ধে বিভিন্ন অপৰাধৰ তালিকা তলত দিয়া হ'ল :—

১)	ডকাইতি	— ৮টা
২)	হত্যা	— ১৩ টা।
৩)	দুস্যতা	— ২১ টা।
৪)	বলপূর্ব্বক ধনসংগ্রহ	— ১৫ টা।
৫)	অপহৰন	— ১০ টা।
৬)	ধর্ষন	— ২ টা।
৭)	অস্ত্র-শস্ত্র সংক্রান্ত আইনত	— ১৩ টা।
৮)	টাডা আইনত	— ৩৯ টা।
৯)	অন্যান্য	৯৭ টা।
	মুঠ	২২১ টা

বড়ো আত্মসমর্পনকাৰী উগ্রপন্থীৰ ক্ষেত্রত তালিকা দিয়াৰ প্রশ্ন নুঠে।

বিষয় : সাহার্য্য আৰু অনুদান

শ্রী জিউৰাম বড়োই সুধিছে :

২৯৮। মাননীয় ক্রীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) ক্রীড়া আৰু যুৱকল্যাণ বিভাগে যুৱ সংস্থা সমূহক সাহায্য আৰু অনুদান দি অহাটো সঁচা নেকি ?

খ) যদি সঁচা তেতিয়াহলে বর্ত্তমানে কি কি আচঁনি গ্রহণ কৰিছে ?

গ) কলাইগাওঁ সমষ্টিৰ অন্তত: ১০ (দহ) টা এনে সস্থাক সাহায্য কিম্বা অনুদান প্রদান কৰিবনে ?

শ্রী ইন্দ্র গগৈ (ক্রীড়া আৰু যুৱকল্যান বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

ক) হয়, সঁচা।

খ) বর্ত্তমান ক্রীড়া আৰু যুৱকল্যাণ বিভাগে গ্রহন কৰা আচঁনি সমূহৰ ভিতৰত আছে—

১) যুৱ সংস্থা সমূহলৈ ক্রীড়া সামগ্রী যোগান ধৰা,

২) যোগ্যতা সম্পন্ন সংস্থা সমূহক অনুদান দিয়া,

৩) "ৰাষ্ট্র নির্মাণত যুব শক্তি" শীর্ষক আচঁনিৰ জৰিয়তে যুৱ সংঘলৈ এককালীন ভাবে ৫০০০'০০ টকালৈ অনুদান দিয়া, বিনামূলীয়া বাতৰি কাকত আলোচনী আদি যোগান ধৰা ইত্যাদি।

গ) কালাইগাওঁ বিধান সভা সমষ্টিৰ বিধায়কৰ অনুমোদন ক্রমে তলত উল্লেখ কৰা ৬ (ছয়) টা সংঘক নির্বাচন কৰা হৈছে। বাকী সংঘ ৰোৰক ভবিষ্যতে পূঁজি সাপেক্ষে বিবেচনা কৰা হব।

১) কালজুৰী আৰাহন সংঘ। ২) সমাজ কল্যাণ প্রগতি সংঘ

৩) জনপ্রিয় পুথি ভৱাল ৪) নেহৰু জ্যোতি সংঘ ৫) ৰূপালী জন কল্যাণ আঞ্চলিক সংঘ। ৬) কুহিয়াৰ কাজি চাংগালৈ আফট সংঘ।

বিষয় : কার্য্যালয় বন্ধ

শ্রী হিতেন্দ্র নাথ গোস্বামী য়ে সুধিছে :

২৯৯। মাননীয় মুখ্য মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) সাংস্কৃতি সঞ্চালকালয়ৰ অধীনত যোৰহাট জিলাত কোনো কার্য্যালয় আছে নেকি, যদি আছে কোন স্থানত আছে ?

খ) এই কার্য্যালয়টো বন্ধ কৰাৰ কোনো নির্দ্দেশ অলপতে দিয়া হৈছে নেকি, যদি হৈছে কিয় ?

গ) বিষয়টো চৰকাৰে পুনৰ বিবেচনা কৰিবনে ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) আছে।

যোৰহাট নগৰত আৰু তিতাবৰত একোটাকৈ সাংস্কৃতিক কেন্দ্র আছে।

খ) কোনো নির্দ্দেশ দিয়া হোৱা নাই।

গ) 'খ' প্রশ্নৰ উত্তৰৰ সাপেক্ষে এই প্রশ্ন নুঠে।

বিষয় : গোৱালপৰীয়া সংস্কৃতিৰ সংৰক্ষণ

শ্রী আলাউদ্দিন চৰকাৰে সুধিছে :

৩০০। মাননীয় সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) গোৱালপৰীয়া সাংস্কৃতিৰ বিভিন্ন পর্য্যায়ৰ আখ্যান উপখ্যান নৃত্য-গীত নাট আদি সংগ্রহ আৰু সংৰক্ষণৰ বাবে আছুতীয়াকৈ এটি Institution প্রতিষ্ঠা কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্রহণ কৰিবনে ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) বৰ্ত্তমান চৰকাৰৰ হাতত অনুষ্ঠান প্ৰতিষ্ঠা কৰাৰ আঁচনি নাই ।

বিষয় : ষ্টেডিয়াম নিৰ্মাণ

শ্ৰী মিলন বড়োই সুধিছে :

৩০১। মাননীয় ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ক্ৰীড়া জগতত আন্তৰাষ্ট্ৰিয় পৰ্যায়ত বহুতে সোনৰ আৰু ৰূপৰ পদক লাভ কৰা স্বনামধন্যা কৃতি খেলুৰে শ্ৰীমতী লীলাৱতী দৈমাৰীয়ে বৰ্ত্তমান সংস্থাপনৰ অভাৱত জীয়াই থকাৰ বাবে দিনমজুৰী কৰিব লগা হোৱা অৱস্থাত চৰকাৰ অৱগতনে ?

খ) শ্ৰীমতী লীলাৱতী দৈমাৰীৰ নামত নগাওঁ জিলাৰ ৰূপহীত ষ্টেডিয়াম নিৰ্মান কৰাৰ প্ৰস্তাৱ আছিল নেকি আৰু যদি আছিল তেনে উক্ত নিৰ্মাণ কাৰ্য্য অগ্ৰগতি কি জনাবনে ?

গ) এক সময়ৰ অসম গৌৰৱ কৃতী খেলুৰে শ্ৰীমতী লীলাৱতী দৈমাৰী আৰু তেওঁৰ সন্তান আৰু পৰিয়ালক বৰ্ত্তমান সমুখীন হোৱা সংকটৰ পৰা উদ্ধাৰ কৰা বাবে ক্ৰীড়া বিভাগ বা চৰকাৰে আৰ্থিক অনুদান দিয়াৰ আৰু সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিবনে ?

ঘ) যদি কৰে কিমান দিনৰ ভিতৰত কৰিব জনাবনে ।

শ্ৰী ইন্দ্ৰ গগৈ (ক্ৰীড়া আৰু যুৱকল্যান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) তেনে অৱস্থাৰ বিষয়ে চৰকাৰ অৱগত নহয় ।

খ) তেনে ধৰণৰ কোনো প্ৰস্তাৱ চৰকাৰৰ হাতত নাই, গতিকে অগ্ৰগতিৰ প্ৰশ্ন নুঠে ।

গ) বিতং তথ্যপাতি সহ আবেদন এই সম্পর্কে নিয়মৰ মাজেদি বিবেচনা কৰি চোৱা হব।

ঘ) আবেদন/প্রস্তাৱ পোৱাৰ পিচত।

Re: Implementation of I.M.D.T. Act.

Shri promode Gogoi asked :

302 Will the Chief Minister be pleased to state :

a) Whether the Government have taken steps to implement provisions of the Foreigners Act and I.M.D.T. Act, 1983 ?

b) If so, the total number of cases referred, to the Tribunals under the provisions of the above Acts and the decisions taken by the respective Tribunals since the present Government took over the power?

Shri Hiteswar Saikia (Chief Minister) replied :

a) Yes.

b) A total number of 225 F.T. Cases have been referred to the Foreigners Tribunals.

The Tribunal disposed of 3877 Cases including 3652 pensing cases from the previous years, declaring 2604 persons as foreigners of the 1966-71 strem.

Under the I. M (D) T Act, a total of 1465 I.M (D) T Cases have been referred to the I,M (D)T Tribunals for opinion. The Tribunals disposed

of 4960 I.M (D) T Cases including 3495 pending cases from the previous years declaring 1281 number of persons as illegal Migrants.

Re : Damages of Municipality Roads.

Sir Samarendra Nath Sen asked :

303. Will the Minister of Municipal Administration be pleased to State ?

a) Is it a fact that most of the Roads of Silchar Municipality are badly damaged for non repairs ?

b) Is it a fact that an inaduquate sum of Rs. 20 lakhs was allotted to Silchar Municipal Board as grants under flood damaged repairing in 1993-94 ?

c) If so, whether the Govt. would allot some more fund for the repairing of the damaged Roads ?

Sri Devananda Konwar (Minister) replied :

a) As per the report received from Silchar Municipal Board, 96 Municipal Roads were damaged by flood during 1993-94. The Silchar, Municipal Board therefore submitted 96 Nos of detailed estimates for repairing of the damaged Roads. As per the said estimates, the total amount required for reparing the said Roads including the Culverts etc was Rs. 22,97,235/-

b) Against the demand of Silchar Municipal Board

for Rs. 22,97,235/- an amount of Rs. 20.00 (twenty) lakhs was sanctioned and released to the Municipal Board for the purpose of restoration of damaged properties by flood during 1993-94. This sanctioned amount of Rs. 20.00 (twenty) lakhs is not therefore, considered as inadequate.

c) Yes, Govt. considered to allot another amount of Rs. 8.00 (Rs. eight lakhs) for improvement of all damaged Municipal roads of Silchar Municipal Board. The amount is under process of release.

বিষয় : Operation ৰ জৰিয়তে উদ্ধাৰ হোৱা টকা

শ্ৰী যতীন মালীয়ে সুধিছে :

৩০৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসম চৰকাৰে ১৯৯০ চনৰে পৰা সামৰিক অসম আৰু অৰ্দ্ধসামৰিক বাহিনীৰ Operationৰ জৰিয়তে বিভিন্ন ব্যক্তি সংগঠনৰ পৰা টকা উদ্ধাৰ কৰাটো হয়নে ?

খ কোন বছৰৰ কোন মাহত কোন ঠাইৰ পৰা কিমান টকা উদ্ধাৰ কৰিছে জনাবনে ?

গ) উদ্ধাৰ কৰা এনে টকাৰ পৰিমান সৰ্ব্বমুঠ কিমান বাকু ?

ঘ) বৰ্ত্তমানলৈ উদ্ধাৰ কৰা টকাৰ সম্পূৰ্ণ বিৱৰন সহ Statement সদনত দাখিল কৰিবনে ?

ঙ) উদ্ধাৰ কৰা সময়ত মানি চলিবলগীয়া নিয়ম আৰু উদ্ধাৰ হোৱা টকা জমা থোৱা (সংৰক্ষন কৰা সময়ত) মানি চলিব নিয়ম সম্পূৰ্ণভাবে মানি নচলা বুলি ওলোৱা গুজবৰ সত্যতা সম্পৰ্কে কবনে ?

শ্রী হিতেশ্বৰ শইকীয়া মূখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) হয় ।

খ) অনুবদ্ধসূচী ১ত বিতং বিৱৰন দিয়া হ'ল ।

(See the Annexure—IX)

গ) উদ্ধাৰ কৰা টকাৰ সৰ্ব্বমুঠ পৰিমাণ হ'ল ৫,২৯,৬১,০৬২'০০ টকা ।

ঘ) ওপৰৰ (খ)ৰ বিপৰীতে দেখুৱা মতে ।

(See the Annexure—X)

ঙ) সঁচা নহয় ।

বিষয় : মিনি ষ্টেডিয়াম

শ্রী পানীৰাম ৰাভাই সুধিছে :

৩০৫। মাননীয় ক্রীড়া বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) বৰমা সমষ্টিৰ নমাটিত মিনি ষ্টেডিয়ামখন সম্পুর্ণকৰণৰ বাবে ব্যবস্থা লৈছেনে ?

খ) নলবাৰীত ষ্টেডিয়াম নির্মাণৰ বাবে ৰাইজে দাবী কৰাটো মন্ত্রী মহোদয়ে অৱগতনে ?

গ) যদি অৱগত, কি ব্যৱস্থা লৈছে জনাবনে ?

শ্রী ইন্দ্র গগৈ (ক্রীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

ক) লব পৰা হোৱা নাই ।

খ) অৱগত ।

গ) মাটি আৰণ্টন পালে প্রস্তাৱটো বিবেচনা কৰি চোৱা হব ।

Re : Anti-National Activities

Shri Mission Ranjan Das asked :

306. Will the Chief Minister be pleased to State :

a) Whether the news item under caption "Home Ministry alerts SIB" appeared in local daily namely "The Sentinel" dated 18-2-95, has come under the notice of the Government ?

b) If yes, whether the Government has taken any action against both named & unnamed persons allegedly involved in antinational activities ?

c) If yes, against whom actions have been taken and what sort of action have been taken please state it in detail ?

d) If not, state reasons thereof ?

Shri Hiteswar Saikia (Chief Minister) replied :

a) Yes.

b) Verification of the authentioity of the contents of the News-item is being made.

c) Does not arise at this stage.

d) Does not arise.

Re: Number Of Terrorist

Shri Bebu Rangpi ¦
Shri Holi Ram Terang ¦ asked
Shri Monsing Rongpi ¦

307. Will the Chief Minister be pleased to state :

Number of terrorist related crime incidents occured in the State from 1991 January to 1995 January ?

(Please state district-wise)

Shri Hiteswar Saikia (Chief Minister) replied :

Total Nos 2361.

District-wise list is at Annexure—'A'

(See the Annexure—XI

(Unstarred Question No 308 was Postponed)

বিষয় : কৰ্ম্মচাৰীৰ সংখ্যা আৰু দৰমহা

শ্ৰী হিতেশ্বৰ ডেকাই সুধিছে :

৩০৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসম চৰকাৰৰ অধীনস্থ মুঠ কৰ্ম্মচাৰীৰ সংখ্যা কিমান ?

খ) (চলিত বিত্তীয় বৰ্ষৰ হিচাপত) প্ৰতিমাহে কৰ্ম্মচাৰীৰ 'মাহিলী বেতন'ৰ বাবদ চৰকাৰৰ কিমান ধনৰ প্ৰয়োজন হয় ?

গ) ৰাজ্য চৰকাৰৰ অধীনস্থ আই-এ-এছ, এ-চি-এছ আৰু ৰাজপত্ৰিত বিষয়াৰ (অসম বিধান সভা সচিবালয় বাদে) সংখ্যা কিমান ?

ঘ) ৰাজ্য চৰকাৰৰ অধীনস্থ মুঠতে কিমানজন কৰ্ম্মচাৰীক (১) টেলিফোন আৰু (২) ব্যক্তিগত যানৰাহনৰ সুবিধা দিয়া হৈছে ?

ঙ) ১) টেলিফোনৰ বিল আৰু (২) গাড়ীৰ তেলৰ বাবদ প্ৰতিমাহে চৰকাৰৰ গড়ে কিমান ধন ব্যয় হয় ? (চলিত বিত্তীয় বৰ্ষ হিচাপত)

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) মহোদয়ে উত্তৰ দিছে :

ক) ৩১/৩/১১ তাৰিখত অসম চৰকাৰৰ অধীনত মুঠ কৰ্ম্মচাৰীৰ সংখ্যা ৪,২৬,২৪৬ জন ।

খ) প্রতিমাহে কর্ম্মচাৰীৰ 'মাহিলী বেতন'ৰ বাবদ অনুমানিক ১১৭,৩৩ কোটি টকা ব্যয় হয়।

গ) ৰাজ্য চৰকাৰৰ অধীনত ১৬৫ টা আই-এ এছ বিষয়াৰ পদ আছে আৰু বৰ্ত্তমানে ১৩৬ জন বিষয়া কর্ম্মৰত আছে। ৰাজ্য চৰকাৰৰ অধীনত ১১০১ টা এ-চি-এছ বিষয়াৰ পদ আছে আৰু বৰ্তমানে ৮৭১ জন বিষয়া কর্ম্মৰত আছে। অন্যান্য ৰাজপত্রিত বিষয়াৰ সংখ্যা বিভিন্ন বিভাগৰ পৰা বিচৰা হৈছে।

ঘ) এই সম্পর্কে প্রয়োজনীয় তথ্য বিভিন্ন বিভাগৰ পৰা বিচৰা হৈছে।

ঙ) এই সম্পর্কে প্রয়োজনীয় তথ্য বিভিন্ন বিভাগৰ পৰা বিচৰা হৈছে।

বিষয় : Escort ৰ ব্যৱস্থা

শ্রী নিজামুদ্দিন খানে সুধিছে :

৩১০। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) মন্ত্রী বিধায়ক সকললৈ ভ্রমণৰ সময়ত Escort দিয়া নিয়ম আছেনে ?

খ) যদি আছে প্রশ্নকর্ত্তাৰ Escort বিচৰা স্বত্বেও নিদিয়াৰ কাৰণ কি ? (১৯৯৪ জুলাই মাহৰ পিচৰ পৰা)

গ) এই সম্পর্কত তদন্ত কৰি বিহিত ব্যৱস্থা লবনে ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) হয়, মন্ত্রী সকলৰ ভ্রমণৰ সময়ছোৱাত (Escort) দিয়াৰ নিয়ম আছে।

খ) বিধায়কক Escort দিয়া নহয়।

গ) প্রশ্ন নুঠে।

বিষয় : Commercial Market Building

শ্রী ৰমেন্দ্র নাৰায়ন কলিতাই সুধিছে :

৩১১। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে—

ক) ফাঁচী বজাৰৰ বহুখলপীয়া Commercial Market Buildingৰ কাম কিমান শতাংশ সম্পূৰ্ণ হ'ল ?

খ) বৰ্ত্তমান এই, Buildingৰ কাম কি পৰ্য্যায়ত আছে ?

গ) এই কামটো কেতিয়া সম্পূৰ্ণ কৰি ব্যৱসায়ী সকলক দিব পাৰিব জনাবনে ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) ৩০ (ত্রিশ) শতাংশ ।

খ) বৰ্ত্তমান নিৰ্ম্মানৰ কাম চলি আছে ।

গ) নিৰ্ম্মান কাৰ্য্য সোনকালে সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰা হৈছে ।

বিষয় ঃ তথ্য আৰু জনসংযোগৰ বিজ্ঞাপন

শ্ৰী মুনিন মহন্তই সুধিছে ঃ

৩১২। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) তথ্য আৰু জনসংযোগ বিভাগে বাতৰি কাকতত বিজ্ঞাপন দিয়াৰ ক্ষেত্রত কি নীতি গ্রহণ কৰি আহিছে ?

খ) যোৱা ৩ বছৰত তথ্য আৰু জনসংযোগ বিভাগে বিজ্ঞাপনৰ নামত বিশেষ অনুগ্রহ দেখুৱাই প্রচাৰ নথকা বাতৰি কাকতক লাখ লাখ টকা বিজ্ঞাপন ধন মোকোলাই দিছে নেকি ?

গ) যদি সত্য নহয়, যোৱা তিনি বছৰত বিভিন্ন বাতৰি কাকতক দিয়া বিজ্ঞাপনৰ ধন কোন কোন কাকতে কিমানকৈ পালে হিচাপ এটা দিবনে ?

(বিভিন্ন বাতৰি কাকতৰ নাম, বিজ্ঞাপনৰ ধনৰ পৰিমান ১৯৯১-৯২, ৯২-৯৩, ৯৩-৯৪, ৯৪-৯৫ চনত পালে মেজত দাখিল কৰিব)

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) তথ্য আৰু জনসংযোগ বিভাগে বাতৰি কাকতত বিজ্ঞাপন দিয়াৰ ক্ষেত্ৰত অসম চৰকাৰৰ বিজ্ঞাপন নীতি ১৯৮৬ (১৯৯২ চনৰ শুধৰণী নীতি) গ্ৰহণ কৰি আহিছে ।

খ) অভিযোগ সত্য নহয় ।

গ) যোৱা ৩ বছৰে বিভিন্ন বাতৰি কাকতক বিজ্ঞাপনৰ বাবে দিয়া ধনৰ প্ৰতিবেদন পৰিশিষ্ট (ক)ত সংলগ্ন কৰা হ'ল ।

(See the Annexure – XII)

বিষয় : মঞ্জুৰীকৃত পদৰ সংখ্যা ।

শ্রী ৰামেশ্বৰ ধানোৱাৰে সুধিছে :

৩১৩। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) তিনিচুকিয়া জিলা উপায়ুক্ত কাৰ্য্যালয়ত কিমানটা বিভাগীয় মঞ্জুৰী দিয়া পদ আছে ? বিভাগৰ নামসহ পদৰ সংখ্যা জনাবনে ?

খ) চৰকাৰী নিয়মানুসাৰে এই পদসংখ্যা পৰ্য্যাপ্ত হয়নে ? যদি নহয় চৰকাৰে কৰ্ম্মচাৰী নিয়োগ পদ্ধতি (Staffing pattern) অনুসৰি পদ পুৰাবলৈ কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) তিনিচুকীয়া জিলা উপায়ুক্তৰ অধীনত সৰ্ব্বমুঠ তৃতীয় শ্ৰেনীৰ ১১৭টা পদ আৰু চতুৰ্থ শ্ৰেণীৰ ৬১ টা পদ আছে। বিভাগৰ নাম সহ পদৰ সংখ্যা তলত দিয়া হ'ল :

১। উপায়ুক্তৰ কাৰ্য্যালয়ত ৪৩ টা তৃতীয় শ্ৰেনীৰ আৰু ৩৮ টা চতুৰ্থ শ্ৰেণীৰ।

২। তিনিচুকিয়া কোষাধক্ষ—তৃতীয় শ্ৰেণীৰ ১৭টা আৰু চতুৰ্থ শ্ৰেণীৰ ৫টা পদ ।

৩। খাদ্য আৰু অসামৰিক যোগান বিভাগ—তৃতীয় শ্রেণীৰ ৪ টা আৰু চতুৰ্থ শ্রেণীৰ ৪টা

৪। আবকাৰী বিভাগ—তৃতীয় শ্রেণীৰ ৩৪টা আৰু চতুৰ্থ শ্রেণীৰ ১টা পদ ৫। সহ পঞ্জীয়ক বিভাগ—তৃতীয় শ্রেণীৰ ৪টা চতুৰ্থ শ্রেণীৰ ২টা ৬। নিৰ্ব্বাচন বিভাগ তৃতীয় শ্রেণীৰ ৩টা আৰু চতুৰ্থ শ্রেণীৰ ৩টা পদ। ৭। মহকুমা পৰিকল্পনা বিষয়—তৃতীয় শ্রেণীৰ ৩টা আৰু চতুৰ্থ শ্রেণীৰ ২টা ৮। অসামৰিক প্রতিৰক্ষা—তৃতীয় শ্রেণীৰ ৪টা আৰু চতুৰ্থ শ্রেণীৰ ৪টা পদ আৰু ৯। জেষ্ঠ পৰিকল্পনা বিভাগ—তৃতীয় শ্রেণীৰ ৫টা আৰু চতুৰ্থ শ্রেণীৰ দুটা পদ।

খ) চৰকাৰী নিয়মানুসাৰে এই পদৰ সংখ্যা পৰ্য্যাপ্ত নহয়।

কার্য্যালয়, বিলাকত বৰ্ত্তমানে কাম কাজ দিনে দিনে বাঢ়ি গৈ থকাটৈ লক্ষ কৰি চৰকাৰে (Staffing pattern) অনুসৰি পদ পুৰাবলৈ বিবেচনা কৰি আছে।

বিষয় : হোজাই বিজেপি নেতাৰ হত্যাকাৰি

শ্রী প্রনব কুমাৰ নাথে জিজ্ঞাসা কৰছেন :

৬১৪। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰিয়া জানাবেন কি ?

ক) বিগত ৯/১/৯৫ ইং তাৰিখে নগাওঁ জিলাৰ হোজাইৰ বিজেপিৰ সহ সভাপতি শ্রীৰাম গোপাল আগাৰওয়ালা ও তাহাৰ পুত্র বিজয় কুমাৰ আগাৰওয়ালাকে তাততায়ী কর্ত্তৃক নৃশংসভাবে গুলি কৰে হত্যা কৰা হয়েছে—এবিষয়ে সৰকাৰ অবহিত আছেন কি ?

খ) যদি আছেন তাহলে বিভাগীয় কর্ত্তৃপক্ষ হত্যাকাৰিদের গ্রেপ্তাৰ কৰাৰ ব্যাপাৰে কি কি পদক্ষেপ নিয়েছেন এবং কেউ ধৰা পড়েছে কি ?

গ) যদি না কেন ? যদি হয় তাহলে গ্রেপ্তার হওয়া দুস্কৃতিকারিদের নাম ও ঠিকানা এবং বর্ত্তমানে তাহারা কোথায় আছে বিশদ তথ্য সদনের মেঝে দাখিল করিবেন ?

ঘ) পুলিশ প্রশাসন আসল আততায়ীতের গ্রেপ্তার করার বিষয়ে সক্রিয়-ভাবে কার্যকরী পদক্ষেপ না নেওয়ার আসল কারণ কি ?
(বিগত ২৭ শে জানুয়ারী করিমগঞ্জ থেকে সময়ের আহ্বান' নামক পত্রিকায় ও প্রকাশিত হয়েছে)

শ্রী হিতেশ্বর শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তর দিছে :

ক) অরগত ।

খ) আৰক্ষীয়ে ব্যাপক তদন্ত কৰিছে আৰু ইতিমধ্যে এজন লোকক গ্রেপ্তাৰ কৰা হৈছে ।

গ) গ্রেপ্তাৰ কৰা ব্যক্তি জনৰ নাম শ্রীশার্থে টিমুং ওৰফে অবলেন টিমুং ওৰফে পূর্ণ কান্ত টিমুং পিতা—লেংটক টিমুং গাওঁ—আমচৈ বালিচাৰা দলনি, থানা—বহা জিলা—নগাওঁ। ব্যক্তিজন বর্ত্তমান জেলহাজতত আছে ।

ঘ) কার্য্যকৰী পদক্ষেপ লোৱা হৈছে আৰু আৰক্ষীৰ তদন্ত অব্যাহত আছে ।

বিষয় : কনিষ্টবল নিযুক্তি

শ্রী অতুল বৰাই সুধিছে :

৩১৫। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ করি জনাবনে :

ক) বর্ত্তমান চৰকাৰে ক্ষমতা পোৱাৰ পৰা অর্থাৎ ১৯৯১ চনৰ পৰা এই পর্য্যন্ত কিমানজন পুলিচ কনিষ্টবল নিযুক্তি দিছে জিলা ভিত্তিত নাম সহ এখন তালিকা দাখিল কৰিবনে ।

খ) ১৯৯১ চনৰ পৰা এই পর্য্যন্ত কিমান ASI/SI নিযুক্তি দিছে জনাবনে ?

গ) অসমীয়া পুলিচ বিষয়া সকলক চৰকাৰে যোগ্যতা অনুযায়ী পোষ্টিং নিদি তেওঁলোকৰ প্ৰতি অৱহেলা কৰা কথাটো সঁচানে ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ১৯৯১ চনৰ পৰা বৰ্ত্তমানলৈ ৬০০৮ (ছয় হাজাৰ আঠ) জন পুলিচ কনিষ্ঠবলক নিযুক্তি দিয়া হৈছে । (জিলা ভিত্তিত তালিকা দিয়া হল)
(See the Annexure—XIII)

খ) ১৯৯১ চনৰ পৰা ASI/SI পদত কোনো লোকক নিযুক্তি দিয়া হোৱা নাই ।

গ) সচাঁ নহয় ।

বিষয়— উচ্চ ন্যায়ালয়ৰ ৰায়

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই সুধিছে :

৩১৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) গণতান্ত্ৰিক অহিংস আন্দোলনত, বন্ধ পিকেটিং, শোভাযাত্ৰা ইত্যাদি একো একোটা পৰ্য্যায় আৰু তেনে এক পৰ্য্যায় বন্ধত আৰক্ষীয়ে বন্ধ হৈ থকা দোকান সমূহৰ তলা ভঙ্গাতো আইন বিৰুদ্ধ বুলি যোৰহাটৰ এটা গোচৰত গুৱাহাটী উচ্চ ন্যায়ালয়ে দিয়া ৰায়ৰ বিষয়ে চৰকাৰ জ্ঞাতনে ?

খ) যোৱা ১৮ ফেব্ৰুৱাৰীত "দৈনিক অসম" বাতৰি কাকতত মুখ্যমন্ত্ৰীয়ে সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত" লোকৰ তলা ভাঙিলেতো 'অফেঞ্চ' আৰু পুলিচে তলা ভাঙিলেও 'অফেঞ্চ' হব ।" বুলি দিয়া উত্তৰ সত্যনে ?

গ) যদি সত্য হয় তেন্তে যোৱা ২০ ফেব্ৰুৱাৰী তাৰিখে অসম গণ পৰিষদ দলে আহ্বান জনোৱা অসম বন্ধ যি আৰক্ষীয়ে বন্ধ হৈ থকা দোকানৰ (অসমৰ বিভিন্ন ঠাইত) তলা ভাঙিলে তেওঁলোকৰ বিৰুদ্ধে কি ব্যৱস্থা ললে জনাবনে ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) জ্ঞাত ।

খ) এনে বিবৃতি প্রকাশিত হৈছিল ।

গ) তলা ভঙাৰ কোনো প্রতিবেদন চৰকাৰে পোৱা নাই ।

বিষয় : পৌৰ সভাৰ দ্বাৰা বজাৰ আৰু ষ্টেণ্ডৰ ডাক

শ্রী হিতেন্দ্র নাথ গোস্বামীয়ে সুধিছে :

৩১৭। মাননীয় পৌৰ প্রশাসন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) যোৰহাট পৌৰ সভাৰ অধীনত মুঠ কিমান বজাৰ আৰু ষ্টেণ্ড বছৰি ডাকত দিয়া হয় । ১৯৯৫-৯৬ বৰ্ষত কেৱল তিনিখনৰ বাবে বাকীখিনি বজাৰ আৰু ষ্টেণ্ডৰ ১৪-২ ৯৫ তাৰিখত ডাকৰ বাবে পৌৰ সভাই আহ্বান কৰা নিবিদা বন্ধ ৰখাৰ নির্দ্দেশ চৰকাৰে দিছে নেকি ? যদি দিছে নির্দ্দেশৰ প্রতিলিপি সদনত দাখিল কৰিব ।

খ) যোৰহাট পৌৰ সভাৰ অধীনত কোনকেইখন বজাৰ আৰু ষ্টেণ্ড ১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ দুয়োটা বিত্তীয় বৰ্ষত ডাক নকৰাকৈ Extension দিয়া হৈছে । নাম উল্লেখ কৰিব আৰু এই Extension পোৱা লোচী কেইজনে কোনটো বিত্তীয় বৰ্ষত এই বজাৰ আৰু ষ্টেণ্ড ডাক যোগে প্রথমে কিমান মূল্যত লাভ কৰিছিল, Extension ৰ সময়ত মূল্য কিমান দিব লগা হৈছিল ?

গ) যোৰহাট পৌৰ সভাত পৌৰ মন্ত্রীৰ হস্তক্ষেপ দুজন লোকক নিযুক্তি দিয়াক কেন্দ্র কৰি ১৯৯৪ চনৰ নবেম্বৰ-ডিচেম্বৰ মাহত হোৱা পৌৰ কৰ্মীৰ ধৰ্মঘট সম্পর্কে চৰকাৰৰ মন্তব্য কি ?

শ্রী দেবানন্দ কোঁৱৰ (পৌৰ প্রশাসন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

ক) যোৰহাট পৌৰসভাৰ অধীনত ৪ (চাৰি) খন বজাৰ আৰু ৮ টা

ষ্টেণ্ড (মুঠ ১২ খন) বছৰি ডাকত দিয়া হয় । হয় দিছে । (১৯৯৫-৯৬ বৰ্ষৰ বাবে পৌৰ সভাই আহ্বান কৰা নিবিদাৰ সময়ত Extension বিছাৰি চৰকাৰৰ ওচৰত আবেদন কৰোতে আৰু ইয়াৰ বিপক্ষে কিছু সংখ্যক ব্যক্তিৰ পৰা অহা আবেদনৰ পৰিপ্রেক্ষিতত চৰকাৰে পৌৰ সভাক নিবিদা বন্ধ কৰিবলৈ নির্দেশ দিয়ে) চৰকাৰৰ নির্দ্দেশৰ প্রতিলিপি অনুশুচী ক'ত সংলগ্ন কৰা হৈছে ।

(See the Annexure—XIV)

খ) যোৰহাট পৌৰ সভাত ১৯৯৩-৯৫ চনত মুঠ ৭ খন আৰু ১৯৯৪ ৯৫ মুঠ ৮ খন বজাৰ/ষ্টেণ্ডৰ Extension দিয়া হৈছিল । উক্ত বজাৰ /ষ্টেণ্ড Extension কৰা বাবদ সঠিক মূল্য ও মহলদাৰ সকলৰ বিষয়ে মূল তথ্যপাতি বিছৰা হৈছে । তথ্যপাতি সমূহ পালেই সদনত দাখিল কৰা হব ।

গ) যোৰহাট পৌৰ সভাত দুজন কর্ম্মচাৰীক পুৰণি তদর্থ সমিতি (ad-hoc bodies) য়ে নিযুক্তি দিয়াৰ পৰিপ্রেক্ষিতত তেতিয়াৰ কার্য্যবাহী বিষয়া গৰাকীয়ে তেওঁলোকক কামত যোগদান কৰিবলৈ দিয়াৰ বিৰুদ্ধে ১৯৯৪ চনৰ নবেম্বৰ-ডিচেম্বৰ মাহত পৌৰ সভাৰ কর্মচাৰী সকলে ধর্মঘট কৰাটো সত্য । এই সংক্রান্তত চৰকাৰৰ ফালৰ পৰা উজনি অসম সংমণ্ডলৰ আয়ুক্তক অনুসন্ধান ক্রমে প্রতিবেদন দাখিল কৰিবলৈ নির্দ্দেশ দিয়া হৈছে । ইতিমধ্যে উক্ত দুয়োজন কর্মচাৰীয়ে মহামান্য সহকাৰী জিলা আৰু ছেছন ন্যায়াধীশৰ (যোৰহাট) আদালতত গোচৰ তৰাত আদালতে ১৩-১১-৯৪ তাৰিখে অন্তবর্ত্তীকালিন নিষেধাজ্ঞাৰ হুকুম কৰাত দুয়োজন কর্মচাৰী তেওঁলোকৰ পদত বাহাল আছে । আদালতত গোচৰ চলি আছে ।

Re : Construction of shop Complex.

Shri Promode Gogoi asked :

318. Will the Minister, Municipai Administration be pleased to State.

a) Whether a Shop Complex was Constructed by Town Committee of Bihpuria is Lakhimpur District in P.W.D. road reserve land dispite objections raised by the Department.

b) If so, action taken against the Town Committee for violation of Law & encoactment of reserved Land ?

Sri Debananda Konwar (Minister municipal Administration) replied :

a) The Town Committee of Bihpuria Started Construction of Market on the above land on 26.6.94. The Market building is nearing completion as reported by Town Committee. It is reported by the Town Committee that the Land is under use of Town Committee as Market place since last 32 years and Town Committee also obtained one no objection Certificate from the P.W.D. in the year 1977. The plan and estimate of the above mentioned Market was approved by the Executive Engineer P.W.D. (Building) Division North Lakhimpur. The matter was also settled with P.W.D. in a meeting dated, 29.9.94.

b) in view of reply of (a) above question does not arise.

বিষয়—মূল্যবান বস্তু ডকাইতি

শ্রী বদন বরুৱাই সুধিছে :

৩১৯। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) ১৯৯৪ বছৰটোত গুৱাহাটী মহানগৰৰ ভিতৰত বলপূর্বকভাৱে টকা বা আন মূল্যবান বস্তু আদায় কৰা ঘটনা কিমান হৈছে ?

খ) উক্ত ঘটনা বিলাকৰ ভিতৰত কিমানটা ঘটনাত দোষী ধৰা পৰিছে ?

গ) দোষী বিলাকৰ কিমান জনক শাস্তি দিয়া হৈছে ?

ঘ) ১৯৯১ চনৰ জুলাই মাহৰ পৰা ১৯৯৪ চনৰ ডিচেম্বৰৰ শেষলৈ অসমত কিমানটা ডকাইতি সংঘটিত হৈছে ?

ঙ) কিমানটা ডকাইতিত ডকাইত ধৰা পৰিছে ?

চ) ক'ত উল্লেখিত বলপূর্বকভাৱে আদায় কৰা ঘটনা আৰু 'খ'ত উল্লেখিত ডকাইতিৰ তালিকা এখন চন, তাৰিখ, ঘটনাৰ স্থল, দোষীৰ নাম ঠিকনাৰে সৈতে সদনত দাখিল কৰিব নে ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) ১৪ টা।

খ) ৮ টা ঘটনাত দোষী ধৰা পৰিছে।

গ) ১৬ জন দোষীৰ বিৰুদ্ধে অভিযোগনামা আদালতলৈ প্রেৰণ কৰা হৈছে।

ঘ) মুঠ ১৪০২ টা

ঙ) মুঠ ৬০৭২ জন আচামীক গ্রেপ্তাৰ কৰা হৈছে।

চ) অনুবন্ধ 'A' ত তালিকা এখন দিয়া হল।

(See the Annexure—XV)

বিষয় : উগ্রপন্থীৰ আত্মসমৰ্পণ

শ্রীহিতেশ্বৰ ডেকাই সুধিছে :

৩২০। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) আত্মসমৰ্পণৰ সময়ত উগ্রপন্থীয়ে জমাদিয়া অস্ত্র-শস্ত্র, গোলাবাৰুদৰ সংখ্যা কিমান ?

খ) আত্মসমৰ্পণৰ পিছত এনেলোকৰ কিমানজনক চৰকাৰে অস্ত্র-শস্ত্র লগত ৰাখিবলৈ অনুমতি দিছে আৰু কিমানজনক ব্যক্তিগত নিৰাপত্তা ৰক্ষীৰ সুবিধা দিছে ?

গ) আত্মসমৰ্পন কৰা কিমান জনক ইতিমধ্যে চাকৰিত মকবল কৰিছে আৰু কিমানলৈ চৰকাৰী ঋণৰ সুবিধা আগবঢ়োৱা হৈছে ?

ঘ) এনেদৰে আগবঢ়োৱা ঋণৰ পৰিমান কিমান ?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

ক) অত্মসমৰ্পণৰ সময়ত উগ্রপন্থীয়ে (আলফা আৰু বড়ো চিকিৰিটিফোৰ্চ) জমা দিয়া অস্ত্র-শস্ত্র, গোলা-বাৰুদৰ সংখ্যা তলত দিয়া ধৰনৰ:—

১)	অস্ত্র-শস্ত্রৰ পৰিমান	—৩৪৮
২)	বম্ব/গ্রেনেড	—২০০
৩)	ডিটেনেটৰ	—৪৪৪
৪)	জিলেটিন ষ্টিক	—১৩৩ আৰু ২ কেজি ।
৫)	আই ই ডি মাইনচ	—৪০
৬)	মেগজিনচ	—১৭
৭)	টি এন্ টি পাউদাৰ	—১১০ গ্রাম ।
৮)	গান পাউদাৰ	—২৮০০ গ্রাম ।
৯)	ফিউজতাঁৰ	—১২১ মিঃ ।
১০)	বেৰেল	—১৫

১১) ৰাট —৬

১২) চার্জাৰ —১৩

১৩) এমিউনিচনচ —৪৭৪৮

ঘ) আত্মসমর্পণৰ পিছত এনেলোকৰ কোনো উগ্রপন্থীকেই অস্ত্র-শস্ত্র ৰাখিবলৈ অনুমতি দিয়া নাই। কিন্তু ব্যক্তিগত আবেদন ক্রমে জীৱনৰ প্রতি ভাবুকি থকা ৪২ জন তেনে লোকক নীতি মতে নিজৰ আত্মৰক্ষাৰ বাবে নিষেধাজ্ঞা নথকা অস্ত্র লবৰ বাবে অনুজ্ঞাপত্র প্রদান কৰা হৈছে।

গ) আত্মসমর্পণৰ পাছত ৮৫৮ জনক ইতিমধ্যে চাকৰিত মকৰল কৰা হৈছে আৰু ৩১০৮ জনক চৰকাৰী ঋণৰ সুবিধা আগবঢ়োৱা হৈছে।

ঘ) এনেধৰনৰ আগবঢ়োৱা ঋণৰ (বিচৰ্তীয় অনুষ্ঠানৰ পৰা অনুমোদন কৰা) পৰিমান হ'ল ৪৮৬১·০০ লাখ টকা।

বিষয় : সংখ্যালঘু ছাত্র-ছাত্রীৰ বৃত্তি

শ্রী নিজামুদ্দিন খানে সুধিছে :

৩১১। মাননীয় সংখ্যালঘু পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) সংখ্যালঘু মেধা ছাত্র ছাত্রীক বৃত্তি দিয়াৰ ব্যৱস্থা আছেনে ?

খ) যদি আছে ১৯৯১ চনৰ ১ জুলাইৰ পৰা ১৯৯৫ চনৰ ১৮ ফেব্রুৱাৰী-লৈকে কিমান ছাত্র-ছাত্রীক এই বৃত্তি দিয়া হৈছে ? (জিলা ভিত্তিত জনাব)

গ) ১৯৯১ চনৰ ১ জুলাইৰ পৰা আদায় দিয়া বৃত্তিধাৰী ছাত্র-ছাত্রী সকলৰ নাম, ঠিকনা, শিক্ষানুষ্ঠানসহ তালিকা দিব নে ?

শ্রী দিলদাৰ ৰেজা (ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে :

ক) আছে।

খ) ১৯৯১ চনৰ ১ জুলাইৰ পৰা ১৯৯৫ চনৰ ২৮ ফেব্রুৱাৰীলৈকে মুঠ ১,২৬০ জন ছাত্র-ছাত্রীক বৃত্তি দিয়া হৈছে। জিলা ভিত্তিত বিতং তালিকা ইয়াৰ লগত গাঠি দিয়া ক, খ আৰু গ অনুসূচীত দেখুৱা হ'ল।

(See the Annexure—XVI)

গ) ১৯৯১ চনৰ ১ জুলাইৰ পৰা আদায় দিয়া বৃত্তিধাৰী ছাত্র ছাত্রী সকলৰ নাম, ঠিকনা, শিক্ষানুষ্ঠানৰ তালিকা ইয়াৰ লগত সংলগ্ন কৰি দিয়া হল।

(See the Annexure—XVII)

বিষয় : করিমগঞ্জ দেওৱানী আদলতে আবেদন

শ্রী প্রণব কুমার নাথে জিজ্ঞাসা করছেন :

৩২২। মাননীয় আইন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জনাবেন কি? করিমগঞ্জ জিলার বাজারঘাট গ্রামোদ্যোগ সমিতি নামক বহুমুখী সেচ্ছা-সেৱী সংস্থাটি যাহাতে জনস্বার্থে বিভিন্ন উন্নয়নমূলক কার্য্যসূচী রূপায়ন করতে পারে সেজন্য করিমগঞ্জ দেওয়ানী আদালতে দায়ের করা T.S.No. 179/94-Misc case No. 53/94 অগ্রাধিকারের ভিত্তীয়ে দ্রোত নিষ্পত্তির ব্যবস্থা করিবেন কি?

শ্রী দেৱানন্দ কোঁৱৰ (আইন মন্ত্রী) য়ে উত্তৰ দিছে :

আদালতৰ বিচাৰাধীন উক্ত গোচৰৰ নিষ্পত্তিৰ ক্ষেত্রত চৰকাৰে কোনো ব্যবস্থা লব নোৱাৰে। যদি, উক্ত গোচৰত চৰকাৰ এটা পক্ষ, তেতিয়াহলে উক্ত গোচৰটোৰ দ্রোত নিষ্পত্তিৰ বাবে অদোলতত চৰকাৰে আবেদন কৰিব পাৰে।

DISCUSSION DURING ZERO HOUR

Mr. Speaker : Question Hour is over.

I have received as many as 16 Zero Hour notices for 27.3.95 in the name of the following hon'ble Members :

1. Shri Dilip Kumar Saikia
2. Shri Chandra Mohan Patowary
   Dr. Zoii Nath Sarmah
   Shri Ramendra Narayan Kalita.
3. Shri Prafulla Kumar Mahanta
   Shri Chandra Mohan Patowary
   Shri Nagen Sarmah
   Shri Thaneswar Boro
4. Shri Mission Ranjan Das
   Shri Chittendra Nath Mazumdar
   Shri Badri Narayan Singh
5. Shri Dhruba Kumar Sen
6. Shri Ramendra Narayan Kalita
   Shri Nagen Sharmah
7. Shri Sasha Kamal Handique
8. Shri Hitendra Nath Goswami
9. Shri Nizamuddin Khan

10. Shri Dewan Joynal Abedin
11. Shri Hitesh Deka
12. Shri Binod Gowala
13. Shri Binod Gowala
14. Abdul Jalil Ragibi
15. Shri Gohin Chandra Das

As per Rules, I have selected only 3 Zero Hour notices for raising before the House today.

I now, call upon the hon. Member Shri Prafulla Kumar Mahanta and well Mr Chandra Mohan Patowary will speak on behalf of the first set of four. will you Mr. Patowary ?

* শ্রী চন্দ্র মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, আজি সদনৰ শুন্য কালত আমি 'প্রান্তিক' নামৰ পখেকীয়া বার্তালোচনীখনৰ চতুর্দশ বছৰ অষ্টম সংখ্যা, ১৬-৩১ মার্চ ১৯৯৫ চনত প্রকাশিত 'চলচিত্রৰ' শতবার্ষিকী আৰু অসমৰ তথ্যচিত্র' শীর্ষক বাতৰিটোৰ প্রতি আমি মুখ্যমন্ত্রী ডাঙৰীয়াৰ দৃষ্টি আকর্ষণ কৰিবলৈ বিচাৰিছো। অধ্যক্ষ মহোদয়, অসমৰ তথ্য চিত্রৰ ওপৰত বা অসমৰ চিনেমা জগতৰ ওপৰত চৰকাৰে ফিল্ম পলিচি উদ্ভাৱন কৰিছে। আমি সদনৰ মজিয়াত ফিল্ম পলিচিৰ ওপৰত বিৰোধী পক্ষই আলোচনা বিলোচনা উত্থাপন কৰিছো। চৰকাৰে ইতিমধ্যে চলচিত্র নীতি উদ্ভাৱন কৰিছে। সেই নিতিটো যাতে বাস্তৱত ৰূপায়িত হয় তাৰ কাৰণে চৰকাৰৰ ওচৰত নিবেদন ৰাখিব বিচাৰিছো। অধ্যক্ষ মহোদয়, চলচিত্র নীতি আজি বাস্তৱত

* Speech not Corrected

ৰূপায়িত নোহোৱা বাবে অসমৰ চলচিত্ৰ শিল্পীসকল বা চলচিত্ৰ উদ্যোগটো এনেকুৱা এটা পৰ্যায়লৈ গৈছে যাৰ ফলত আজি জ্যোতি চিত্ৰবন ষ্টুডিঅ'ৰ কথা কৈ শেষ কৰিব নোৱাৰি। আজি ফিল্ম প্ৰযোজক সকল বা অসমৰ অভিনেতা-অভিনেত্ৰী সকল সাংঘাটিক সমস্যাৰ সন্মুখীন হৈছে। সেই বিষয়বোৰলৈ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰিছো। আজি অসমৰ চলচিত্ৰ বা অভিনেতা-অভিনেত্ৰীয়ে আন্তৰ্জাতিক খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। অসমীয়া চিনেমা হালধীয়া চৰায়ে বাও ধান খাই' পৃথিৱীত ৰেকৰ্ড সৃষ্টি কৰিছে। গতিকে অসমৰ চলচিত্ৰ নীতি ইমানখিনি পিছ পেলাই থোৱাতো সমীচীন হোৱা নাই অধ্যক্ষ মহোদয়, মই এটা কথা কবলৈ বিচাৰিছো। ভাৰতৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধী যেতিয়া প্ৰধান মন্ত্ৰী হৈ আছিল তেতিয়া মই মুখ্যমন্ত্ৰীৰ হৈ জনসংযোগ বিভাগৰ হৈ এখন সভাত নিজে উপস্থিত আছিলো। তাত ভাৰতবৰ্ষৰ তথ্য আৰু অনাতাৰ বিভাগৰ মন্ত্ৰী শ্ৰী এইচ কে এল ভগৎ মাননীয় ৰাজীৱ গান্ধীয়ে অসমৰ চলচিত্ৰ উদ্যোগক সহায় কৰিব লাগে বুলি সেইখন সভাত ভাষণ ৰাখিছিল। কিয় ৰাখিছিল—সেই সময়ত জাহ্নু বৰুৱাই চিনেমাই আন্তৰ্জাতিক পৰ্যায়ত পৃথিৱীৰ বিভিন্ন ঠাইত বিভিন্ন ধৰণৰ সম্মান কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। অধ্যক্ষ মহোদয়, দ্বিতীয়তে মই কবলৈ বিচাৰিছো জ্যোতি চিত্ৰবন আজি এনেকুৱা এটা পৰ্যায়লৈ গৈছে সেইটো আজি আৰু ষ্টুডিঅ' হৈ থকা নাই। তাৰ অৱস্থা খুবেই দুখ লগা হৈ পৰিছে। তাৰ অৱস্থা এনেকুৱা হৈ পৰিছে যে জ্যোতি চিত্ৰবনত এখন চিনেমাৰ চুটিং চলি থকা অৱস্থাত তাৰ প্ৰযোজকে মোৰ ঘৰলৈ আহি তাত যে এতিয়া চুটিং কৰাৰ কোনো অৱস্থাই নাই তাৰ বিষয়ে কলে। তেখেতে মোক কলে যে ষ্টুডিঅ'ৰ ভিতৰত এখনো ফেন নাই। মই নিজে এজন মানুহক কৈ তাত দুখন ফেন দিয়াৰ

ব্যৱস্থা কৰি দিছো। আপোনালোকে যদি ব্যক্তিগতভাৱে তালৈ যায় তেতিয়াহলে সকলোবিলাক গম পাব। আজি অসমৰ একমাত্ৰ ষ্টুডিঅ,' জ্যোতি চিত্ৰবনৰ এই দুৰৱস্থা যাতে সমাধান হয় তাৰ বাবে চৰকাৰক আবেদন জনাবলৈ বিচাৰিছো। তৃতীয়তে আৰু এটা কথা কবলৈ বিচাৰিছো আজি অসমৰ গাওঁ ভূই অসমীয়া কৃষ্টি সংস্কৃতি ৰক্ষা কৰি থকা ভ্ৰাম্যমান থিয়েটাৰৰ টেক্স ৰেহাই দিয়াৰ কথাটো। এই টেক্স ৰেহাই দিয়াৰ কথাটো মুখ্যমন্ত্ৰীৰ দৃষ্টিগোচৰ কৰিবলৈ বিচাৰিছো। ভ্ৰাম্যমান থিয়েটাৰৰ টেক্স ৰেহাই ক্ষেত্ৰত এটা অসুবিধা আছে সেইটো হ'ল—বছৰে বছৰে টেক্স ৰিনিউ কৰি থাকিব লাগে। টেক্স ৰিনিউ কৰিবলৈ তেওঁ লোক টেক্স কমিছনাৰৰ ওচৰলৈ যাতে প্ৰতি বছৰে দৌৰি থাকিব নালাগে তাৰ ব্যৱস্থা কৰিব লাগে। অসমৰ কৃষ্টি সংস্কৃতি ৰক্ষা কৰি থকা এই ভ্ৰাম্যমান নাট্যগোষ্ঠী বিলাকৰ ওপৰত চৰকাৰৰ যিখিনি দায়িত্ব সেইখিনি পালন কৰাৰ কাৰণে চৰকাৰক অনুৰোধ জনালো। অধ্যক্ষ মহোদয় ইয়াৰ উপৰিও অসমৰ আজি লুপ্তপ্ৰায় হবলৈ ধৰা ঢুলীয়া,পুতলা নাছ, ওজা পালি আদি সংস্কৃতি বিলাকৰ যিখিনি পৰ্য্যায় পাইছে তাৰ অৱস্থা বৰ দুখ লগা। সেই সংস্কৃতিসমূহ জীয়াই ৰখাৰবাবে আমি চৰকাৰৰ ওচৰত আবেদন নিবেদন ৰাখিব বিচাৰিছো। অধ্যক্ষ মহোদয়, 'নতুন দৈনিক' কাকতৰ ১০-৯-৯৪ সংখ্যাত প্ৰকাশিত 'জ্যোতি চিত্ৰবনৰ ভিতৰ চাৰাঃ ২০ লাখ টকা অনুমোদন, অসম চুক্তি অনুসৰি সাহায্য দিব কেতিয়া?' মই মাত্ৰ হেড লাইন বিলাক হে পঢ়ি দিবলৈ বিচাৰিছো। তাৰ পিছত আকৌ ১৪-৯-৯৪ তাৰিখৰ 'নতুন দৈনিক'ত ওলাইছে ছয় লক্ষাধিক টকা বিতৰণ নহ'ল,। এইখিনি অসমৰ শিল্পী সাহিত্যিকলৈ দিয়া অৰ্থিক সাহায্যৰ টকা। এই ক্ষেত্ৰত কবলৈ বিচাৰিছো যে অসমৰ শিল্পী সাহিত্যিকলৈ সাহায্য দিয়া হৈছে। কিন্তু সেই দুখীয়া

শিল্পীৰ সাহায্যৰ টকা বহুত শিল্পীয়ে পোৱা নাই। মই এই ক্ষেত্ৰত নাগাৰা নামৰ প্ৰখ্যাত শিল্পী ৰাম চৰণ ভৰালীৰ কথাকে কবলৈ বিচাৰিছো। যিসকল দুখীয়া শিল্পীলৈ আৰ্থিক সাহায্য দিয়া হৈছিল সেই বিলাকৰ নাম 'নতুন দৈনিক' কাকতৰ ৪-৯-৯৪ চনৰ সংখ্যাত উল্লেখ কৰা হৈছে। আকৌ 'নতুন দৈনিক' কাকতৰে ৫/১০/৯৪ তাৰিখৰ সংখ্যাত ওলাইছে 'দৰমহা জ্যোতি চিত্ৰবন ষ্টুডিঅ'ত আন্দোলন'। তাৰোপৰি ৭/৯/৯৪ তাৰিখৰ 'নতুন দৈনিক'ত ওলাইছে 'দৃশ্য গ্ৰহণ ক্ষোৰ শোচনীয় পানী নিগৰে উকথা চালেৰে'। তাৰোপৰি ৩/৯/৯৪ তাৰিখৰ 'নতুন দৈনিক' কাকতত বাতৰি ওলাইছে 'জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ'ৰ ভিতৰ চ'বা এবছৰে দৰমহা নাই মাটি-বাৰী বন্ধকত দিছে কৰ্মচাৰীয়ে'। আজি জ্যোতি চিত্ৰবনৰ কৰ্মচাৰী দৰমহা নাপাই নিজৰ ঘৰ-মাটি বন্ধকত থবলগীয়া অৱস্থা হৈছে। আজি চিত্ৰবনৰ অৱস্থা কি পৰ্য্যায়লৈ গৈছে সকলোৱে অৱগত। তাৰোপৰি আৰু বাতৰি ওলাইছে অসমৰ ছাত্ৰই আজি অসমৰ চলচিত্ৰ উদ্যোগক জীয়াই ৰখাৰ বাবে আন্দোলন কৰিব লগা হৈছে। এই বিষয়ে ইতিমধ্যে বিভিন্ন বাতৰি কাকতত বিভিন্ন ধৰণৰ আলোচনা সমালোচনা হৈ গৈছে। এই বিলাক বিষয়ৰ ওপৰত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰিছো। চৰকাৰে যি চিনেমা পলিচি গ্ৰহণ কৰিছে তাক কাৰ্যত ৰূপায়িত কৰিবলৈ বিভিন্ন কাকতত ওলাইছে। তাৰোপৰি অসমৰ ভাম্যমান নাটা শিল্পীৰ ক্ষেত্ৰত বিবেচনা কৰিব বুলি আশা ৰাখিলো। অধ্যক্ষ মহোদয়, এই চেগতে মই অসমৰ ডাইৰেক্টৰ কালচাৰেল এফিয়াৰচ বিভাগৰ কথা কবলৈ বিচাৰিছো। আমাৰ যিটো কালচাৰেল বিভাগৰ ডাইৰেক্টৰেট আছে তাত কালচাৰ বুলি একো কথাই নাই। কেৱল তাত অপসংস্কৃতিৰহে বাঁহ। তাত সংস্কৃতি বুলি কোনো কথা নাই। কালচাৰেল বিভাগৰ ডাইৰেক্টৰেতত

যি অপসংস্কৃতি চলি আছে সেই বিষয়ে মই মুখ্যমন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিবলৈ বিচাৰিছো। কাৰণ এই বিভাগৰ অধীনতে গ্রাম্যাঞ্চলৰ নাট্য-সমূহ প্রদর্শিত হয়।

মাননীয় অধ্যক্ষ মহোদয়, কলাগুৰু বিষ্ণু ৰাভাৰ নামত চামতাত এখন নাট্য সম্মিলন পতা হৈছিল. তাৰ কাৰণে সাংস্কৃতিক সঞ্চালকা-লয়ৰ পৰা ষ্টেজটো বিচৰা হৈছিল. তেওঁলোকে প্রথমে দিম বুলি কৈছিল। কিন্তু সময়ত ষ্টেজ, লাইট মাইক একো নিদিলে ৰাইজে মোক কোৱাত, মই নিজে সাংস্কৃতিক সঞ্চালকালয়লৈ গৈছিলো তেতিয়া মোক কলে যে ষ্টেজটো 'টুনীয়ে' নিলে লক্ষীমপুৰলৈ কিবা ৰাস অনুষ্ঠানৰ কাৰণে। তেহেতু হ'ল আমাৰ মুখ্যমন্ত্রীৰ ককায়েক ইয়াত মুখ্যমন্ত্রী জৰিত কৰাৰ কাৰণেই কথাটো মই তেখেতৰ দৃষ্টি-গোচৰ কৰিছো। এই সাংস্কৃতিক সঞ্চালকালয়ত চলি থকা অপ-সংস্কৃতি বিলাক বন্ধ কৰাৰ বাবে যথাবিহিত ব্যৱস্থা গ্রহণ কৰিবলৈ মই মুখ্যমন্ত্রী মহোদয়ক বিশেষ ভাবে অনুৰোধ জনাইছো। এই খেলিমেলি বিলাক অৱশ্যে বৰ্ত্তমান সঞ্চালক জনৰ দিনত হোৱা নাই আগৰ সঞ্চালক জনৰ দিনহে সংঘটিত হৈছিল। এইবিলাকৰ ওপৰত যথাবিহিত ব্যৱস্থা গ্রহণৰ দাবী জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্রী নগেন শর্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ লগতে মই দুটামান কথা কৈ থব খুজিছো। মই মাননীয় মুখ্যমন্ত্রী মহোদয়ক এটা অনুৰোধ জনাইছো জ্যোতি চিত্রবন ষ্টুডিঅৰ বৰ্ত্তমান বিটো অৱস্থা, সেই অৱস্থা দেখি জ্যোতি প্রসাদৰ আত্মাই স্বর্গত কান্দিছে ছাগৈ। এই জ্যোতি চিত্রবন ষ্টুডিঅটো অসমৰ চলচিত্র জগতৰ একমাত্র ষ্টুডিঅ

* Speech not Corrected

আৰু এই ষ্টুডিঅটোত কোনো বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰা হোৱা নাই। মই মুখ্যমন্ত্ৰীক অনুৰোধ জনাইছো যাতে এই ষ্টুডিঅটো বৈজ্ঞানিক পদ্ধতিৰে সজাই তোলাৰ ব্যৱস্থা কৰে। এনে কৰিলে অসমৰ চলচিত্ৰ জগতৰ যথেষ্ট উন্নতি হ'ব। তাৰোপৰি অসমীয়া চিনেমা অসমৰ চিনেমাহল বিলাকত বছৰত কমেও ১০০ দিন চলাবৰ বাবে বাধ্যতামূলক যিটো ব্যৱস্থা আছিল, সেইটো বৰ্ত্তমান নোহোৱা হৈছে। অসমৰ শিল্পী, কলাকুশলী তথা প্ৰযোজক সকলক উৎসাহিত কৰাৰ কাৰণে এই অতি কমেও ১০০ দিন প্ৰতি বছৰত অসমীয়া চিনেমা চলোৱা ব্যৱস্থাটো পুনৰ প্ৰবৰ্ত্তন কৰিব লাগে। তাৰোপৰি প্ৰযোজক সকলক সময়মতে আমোদকৰ বিলাক মোকোৱাই দিলে অসমৰ চলচিত্ৰ জগতৰ সুবিধা হ'ব। এইখিনিকে কৈ মই সামৰণি মাৰিলো।

* শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত : অধ্যক্ষ মহোদয়, শইকীয়া ডাঙৰীয়াক মই আৰু দুটা মান কথা ইয়াৰ লগতে কৈ থওঁ যে সাংস্কৃতিক সঞ্চালকালয়ে অসম জনজাতি গবেষণা প্ৰতিষ্ঠানৰ কিছুমান তথ্যচিত্ৰ প্ৰস্তুত কৰিছে। এই তথ্যচিত্ৰ বিলাকৰ জৰিয়তে অসমৰ জনজাতি জীৱনৰ নানা কলা সংস্কৃতি প্ৰচাৰত যথেষ্ট বৰঙণি যোগাব পৰা যায়। আমাৰ সাংস্কৃতিক সঞ্চালকালয়ে এই তথ্যচিত্ৰ বিলাক বনাওঁতে বহুত বায় বহুল কৰে। এনে তথ্যচিত্ৰ অসমৰ উপৰিও ভাৰতৰ বিভিন্ন ৰাজ্যত বনাই থাকে। কোনো ক্ষেত্ৰত এই তথ্যচিত্ৰ বনাওতে এক ডেৰ লাখ টকাওঁ খৰছ কৰে। এই বিলাক বনাওতে মিতব্যয়তাৰে প্ৰকৃত তথ্য-পাতি সম্বলিত কৰি বনোৱাৰ ব্যৱস্থা কৰিব লাগে যাতে জনসাধাৰণৰ উপকাৰ হয়। তাৰোপৰি চলচিত্ৰৰ ১০০ বছৰ হোৱা উপলক্ষে যি কাৰ্য্যসূচী লোৱা হৈছে, সেই কাৰ্য্যসূচী যাতে অধিক ব্যয়বহুল নকৰি

* Speech not Corrected

ৰাজ্যখনৰ বৰ্ত্তমান বিত্তীয় পৰিস্থিতিৰ লগত খাপ খোৱাকৈ কৰে তাৰ বাবে চকু দিবলৈমুখ্যমন্ত্রী মহোদয়ক অনুৰোধ জনালো ।

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয় চতুৰ্দ্দশ বছৰ অষ্টম সংখ্যা "প্রান্তিক"ৰ সম্পাদকীয় সন্দর্ভত মই জনাব খোজো যে অসম জন জাতি আৰু অনুসূচীত জাতি গৱেষণা প্রতিষ্ঠান সঞ্চালকালয়ৰ উদ্যোগত তেওঁলোকৰ নিজা প্রেক্ষাগৃহত যোৱা ১৪, ১৫ আৰু ১৬ মার্চ '৯৫ তাৰিখে সঞ্চালকালয়ৰ দ্বাৰা নিৰ্মিত তথ্য চিত্রসমূহৰ প্রদর্শনৰ ব্যৱস্থা কৰা হয় । ১৪ মার্চ '৯৫ তাৰিখে উদ্বোধনী অনুষ্ঠানত পৌৰহিত্য কৰে WPT & BC বিভাগৰ মন্ত্রী শ্রীগোমেশ্বৰ পেগু ডাঙৰীয়াই । তথ্যচিত্র প্রদর্শন অনুষ্ঠান আনুষ্ঠানিক ভাবে মুকলি কৰে মুখ্য মন্ত্রীৰ উপদেষ্টা শ্রীযতীন হাজৰিকা দেৱে । উদ্বোধনী অনুষ্ঠানত আন আন বিশিষ্ট অতিথি সকলৰ লগতে বিশিষ্ট বুদ্ধিজীবি ড০ অমলেন্দু গুহই ভাষণ দিয়ে আৰু তথ্য চিত্রৰ এই ধৰণৰ প্রদর্শনৰ প্রয়োজনীয়তাৰ কথা বিবৰি কয় । উক্ত তিনিদিনীয়া প্রদর্শনীত সৰ্বমুঠ ৭ (সাত) খন আটক ধুনীয়া বিভিন্ন জনগোষ্ঠিৰ জীৱনধাৰা সম্পৰ্কীয় তথ্যচিত্র প্রদর্শন কৰা হয় ।

আনহাতে সাংস্কৃতিক সঞ্চালকালয় চৰকাৰৰ সংযোজন সাপেক্ষে ১৯৮৬ চনৰ পৰা অসমৰ কলা সংস্কৃতিৰ ওপৰত মাজে সময়ে তথ্যচিত্র নির্মাণ কৰি আহিছে । এইদৰে নির্মাণ কৰা কিছু সংখ্যক তথ্যচিত্রই ৰাষ্ট্রীয় বঁটাও লাভ কৰিছে আৰু অসমৰ শিল্প সংস্কৃতিৰ বিকাশৰ ই বিশেষ বৰঙণি আগবঢ়াইছে । সাংস্কৃতিৰ সঞ্চালকালয়ৰ দ্বাৰা নির্মিত তথ্যচিত্র সমূহৰ মুকলি প্রদর্শনী নিমন্ত্রিত দর্শক আৰু সাংবাদিকৰ আগত ১৯৯১ চনত জ্যোতি চিত্রবনৰ প্রাংগণত

---

* Speech not Corrected

আয়োজন কৰা হৈছিল আৰু "WHERE THE WIND BLOWS FREE" নামৰ ৰাষ্ট্ৰীয় বঁটা পোৱা তথ্য চিত্ৰখনো উক্ত অনুষ্ঠানত প্ৰদৰ্শিত হৈছিল।

উল্লেখযোগ্য যে অসমৰ চিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত কোনো নীতি নিয়মাৱলী আগতে নাছিল যদিও ১৯৯১ চনত অসম ৰাজ্যিক চলচিত্ৰ নীতি আৰু ১৯৯৪ চনত ইয়াৰ নিয়মাৱলী প্ৰকাশ হৈছে আৰু অসমীয়া চলচিত্ৰৰ প্ৰদৰ্শনৰ প্ৰয়োজনীয় দফা এই নীতি আৰু নিয়মাৱলীত সন্নিবিষ্ট আছে।

এই নীতি আৰু নিয়মাৱলীত তথ্য চিত্ৰ নিৰ্মাণৰ বাবেও যাৱতীয় দফা সংযোজন কৰা হৈছে আৰু চৰকাৰী ভাবে নিৰ্মিত তথ্যচিত্ৰ প্ৰস্তুত আৰু প্ৰদৰ্শনৰ ব্যৱস্থা বিস্তৃত ভাৱে ৰখা হৈছে। এই নীতি আৰু নিয়মাৱলী ইতিমধ্যে কাৰ্যকৰী কৰি থকা হৈছে। এই পৰিপ্ৰেক্ষিতত আশাকৰা হৈছে যে চৰকাৰী ভাৱে নিৰ্মিত তথ্য চিত্ৰসমূহ অসমৰ শিল্পী প্ৰেমী দৰ্শকৰ সন্মুখতো প্ৰদৰ্শন কৰিব পৰা যাব।

এই বিষয়ত অধিক বিতং তথ্য প্ৰয়োজন সাপেক্ষে মাননীয় সদনৰ জ্ঞাতাৰ্থে পিছত দাখিল কৰিব পৰা যাব।

আমাৰ পাটোৱাৰী ডাঙৰীয়াই জ্যোতি চিত্ৰবন আৰু সংস্কৃতিক সঞ্চালকালয়ত হোৱা খেলিমেলি সম্পৰ্কে যিটো কথা কৈছে, তাৰ ওপৰত ইতিমধ্যে ব্যবস্থা লোৱা হৈছে। সাংস্কৃতিক সঞ্চালকালয়ত আগৰ সঞ্চালক জনক চাচপেনচনত ৰখা হৈছে। তেওঁৰ দিনত বহুখিনি মিচইউজ হোৱা বাবে আমি বহুত শিল্পীক টকা দিব নোৱাৰিলো? কেন্দ্ৰীয় চৰকাৰৰ পৰা অহা কিছু অনুদানো বন্ধ হৈ আছে। এই বছৰ এই শিতানত এক কোটি টকা দিয়া হৈছে আৰু কেন্দ্ৰৰ পৰাও পাঁচকোটি মান টকা পোৱাৰ কথা আছে। সেইখিনি পালে জ্যোতি চিত্ৰবনটো উন্নয়নৰ বাবে খৰচ কৰা হ'ব আৰু সাংস্কৃতিক সঞ্চালকা-

লয়ৰ খেলি মেলি আতৰ কৰাৰ ব্যৱস্থা লোৱা হ'ব। আমাৰ মহন্ত ভাঙৰীয়াই যিটো পৰামৰ্শ দিছে, সেইমতে কিমান খৰছ কমাব পাৰি মই চকু ৰাখিম।

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী : ৬০ বছৰীয়া ছবি জগতৰ এই জ্যোতি চিত্ৰ বনৰ কৰ্ম্মচাৰী সকলে ৯ মাহে দৰমহাৰ কাৰণে হাহাকাৰ কৰি আছে। কৰ্ম্মী সন্থাৰ সভাপতি আৰু সম্পাদকক বৰ্খাস্ত কৰিছে। তেওঁলোকৰ চাকৰি চৰকাৰী কৰণ আৰু দৰমহা দিয়াৰ ক্ষেত্ৰত কি ব্যৱস্থা লৈছে ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : তেওঁলোকৰ যিটো ধন সংগ্ৰহ হয় তাৰ পৰা দৰমহা লয়। বন্ধ হোৱাৰ কাৰণে দৰমহা পোৱা নাই। চৰকাৰে বিষয়টোত গুৰুত্ব দি আছে। তেওঁলোকৰ চাকৰি চৰকাৰী কৰণ কৰাৰ বিষয়ে চৰকাৰে চিন্তা কৰা নাই।

Mr. Speaker : Now I request Shri Binod Gowala to raise his Zero Hour regarding আজিৰ বাতৰি কাকতত প্ৰকাশিত বাতৰি সীমান্ত অঞ্চলত স্কুলসমূহ চৰকাৰীকৰণ কৰাত নাগালেণ্ডৰ চৰকাৰৰ প্ৰস্তাৱ।

* শ্ৰী বিনোদ গোৱালা : অধ্যক্ষ মহোদয়, শুণাকালৰ সময় চোৱাত এটা গুৰুত্বপূৰ্ণ বিষয় আজিৰ বাতৰিত প্ৰকাশিত সীমান্তত অসমৰ স্কুলসমূহ চৰকাৰীকৰণত নাগালেণ্ড চৰকাৰৰ প্ৰস্তাৱ এই বিষয়ত আপোনাৰ যোগেদি শিক্ষা মন্ত্ৰী আৰু মাননীয় মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। অসমৰ মাটিত নাগালেণ্ড চৰকাৰে বিভিন্ন সময়ত উন্নয়ণ মূলক কামৰ লগে লগে চৰকাৰী কাৰ্য্যালয় বহুৱাইছে। শেহতীয়া

* Speech not Corrected

ভাৰে অসম—নাগালেণ্ড সীমান্তৰ গোলাঘাট জিলাৰ এ, বি, চি চেক্টৰৰ মেৰাপানী, চুঙাজান, ৰেংমা আদি অঞ্চলত ১৯৭৮ চনৰ পৰা প্ৰাথমিক মধ্য ইংৰাজী, উচ্চ ইংৰাজী বিদ্যালয় স্থাপন কৰি বিদ্যালয় সমূহ চলাই আছে। যোৱা কেইটা বছৰত স্কুল সমূহ প্ৰাদেশীকৰণ নোহোৱাত ইতিমধ্যে ১১ তাৰিখে শিক্ষা মন্ত্ৰীয়ে মোৰ এটা মৌখিক প্ৰশ্নৰ উত্তৰত এটা উত্তৰ দিছিল যে চৰকাৰে নীতি লৈছে। সীমান্তৱৰ্তী অঞ্চলৰ আৰু প্ৰাক্তন চাহ জনজাতি অধ্যুষিত অঞ্চলৰ স্কুল সমূহ প্ৰাদেশীকৰণত গুৰুত্ব দিছে। তাৰ কাৰণে ধন্যবাদ জনাইছো নীতি-টোক। ১৯৯৩-৯৭ চনত স্কুলসমূহ প্ৰাদেশীকৰণৰ ক্ষেত্ৰত বিশেষকৈ নাজিৰা সমষ্টিৰ সীমান্তৰ স্কুল লোৱাৰ কাৰণে বেয়া পোৱা নাই। গোলাঘাট জিলাৰ সীমান্তত দুইশ প্ৰাথমিক বিদ্যালয় আছে। যিহেতু প্ৰাদেশীকৰণ হোৱা নাই, সেই কাৰণে নাগালেণ্ড চৰকাৰে অসমৰ মাটি কেনেকৈ তেওঁলোকৰ অধীনলৈ আনিব পৰা যায় তাৰ কাৰণে নাগালেণ্ড চৰকাৰৰ বিষয়া সকলে আমাৰ অঞ্চল সমূহৰ গাৰেঁ গাৰেঁ গৈ উন্নয়ণমূলক কামৰ বুজ লয়। অসমৰ সীমান্তত থকা নগা গাওঁ সমূহত নাগালেণ্ডৰ মন্ত্ৰী, বিধায়ক আহে আৰু বিভিন্ন গাওঁ সমূহত বৈদ্যুতিকৰণ, ৰাস্তা-ঘাট, খোৱা পানী আদি কৰি বিভিন্ন উন্নয়ণ মূলক কাম-কাজ কৰাৰ লগতে স্কুলসমূহ নাগালেণ্ড চৰকাৰে প্ৰাদেশী কৰণ কৰিছে। অসমীয়া মাধ্যমৰ যিখিনি বিদ্যালয় চলি আছে সেই ক্ষেত্ৰত নাগালেণ্ড চৰকাৰে উঁচটনি দিছে যে নাগালেণ্ড চৰকাৰক যদি সমথন জনায় তেন্তে সেই বিদ্যালয় সমূহ প্ৰাদেশীকৰণ কৰি দিব। আমাৰ স্থানীয় বিধায়ক সকল বিভিন্ন গাওঁলৈ যাওতে ৰাইজে কয় এই স্কুল সমূহ অসম চৰকাৰে যদি নকৰে তেন্তে নাগালেণ্ড চৰকাৰে কৰিব বিচাৰিছে। তেওঁলোক এতিয়ালৈকে যোৱা নাই। সেই অঞ্চলত অসম চৰকাৰে বিভিন্ন সময়ত উন্নয়ণ মূলক কাম হাতত লৈছে। গণ

পৰিষদ চৰকাৰৰ দিনত এ বি, চি চেষ্টৰত প্ৰায় ৩০৭৪০ খন প্ৰাথমিক বিদ্যালয় পকীকৰণ কৰাৰ ব্যৱস্থা কৰা হৈছিল। সীমান্ত বিভাগ বা শিক্ষা বিভাগৰ যোগেদি যদি সেই স্কুলসমূহ প্ৰাদেশীকৰণ কৰা হয় তেন্তে ভৱিষ্যতে অসম নাগালেণ্ড সীমান্তত যি জৱীপ চলিব তাত আমি প্ৰতিপন্ন কৰিব পাৰিম আৰু অসমৰ মাটি বুলি দাবী কৰিব পাৰিম। আমাৰ সীমান্ত অঞ্চল খোৱা পানী, বৈদ্যুতিকৰণ আদিত পিচপৰি আছে। অথচ নাগালেণ্ড চৰকাৰে সেই বিলাক কৰিছে। গোলাঘাট জিলাৰ ২শখন প্ৰাথমিক বিদ্যালয় তথা অন্যান্য স্কুল সমূহ প্ৰাদেশী কৰণ কৰাৰ ক্ষেত্ৰত সুস্পষ্ট উত্তৰ পাম বুলি আশা ৰাখিছো। যোৱা ১৯৯১ চনৰ ১০ মাৰ্চত বিধান সভাৰ বিধায়ক আৰু ৰাইজিপি বৰ্ডাৰে সীমান্ত অঞ্চল পৰিদৰ্শন কৰি প্ৰতিবেদন দিয়া কথা কৈছিল আৰু ১৪ দফীয়া প্ৰতিবেদন মুখ্যমন্ত্ৰীৰ ওচৰত দাখিল কৰিছিলো। সেই সম্পৰ্কত কি কাৰ্য্য ব্যৱস্থা লৈছে জানিব বিচাৰিছো।

* শ্ৰী গৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় মাননীয় সদস্য শ্ৰী বিনোদ গোৱালাই উত্থাপন কৰা আজিৰ বাতৰি কাকতত প্ৰকাশিত বাতৰি সীমান্ত অঞ্চলৰ স্কুল সমূহ প্ৰাদেশীকৰণ কৰাত নাগালেণ্ড চৰকাৰৰ প্ৰস্তাৱ শীৰ্ষক বাতৰিৰ প্ৰতি চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। সীমান্ত অঞ্চলৰ স্কুলসমূহ, চাহ জনজাতি এলেকাৰ স্কুল সমূহ প্ৰাদেশীকৰণৰ ক্ষেত্ৰত চৰকাৰে অগ্ৰাধিকাৰ দিছে। ইতিমধ্যে ১৯৯০ ৯১ চনৰ যিমান বিলাক মধ্য ইংৰাজী স্কুল আছিল চৰকাৰীকৰণ কৰা হৈছে। চাহ জনজাতি বসতিপূৰ্ণ অঞ্চলৰ আৰু সীমান্ত অঞ্চলৰ স্কুল সমূহ প্ৰাদেশীকৰণত অগ্ৰাধিকাৰ দিয়া হৈছে। ১৯৯১ চনৰ স্বীকৃতিপ্ৰাপ্ত মধ্য ইংৰাজী বিদ্যালয় সমূহ চৰকাৰীকৰণ কৰিছে।

---

* Sp ch not Corrected

প্রাথমিক বিদ্যালয়ৰ ক্ষেত্রত ১৯৯০-৯১ চনৰ প্রাথমিক বিদ্যালয় প্রাদেশীকৰণ কৰা হৈছে। বিধায়ক সকলে জ্যেষ্ঠতা আৰু প্রয়োজন ভিত্তিত যি স্কুল সমূহৰ তালিকা দাখিল কৰিছে তাক প্রাদেশীকৰণ কৰা হৈছে। উক্ত ভিত্তিত বিদ্যালয় সমূহ প্রাদেশীকৰণ কৰিবলৈ লোৱা হৈছে। জ্যেষ্ঠতা আৰু প্রয়োজন ভিত্তিত বৰ্ডাৰৰ স্কুল সমূহত অগ্রাধিকাৰ দিয়া আছে। মধ্য ইংৰাজী বিদ্যালয় সমূহৰ ক্ষেত্রত বিত্তৰ অভাৱত প্রাদেশীকৰণৰ প্রস্তাৱ লোৱা নাই। ১৯৯০-৯১ চনৰ উচ্চ ইংৰাজী স্কুল সমূহৰ প্রস্তাৱ লৈছো আৰু প্রাদেশীকৰণৰ কাম চলি আছে। বৰ্ডৰ এলেকাৰ উচ্চ ইংৰাজী বিদ্যালয় ১৯৯০-৯১ চনৰ সকলো বিলাক প্রাদেশীকৰণ কৰা হব। বৰ্ডাৰ বিভাগত সোধা হৈছিল। তেওঁলোকক প্রাদেশীকৰণৰ প্রস্তাৱ নাই। পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হব।

• শ্রী বিনোদ গোৱালা : নীতিটোক ধন্যবাদ জনাইছো। অসম নাগালেণ্ড সীমান্তৰ বিদ্যালয় সমূহ প্রাদেশীকৰণৰ ক্ষেত্রত বিশেষ ভাৱে ব্যৱস্থা লব নেকি জানিব বিচাৰিছো।

• শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : বৰ্ডাৰত অগ্রাধিকাৰ দিয়া আছে। নিশ্চয় চাম।

Mr. Speaker : Now I request the Hon'ble member Moulana Abdul Jalil Ragibi to raise his Zero Hour matter relating to a news item published his 'Sovnoy prabaha' dt. 24-3-95 under the Caption 'AGUN' (আগুন)"।

• Speech not Corrected

মৌলানা আব্দুল জেলিল ৰাগিবি : মাননীয় অধ্যক্ষ মহোদয়, ১১ মার্চ তাৰিখে ৰাতি মোৰ যমুনামুখ সমষ্টিৰ অন্তৰগত দেৰস্থান বজাৰত এটি অগ্নি-কান্দ হৈ যায়। সেই জুই কি ধৰণে ৰাতি লাগিলে নাজানো। ইযাৰ ফলত গোটেই বজাৰখন প্ৰায় ভস্মীভূত হৈ যায় লগতে বিভিন্ন ধৰণৰ ব্যবসায়ীসকলৰ ভালেমান লোকচান ভৰিব লগা হৈছে আৰু বহুত ক্ষতি সাধন হৈছে। গতিকে এই বিষয়টো সদনত উৎথাপন কৰি মই দৃষ্টি আকৰ্ষন কৰিব বিচাৰিছো। এই ক্ষেত্ৰত আমি দেখিবলৈ পাইছো আমাৰ হোজাই চাব-ডিভিজন হোজাইত 'ফায়াৰবিগ্ৰেড' আছে। হোজাইৰ পৰা এই অগ্নিকাণ্ড হোৱা ঠাইলৈ ৩০/৩৫ কি: মি: দূৰ। ফায়াৰবিগ্ৰেড আহি সহায় কৰিবলৈ বিচাৰিলেও সহায় কৰিব নোৱাৰে। গতিকে মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে এই আকস্মিক দূৰ্ঘটনাত যি সকল লোক ক্ষতিগ্ৰস্ত হল তেওঁলোকক সাহায্য দিব লাগে যেনেকৈ অন্যান্য ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্রী মহোদয়ে আগভাগ লৈ দিছে। লগতে মাননীয় মুখ্যমন্ত্রী মহোদয়ে এটা ফায়াৰ বিগ্ৰেড ষ্টেশ্যন মোৰ সমষ্টি যমুনামুখত দিয়াৰ বাবে অনুৰোধ কৰি দৃষ্টি আকৰ্ষণ কৰিছো।

শ্রী মজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, ফায়াৰ বিগ্ৰেড ষ্টেশ্যন প্ৰতিটো থানাতে থাকিব লাগে বুলি মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, যোৱা ১১ মার্চ তাৰিখে হোজাই মহকুমাৰ মৰাজাৰ আৰক্ষী থানাৰ অন্তৰগত দেৰস্থান বজাৰত এটা অগ্নিকাণ্ড সংঘটিত হয়। অনুসন্ধান কৰি দেখা যায় যে, এখন দোকানৰ বিজুলী সংযোগ 'চট চাৰ্কিত' হৈ অগ্নি-কাণ্ড হৈছিল। ইয়াৰ ফলত ২৫খন দোকান ভস্মীভূত হয়। নগাওঁ আৰু হোজাই দুয়ো ঠাইৰ পৰাই অগ্নি নিৰ্বাপক বাহন লগে লগেই

দেৱস্থান বজাৱলৈ যায়।

মহকুমা প্রশাসনে এইঅগ্নিকাণ্ডৰ ফলত হোৱা ক্ষৰ ক্ষতিৰ মুঠ পৰিমান ১৮ লাখ ৭০ হেজাৰ হব বুলি জলাইছে। ক্ষতিগ্রস্ত সকলক ৩০০ টকাকৈ তৎকালীন সাহায্য বিনাকান্দি আঞ্চলিক পঞ্চায়তে আগ বঢ়াইছে। ক্ষতিপুৰণ সম্পর্কীয় প্রস্তাব বিবেচনাধীন হৈ আছে। এই অগ্নিকাণ্ডৰ ফলত কোনো লোক হতা-হত হোৱা নাই।

মাননীয় সদস্য গৰাকীয়ে কৈছে যেতিয়া মই তালৈ যাম।

• শ্রীজয় নাথ শর্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, এই সদনৰ এজন মাননীয় মন্ত্রী হত্যা কাণ্ডৰ লগত জড়িত। আমি এই হত্যাকাৰীৰ লগত বহি থাকিম নেকি ?

মাননীয় অধ্যক্ষ : এইটো 'ডিবেটৰ' সময়ত আলোচনা কৰিব।

(সদনত হুলস্থুল—মাননীয় বিৰোধী পক্ষৰ সদস্যসকল নিজৰ আসন এৰি অধ্যক্ষৰ ওচৰলৈ যায়—সদনত হুলস্থুল চলি থাকে।

• শ্রীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ ফালৰ পৰা 'মেচেজ' গৈছে। সেই হত্যাকাৰী জনক ভাল ৰাৰহাৰ কৰিব লাগে।

মাননীয় অধ্যক্ষ : এখন কোনোৰাই চিঠি দিলে সেইটো মেচেজ নহয়।

• শ্রী জয় নাথ শর্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, যদি তেওঁ হত্যাকাৰী নহয় তেতিয়াহলে সেই বিষয়ে আলোচনা কৰিবলৈ কিয় নিদিয়ে।

(হুলস্থুল চলি থাকে)

মাননীয় অধ্যক্ষ : মই যিটো কৈছো আপোনালোকে নুশুনে। মোক সদনৰ কাম চলাই যাবলৈ সুবিধা দিয়ক। মোৰ কবলগীয়া একো নাই। মই এতিয়া সদনৰ কাম চলাই যাম।

• শ্রী প্রফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয় আজিৰ সদনত

• Speech not Corrected

MATTER UNDER RULE 301

আমাক এই বিষয়টোৰ ওপৰত আলোচনা কৰিবলৈ নিদিয়াৰ পৰিপেক্ষিতত আমি সদন ত্যাগ কৰিছো।

(অসম গণ পৰিষদৰ মাননীয় সদস্যসকলে সদন ত্যাগ কৰে)

Mr. Speaker : Now Hon'ble Member Moulana Abdul Jalil Ragibi to draw the attention of the Minister Tourism by raising the Matter Under Rule 301 relating to "Negligence of Tourism Department, Government of Assam to Akashi Ganga a famous Tourists Centre in Jamunamukh Constituency"

শ্ৰী মৌলানা আব্দুল জেলীল ৰাগিবি : মাননীয় অধ্যক্ষ মহোদয়, আকাশী গঙ্গা এখন পৰ্য্যটন স্থান। এই স্থানখন পৰ্য্যটনৰ উপৰিও ধৰ্ম্মীয় পবিত্রতা আছে। মোৰ সমষ্টিত এইটো এক মাত্র পৰ্য্যটন স্থান বুলি মাননীয় মন্ত্রীয়ে জানে আৰু যমুনামুখ সমষ্টিৰ তেখেত 'ইনচাজ'। সেয়ে মই তেখেতৰ দৃষ্টি গোচৰ কৰিবলৈ বিচাৰিছো আজিলৈকে এই ঠাইখনৰ উন্নতিৰ হকে তেখেতে একো ব্যৱস্থা লোৱা নাই। বিভিন্ন সময়ত এই ঠাইত মানুহে পিক-নিক খাবলৈ যায়, সেইবিলাক মানুহৰ কাৰণে সুবিধা দিব লাগে। ৰাইজৰ কৰিসুবিধাৰ বাবে তাত এটা বেষ্ট হাউচ স্থাপন কৰিব লাগে। সেই ঠাইত হোৱা সমাগমত যাতে ৰাইজৰ কোনো অসুবিধা নহয় তাৰ বাবে ব্যৱস্থা কৰিব লাগে। মাননীয় মন্ত্রী মহোদয়ে তাত এটা বেষ্ট হাউচ স্থাপন কৰি সামগ্রীক উন্নয়নৰ কাৰণে সোনকালে ব্যৱস্থা গ্রহণ কৰিব লাগে। মোৰ এই

দাবী কেইটা পুৰণ কৰিব বুলি যমুনামুখ সমষ্টিৰ দায়িত্বত থকা মাননীয় পৰ্যটন বিভাগৰ মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিলো।

Shri Mukut Sarma (Minister Tourism) :

Tourism Department, Govt. of Assam is awre of the fact that there exists a tourist attractive spot at Akashi Ganga which is situated 10 K M. away from Doboka in Nagaon district. Many ancient ruins are found there and also many stone inscriptions of Lord Shiva and Prabati. It is known that many devotees visit the place for worship. Naturally some visitors visit the place for outing and pleasure. Tourism Department has not yet established any centre there. Hence, no statistics of visitors are available. Question of negliance by tourism department, Government of Assam does not arise as we have not yet taken up any tourism development activities there. For development of tourist facilities certain basic infrastructure like road, communication and transport network are necessary.

Tourism Department normally does not construct road. The department takes up activities like construtions of lodge, facilities for picnic spots, amenities for pilgrim tourists for attracting tourists in the places

where basic infrastructure facilities are available. So far, tourism department has provided tourist facilities in places having wild lives like Kaziranga, Manas and Orang, in important temples and shrines like Kamakhya, Hajo, Barpeta, Azanpir Dargah and Biswanath ghat and in archaecological centres like Sibsagar, Madan Kamdev, Tezpur etc. At present, we have got an establishment at Nagaon including a tourist Lodge. All assistance is provided to the tourists coming to visit different places of districts. The department is not aware of any accident taking place in and around Akashi Ganga. Tourism Department cannot be held responsible if any accident took place at any time in the vicinity of the area.

Now, tourism department, Govt. of Assam has decided to prepare a comprehensive master plan for development of tourism in the entire State. For this purpose a spot survey is being undertaken to select the important tourist spots including Akashi Ganga and naturally steps will be taken to develop Akashi Gauga as a tourist spots.

INTRODUCTION OF GOVT. BILL

Mr. Speaker : Now item No. 4, hon'ble Finance Minister.

Shri Jiba Kanta Gogoi (Minister Finance) : Mr. Speaker sir, I beg leave to introduce 'The Assam General Sales Tax (Amendment) Bill, 1995'.

(Leave is granted)

Mr. Speaker : There is a message from the Government of Assam.

Raj Bhavan
Guwahati
March 14, 1995.

ORDER

"Under the provision of Article 207 (1) of the Constitution of India, I Loknath Misra, Governor of Assam recommend the introduction in the Assam Legislative Assembly of the Assam General Sales Tax (Amendment) Bill, 1995.

Sd/ Loknath Misra
Governor of Assam

Shri Jiba Kanta Gogoi (Minister Finance) :

Ms. Speaker sir, I beg to introduce 'The Assam General Sales Tax (Amendment) Bili, 1995'.

(Secretary ALA read out the titlc of Bill)

Mr. Speaker : Now item No. 5, Hon'ble Minister of

State WPT&BC.

Shri Gomeswar Pegu (Minister of State, WPT&BC) . Mr. Speaker sir, I beg leave to introduce 'The Rabha Hasong Autonomous Council Bill, 1995'

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the Bill ?

(After a pause)

Leave is grated.

There is a message from the Governor of Assam

Raj Bhavan

Guwahati, March 14, 1995.

ORDER

Under the provision of Article 207 (1) of the Constitution of India, I, Loknath Misra, Governor of Assam recommend the introduction of Rabha Hasong Autonomous Council Bill, 1995 in the Assam Legislative Assembly.

Sd/ Loknath Misra

Governor of Assam

Shri Gomeswar Pegu (Minister of State, WPT&BC) : Mr. Speaker sir, I beg to introduce 'The Rabha Hasong Autonomous Counci Bill, 1995'.

(Secretary ALA read out the title of the Bill)

GENERAL DISCUSSION ON THE BUDGET

Mr. Speaker : Now item No. 6 Hon'ble Member Shri Kali Ranjan Deb will speak on the Budget

শ্রীকালিরঞ্জন দেব : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৫-৯৬ ইং'র জন্য মাননীয় বিত্তমন্ত্রী মহোদয় বাজেটের উপর ভাষণ রাখতে গিয়ে যে সব কথার অবতায়না করেছেন সেই সম্বন্ধে আমি ২/১ টি কথা বলব।

প্রথমে কৃষির উপর আমি বলব। আমাদের রাজ্যের অর্থনীতি যে কৃষির উপর নির্ভর করে আছে সে কথা সকলেরই জানা। কিন্তু কৃষির ব্যাপারে এই বাজেটে কোনও গুরুত্ব দেওয়া হয়নি। বাজেটে জলসেচের কোনও ব্যবস্থা করা হয়নি। সুতরাং কেবল মাত্র বৃষ্টি ভাল হলে ফসল ভাল হবে। বৃষ্টি কম হলে ফসল ভাল হবে না। এরকম অবস্থা হলে রাজ্যে কৃষির উন্নতি সম্ভব নয়। এবং গ্রামের অর্থনীতিকে দৃঢ় ভিত্তির উপর দাঁড় করানো যাবে না। কৃষির জন্য এই বাজেটে ৮৩ কোটী ৭০ লক্ষ টাকা ধরা হয়েছে। কিন্তু এটা আমাদের প্রয়োজনের তুলনায় অপ্রতুল। আরও অধিক অর্থের ব্যবস্থা না করলে রাজ্যে কৃষির উন্নতি হবে না। তাছাড়া, কৃষকদেরে হাই ইল্ডিং ভেরাইটি সিড্‌স্‌ ফার্টিলাইজার ইত্যাদি সাবসিডাইজড্‌ রেট এ দিতে হবে। উন্নত ধরনের কৃষির ব্যবস্থা করতে হবে অথচ এটা করতে গেলে যে পরিমান অর্থের প্রয়োজন সেই তুলনায় বাজেট প্রভিশন অত্যন্ত কম। প্রকৃতপক্ষে এটা একটা ষ্টেরিওটাইপ এরেঞ্জমেন্ট করা হয়েছে। উন্নয়নের কোনও ব্যবস্থা এখানে নেই। অথচ ভারতবর্ষের অন্যান্য প্রদেশে যেমন—পাঞ্জাব, হরিয়ানা, উত্তর প্রদেশ এমন কি পশ্চিম বাংলায়ও উন্নত ধরনের কৃষি ব্যবস্থা প্রচলন করে বৎসরে

তিন বার ফসল তোলার ব্যবস্থা করা হয়েছে এবং ফুড্ প্রডাকশনে এসব ষ্টেট সারপ্লাস প্রডাকশন করতে সক্ষম হয়েছে। আর পাঞ্জাব এবং হরিয়ানা তো ভারতের এক তৃতীয়াংশ লোককে খাদ্য যোগান করতে সক্ষম হয়েছে। অথচ আমাদের কৃষিব্যবস্থা আমাদের অর্থনীতিকে প্রকৃতপক্ষে বিধ্বস্ত, দূর্বল করে দিয়েছে। সুতরাং এই কৃষি ব্যবস্থাকে উন্নত করার জন্য আরও বেশী অর্থ সংস্থানের জন্য সরকারকে অনুরোধ জানাচ্ছি। আর এর সঙ্গে প্রচুর পরিমানে জলসেচের ব্যবস্থা করা প্রয়োজন। আমার সমষ্টিতে হাজার হাজার বিঘা মাটীতে বুরোধানের উৎপাদন হয়েছিল। কিন্তু বৃষ্টি না হওয়ার ফলে এবং জলসেচের অভাবে সমস্ত ধানগুলি নষ্ট হয়ে যাচ্ছে। অথচ কৃষি বিভাগ থেকে এগুলি বাঁচাবার কোনও ব্যবস্থা নাই, কোনও উদ্যোগ নাই। এগ্রিকালচার এক্‌ষ্টেনশন অফিসার আছেন, ভিলেজ লেভেল কর্মচারী আছেন এরা শুধু বেতন নিয়ে যান। সুতরাং এই বিভাগে রেখে কি লাভ? যদি এদেরে প্রপারলি ইউটিলাইজ না করা হয় তাহলে এদেরে বেতন দিয়ে কৃষি কৃষকের কি লাভ হবে? ব্যাপারটা কেজুয়েলি না নিয়ে সিরিয়াসলি ভাবা উচিত। কেবল কর্মচারীদেরে বেতন দেওয়ার জন্য বাজেট প্রভিশন রেখে কোনও লাভ নাই। যদি বাজেটে উপযুক্ত যন্ত্রপাতি, সার, জলসেচ ইত্যাদির জন্য কোনও প্রভিশন না থাকে তাহলে কি হবে বাজেট পাশ করে আমার সমষ্টিতে? রাজ্যসরকারের যে ৪/৫ টি জলসেচের প্রকল্প ছিল তাও কার্য্যকরী হয়নি। এগুলো হাফডাম অবস্থায় টাকার অভাবে পড়ে আছে। এগুলোর অপচয় নয় কি? সরকারের যদি আন্তরিকতা থাকে তাহলে এগুলো সচল করার ব্যবস্থা করতে হবে। এর জন্য প্রয়োজন বিদ্যুতের চাহিদা-মতো যোগান ব্যবস্থা করা। কিন্তু আমরা দেখতে পাচ্ছি যে বিদ্যুতের অবস্থা দিন দিন অবনতির দিকে যাচ্ছে। আগে আমরা বরাক ভেলীতে প্রতিদিন অন্ততঃ ১৫/১৬ ঘণ্টা পাওয়ার সাপ্লাই পেতাম।

গতবার এই বিদ্যুতের জন্য ১৯১ কোটী টাকার প্রভিশন রাখা হয়েছিল। কিন্তু পাওয়ারের অবনতি ছাড়া আর কিছুই হয়নি। এখন আমরা বরার ভেলীতে ৫।৬ ঘণ্টার বেশী দিনে বিদ্যুৎ পাই না। এই অবস্থা যদি চলতে থাকে তাহলে এই বিভাগের জন্য বাজেট প্রভিশন রেখে কি লাভ হবে? আর এ এস ই বি তো একটা টপ্ হেভী করপোরেশন। একগাদা অফিসার-কর্মচারী রয়েছে অথচ তাদের কোন কাজ নেই। অপর দিকে প্রচুর পরিমানে পাওয়ার'র পিলফারেজ হচ্ছে। এসবের জন্য টাকা মঞ্জুর করার কোনও কারন নেই। কারন এতে না হবে ইণ্ডাষ্ট্রিয়েল গ্রোথ, না হবে বেকার সমস্যার সমাধান। সরকারকে এইসব ব্যাপার সিন্-সিয়ারলি ভাবতে হবে। (Mr. Speaker Vacated the Chair and Mr. Deputy Speaker occupited it)

মহোদয়, ইণ্ডাষ্ট্রিয়েল গ্রোথ'র কথা বলতে গেলে প্রথমে ভিলেজ এণ্ড কটেজ ইণ্ডাষ্ট্রির কথা মনে আসে। আমাদের রাজ্যে এই কুটীর শিল্পের যথেষ্ট পটেনশিয়েলিটি আছে। এদিকে মনযোগ দিলে অনেক বেকার যুবক যুবতী কাজ পাবে। অথচ এই বাজেটে এর জন্য যা বরাদ্দ করা হয়েছে তা অত্যন্ত নগণ্য। এই বরাদ্দ আরও বাড়ানো যায় কি না অর্থমন্ত্রীকে ভেবে দেখতে অনুরোধ করব।

মহোদয়, শিক্ষা বিভাগের জন্য মোটামোটী ভাল অংকের অর্থের সংস্থান রাখা হয়েছে এই বাজেটে। তবে টাকাগুলো যাতে প্রপারলি ইউটিলাইজড্ হয় এটা দেখতে হবে। বিশেষ করে আমরা দেখতে পেয়েছি যে অনেকগুলি স্কুল রয়েছে প্রভিনশিয়েলাইজড্ যেগুলির বিল্ডিং নেই। ঝড় অথবা বন্যায় এদের ঘর পড়ে গিয়েছে। অথচ এগুলির কোনও সংস্কার করা হয় নি। কোন কোন স্কুলের ঘর আমরা ডি আর ডি এর টাকা দিয়ে মেরামত করিয়েছি।

মাননীয় বিরোধী দলের সদস্য বক্তরা মহোদয়ে বলেছেন যে বিশেষ করে অধিকাংশ প্রাথমিক স্কুলগুলির ঘর নেই, ডেস্ক বেঞ্চ নেই, মাষ্টার মশাই এর বসার যায়গা নেই। এই ভাবে স্কুল চলছে। বাজেট প্রভিশনের টাকা আসলে ঠিকমতো খরচ হয়না। ছেলেমেয়েরা বইপত্র পায় না। এভাবে চললে শিক্ষার উন্নতি কি করে হবে? আশাকরি সরকার এদিকে দৃষ্টি দিবেন।

আর একটা প্রজেক্ট ওয়ার্ল্ড ব্যাঙ্কের টাকায় চলে—সেটা হলো ডিষ্ট্রিক ট্রাবেল এডুকেশন প্রজেক্ট। স্থানীয় বিধায়করা জানেনইনা কোথা থেকে এই টাকা আসে আর কি ভাবেই বা এই টাকা খরচ হয়। আমাদের এই ব্যাপারে প্রকৃত পক্ষে অন্ধ রাখা হয়। ফলে এই টাকার প্রপার ইউটিলাইজেশন হয় না। এর সঙ্গে আরেকটা প্রকল্প আছে—মিড্ ডে মিল। ছাত্র-ছাত্রীদেরে পড়াশুনায় আকর্ষণ করার জন্য এই ব্যবস্থা করা হয়েছে। কিন্তু এই প্রকল্প কি বাস্তবে রূপায়িত হবে? কারন গত বৎসর সমাজকল্যান বিভাগের অন্তর্গত অঙ্গনবাদী সেন্টারে ছাত্র ছাত্রী ও নার্সিং মাদারের খাবারের জন্য যথেষ্ট টাকার ব্যবস্থা করা হয়েছিল অথচ গত ১০ মাস যাবৎ কোনও স্পেশিয়েল নিউট্রিশনের খাবার পরিবেশন করা হয় নি আমাদের কাছাড় জেলায়।

(ভয়েস্ : : কোথাও হয় নি)

তাহলে এইসব স্কীমের জন্য বাজেট প্রভিশন রেখে লাভ কি? গুলো কি মন্ত্রী মহোদয়ে তদন্ত করে দেখবেন? সেজন্য আমার সন্দেহ হচ্ছে এই স্পেশিয়েল নিউট্রিশন প্রগ্রামের মতোই এই মিড ডে মিল স্কীমের টাকা নয় ছয় হবে। এতে টাকা রেখে কোনো লাভ নেই। আমরা শুনতে পেয়েছি যে এই আই সি ডি এস স্কীমের জন্য ১ কোটী টাকার পেমেন্টও হয়ে গেছে। এটা যেন

তদন্ত করে দেখা হয়। মহোদয়, এইসব অঙ্গনবাদী সেন্টারে ভিজিট করলে তার ফার্নিচার দেখে আপনি রাগ সামলাতে পারবেন না। চেয়ার আর টেবিল'র যে সাইজ তাতে ৫'৬ বছরের শিশুও ভাল করে বসতে পারবে না। সুতরাং এইসব অপচয়ের জন্য টাকা বরাদ্দ করতে আমাদের ঘোর আপত্তি আছে।

মহোদয়, দু হাজার সালের মধ্যে সকলের স্বাস্থ্যের ব্যবস্থা এই স্লোগান মুখেই থাকবে মনে হচ্ছে। কারন সেগুলি এগজিষ্টিং পি এইচ সি আছে, গ্রামগঞ্জে এগুলিতে ঔষধ নাই, কটন নাই, বেণ্ডেজ নাই। রোগীরা যে বিছানায় থাকে তার তোষক ছেড়া, বেডশিট নাই বেডকভার নাই—একটা হরিবল্ অবস্থা। এক রোগী হয়াত বাইরে যবার সাধ্য নাই—বিছানায় মল-মূত্র ত্যাগ করলো সেই ছেড়া তোষকের উপর আবার সেখানেই আরেক নতুন রোগীকে থাকতে দেওয়া হচ্ছে। এক বীভৎস অবস্থা। রোগীরা ভাল হবে না হাসপাতাল থেকে নতুন রোগের বীজ নিয়ে যাবে তা ভগবানই জানেন। এসব আমি নিজে দেখেছি। তাছাড়া আমার সমষ্টির কিছু অংশ বাংলাদেশ বর্ডার সংলগ্ন। রোগীরা সেখান থেকে পি এইচ সিতে আসতে গেলে অন্ততঃ ১৫ কিঃ মিঃ আসতে হবে। তার চাইতে তারা কাছাকাছি বাংলাদেশে গিয়েই চিকিৎসা করিয়ে আসে। কারণ রাস্তাঘাটর অবস্থা অত্যন্ত শোচনীয় এবং যানবাহন প্রায় নেই-ই। ১৯৮৮ ইংতে এই অনুসূচীত জাতি অধ্যুষিত এলাকায় একটা পি এইচ সি সেংশন হয়েছিল কিন্তু আজও তার কাজ হয়নি। প্রাইমারী হেথ সেন্টার। মাননীয় মন্ত্রী মহোদয়ের অনেক আশ্বাস স্বত্বেও আজও কিছু হয় নি। সুতরাং দুহাজার সালের মধ্যে স্বাস্থ্য—এটা একটা স্লোগান মাত্র। শিলচর মেডিকেল কলেজে পর্যন্ত তুলনা নেই। বেণ্ডেজ নেই, ঔষধপত্র নেই। গরীব রোগীদের যদি এই বেয়ার

মিনিমাম জিনিষগুলি দিতে না পারেন তাহলে কেবল স্লোগান দিয়ে কি হবে ?

(সময়র সংকেত)

মহোদয়, পি এইচ ই বিভাগের মাননীয় মন্ত্রী মহোদয়কে বলতে চাই যে আমার সমষ্টিতে যে ক'টি প্রকল্প রয়েছে সেগুলি থেকে মাসে অন্ততঃ ১০/১১ দিন মানুষ কোনও জল পায় না। অকেজো থাকে। তাছাড়া এই বিভাগে ক্লোরিন নাই, ব্লিচিং পাওডার নাই, ফিটকিরি নাই। আর সবার উপরে হলো ফাণ্ড নাই—মানে কিছুই নাই। সুতরাং বাজেটে এই টাকা দিয়ে অফিসার পোষন করার কোনও মানে হয় না।

মহোদয়, সরকার ট্যাক্স এক্‌জেম্পশন্ দিয়েছেন—সিনেমার টিকিটের উপর, লাক্সারী আইটেমের উপর দুই থেকে সোয়াদুই পার্সেন্ট। এতে গরীব মানুষের কি লাভ হবে? সিঁদুর কুমকুম'এর উপর থেকে ট্যাক্স উঠানোর ব্যাপারে অনেকেই সরকার পক্ষকে এপ্রিশেয়েট করেছেন। (সময় সংকেত)

মহোদয় আমি পরামর্শদেব যাতে চালের যে কোর্স ভেরাইটি—এটাকে যেন এগজেম্পশন দেওয়া হয়। এতে গরীব লোকের উপকার হবে।

(ভয়েস : চালের উপর কোনো ট্যাক্স নেই)

না থাকলে ভাল কথা।

মাননীয় উপাধ্যক্ষ : আপনার সময় হয়ে গেছে। শেষ করুন।

শ্রী কালিরঞ্জন দেব : মহোদয় একটা কথা বলেই শেষ করব। সরকার যে মাইনরিটি ডেভেলপমেণ্ট কর্পোরেশন গঠন করেছেন এটা বদলে 'ইকনমিকেলী বেকওয়ার্ড কর্পোরেশন' গটন করলে প্রত্যেক শ্রেণীর

গৰীব লোক উপকৃত হবে। এটা যেন সৰকাৰ ভেবে দেখেন। এই বলে আমি আমাৰ বক্তব্য শেষ কৰলাম।

* শ্ৰী শশকমল সন্দিকৈ : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে ১৯৯৫-৯৬ চনৰ যিখন বাজেট আমাক দিলে শেষ মূহুৰ্ত্তত ইয়াৰ কিছু সাল-সলনি কৰিব লগীয়া হ'ল। কিছুমান সংখ্যা বা নতুনটেক্স লেডীৰ যি প্ৰস্তাৱ কৰা হ'ল, তাত আমাৰ সন্দেহৰ থল থাকি গল। আৰু ইতিমধ্যে চৰকাৰেই এইটো সন্দেহ কৰিছে, যে এই বাজেটৰ কথা আগতেই লিক-আউট হৈছে। ভালদৰে চাবলৈ গ'লে, দেখা যায় আৰু ধাৰণা হয় যে অসম চৰকাৰৰ সকলো বিলাক বিভাগৰ কোনোটোৰ লগত ক'ৰিলেচননা ই। মই এটা সাধাৰণ উদাহৰণ দিওঁ। এই পৱিত্ৰ সদনত এইবাৰ আমাৰ নিয়োগ মন্ত্ৰীয়ে ১২ লাখ ৮৬ হেজাৰ ৩শ ৩৮ জনক অন্যান্য বিভাগত নিয়োগ কৰা বুলি কয়। আৰু বিত্ত মন্ত্ৰীয়ে ১৯৯৩-৯৪ চনৰ ছেপ্তেম্বৰলৈকে ১৩ লাখ ৫৬ হেজাৰ নিয়োগ কৰাৰ কথা কৈছে আৰু উদ্যোগ মন্ত্ৰীয়ে হিচাব দিছে, চাৰে সাত লাখ আকৌ বিত্তমন্ত্ৰীয়ে এঠাইত কৈছে ৮ লাখ ১৩ হেজাৰ ইত্যাদি। কাৰো ক'তো মিল নাই। সম্পৰ্ক নাই। মাননীয় উদ্যোগ মন্ত্ৰীয়ে কৈছে যে অসমত, অসমৰ ঘৰোৱা উৎপাদনৰ বৃদ্ধিৰ হাৰ ৯.২ শতাংশ। তেখেতে এইটো দাবী কৰিছে। কিন্তু এইটো এটা আচৰিত দাবী। কৰাৰণ সমগ্ৰ ষাষ্ট্ৰ খনৰ এভাৰেজ উৎপাদনৰ হাৰ হ'ল ৩.২ শতাংশৰ পৰা ৩.২৫ শতাংশলৈকে। কিন্তু চাউথ কুৰীয়াত ৰাজ্যিক উৎপাদনৰ হাৰ হ'ল ৫ শতাংশ, জাৰ্মেনীত হ'ল ৪ শতাংশ, ইউ, কে,ত হ'ল ২.৮ শতাংশ। আমাৰ অসমত তেখেতে দাবী কৰিছে ৯.২ শতাংশ। কিন্তু আমি আজি জানিবলৈ পাইছোঁ, সমগ্ৰ পৃথিবীৰ

* Speech not Corrected

ভিতৰতে এখন মাত্ৰ দেশে দাবী কৰিব পাৰে, সেইখন হ'ল চাইনা দেশ। তাৰ ৰাজ্যিক উৎপাদন হ'ল ৯ শতাংশৰ পৰা ১১ শতাংশলৈ। এতিয়া দেখা যায়, এই বৃহত ৰাজ্যখনতকৈও যেন আমাৰ অসম আগবঢ়া। আমাৰ যোগান মন্ত্ৰীয়েও সিদিনা কৈছে মাননীয় সদস্য গিয়াচুদ্দিন আহমেদৰ এটা প্ৰশ্নৰ উত্তৰত – কেৰাচিনৰ সম্পৰ্কত। ৯ শ কোটিৰ পৰা ১২শ কোটি টকা লৈকে আৰু কৃষিৰ ক্ষেত্ৰত ৭শ কোটিৰ পৰা ১২শ কোটি টকালৈকে খাদ্য-সস্য অন্যান্য ৰাজাৰ পৰা আনিব লাগে। সিদিনা আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াইও কৈছে অসমৰ মানুহ অকামিলা বুলি। এই কাৰণেই কেইবাটাও পাব্লিকচেক্টৰ প্ৰায়ভেট চেক্টৰলৈ হস্তান্তৰিত কৰিবলগীয়া হৈছে। তেতিয়া হলে উৎপাদনত ক'ত হৈছে ? কৃষি উৎপাদন হোৱাই নাই। আজি আমি চাউল কিনিব লাগে, আটা কিনিব লাগে, গাখীৰ কিনিব লাগে, মাছ কিনিব লাগে, কণী কিনিব লাগে, কবী আদি বাহিৰৰ পৰা আনিব লাগে। গতিকে উৎপাদন হৈছে বুলি কেনেকৈ ক'ব ? তেতিয়া হলে অসম আমেৰিকাতকৈও আগবঢ়া নেকি ? আচলতে এইবোৰ মানুহক ভুৰা দিয়াহে হৈছে। প্ৰবঞ্চনা দিয়াহে হৈছে। আকৌ লেন্দ ৰিফৰ্মৰ ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হৈছে ? ৰেভিনিউ মিনিষ্টাৰে কৈছে ৰাজাৰ সকলো দুখীয়াজন সাধাৰণক মাটিৰ পট্টা দিয়া হৈছে। কিন্তু ২/৩ (দুই, তৃতীয়া অংশক) অংশ মানুহক মাটিৰ পট্টা দিয়া হোৱা নাই। আৰু প্ৰায় ৩২ লাখ হেক্টৰ মাটিত পানী যোগান ধৰাৰ কথা মন্ত্ৰী মহোদয়ে কৈছে। কিন্তু পানীযোগানৰ মেচিন বহুওৰাহে হৈছে, তাত কাৰেণ্ট নাই কাৰণে কাম কৰিব পৰা হোৱা নাই। গতিকে খেতিৰ পথাৰবোৰ খৰাং হৈ আছে। যোৱা বছৰো তাত পানী নাছিল। ফলস্বৰূপে উৎপাদন একেবাৰেই হোৱা নাছিল।

মাননীয় উপাধ্যক্ষ মহোদয়, যোগান মন্ত্রী ডাঙৰীয়াই তেখেতৰ ভাষণত কৈছে আৰু এইটো কথাও সত্য যে ১৬ লাখ মানুহক ২ টকীয়া চাউলৰ যোগান ধৰা হৈছে। যদি ঘৰুৱা উৎপাদন ৯২ শতাংশ বাঢ়িছেই, তেই ১৬ লাখ মানুহক কিয় ২ টকীয়া চাউল দিব লগীয়া হৈছে? অৱশ্যে এইটো ইলেকচনৰ আগতে কৰেই। ই এটা ইলেকচনৰ চান্স। উৎপাদন যদি বাঢ়িছে, চাবে ৩টকা লৈকে বঢ়াই দিব লাগে। অন্ততঃ ৫ টকালৈকে চাউলৰ দাম ৰাখিব পাৰে। উত্পাদনলৈ চাই মূলা ইমান বৃদ্ধি হৈছে কিয়? অসমত বৰ্ত্তমান ৮৮ শতাংশৰ পৰা ১০০ শতাংলৈকে মূল্য বাঢ়িছে। দুটকীয়া চাউলৰ যোগানৰ দ্বাৰা সমস্যা সমাধান কৰিব নোৱাৰে। গতিকে এই বাজেট খনই চেফ্ল কনটাডেক্টৰী। বৰ্ত্তমান চৰকাৰে ক্ষমতালৈ আহিয়েই ৰাজ সংগ্রহৰ কাৰণে ৩শ ১৬ কোটি টকা ধাৰ্য্য কৰিছিল। কিন্তু সংগ্রহ হ'ল মাত্র ৪৭ কোটি টকা। ইমান ৰাৰধান কেনেকৈ হ'ল? এইটো কি পৰিকল্পণা কৰিছিলে? মাটিৰ খাজনা এই কাৰণেই বঢ়াব লগা হ'ল নেকি? আমি ভাবো বেলেন্স চিট মিলাবৰ কাৰণেই এইটো কৰা হ'ল নেকি? বৰ্ত্তমান চৰকাৰে ক্ষমতালৈ অহাৰ পিছতেই এগ্রিকাল-চাৰেল ইনকামটেক্সৰ শিতানত ১৯৯০-৯১ চনত ৯০'২০ শতাংশ কোটি টকা, ৯১-৯২ চনত ১০৩ ৯৭ কোটি টকা, ৯২-৯৩ চনত ৪১ কোটি টকা আৰু বৰ্ত্তমান প্রস্তাৱ কৰিছে মাত্র ৩৫ কোটি টকা ইমান ৰাৰধান কেনেকৈ হ'ল? মাননীয় উপাধ্যক্ষ মহোদয় আমাৰ দুটা শিতানৰ পৰা ৰয়েলিটি আহে, এটা চাহ আৰু ক্রুদ অইল। এই ক্ষেত্রত ৰাহি ঠিকেই হৈছে।

উপাধ্যক্ষ মহোদয়, মই আৰু এটা বিষয়ৰ প্রতি দৃষ্টি আকর্ষণ কৰিব বিচাৰিছোঁ। যোৱা ২৫/১৬ তাৰিখে চেল টেক্সৰ ৫০ হেজাৰ চি, ফৰ্ম অন্তর্ধান হ'ল। এই বিলাক গ'ৰ্ণমেণ্ট প্রেছত নাচিকত চপা কৰা হব। আৰু টকাৰ নোট চপোৱাৰ দৰেই চিল মাৰি

থোৱা হয়। কিন্তু হঠাতে এই ৫০ হেজাৰ চি, ৰ্ম নোহোৱা হোৱাটো ৰৰ ডাঙৰ কথা হৈছে। ইয়াৰ বাবত খৰছ ৰৈছিল ২০ হেজাৰ টকা। কিন্তু এই হেকুৰা খিনিৰ বাবত দায়ী হ'ব কোন?

মাননীয় উপাধ্যক্ষ মহোদয় এইটো এলা-পেচা কথা নহব। আটাইতকৈ যিটো গোপন তথ্য চেল টেক্স কক্ষৰ পৰা চি ফৰ্ম নাইকিয়া হল। ইটো শিতানৰ লগত সিটো শিতানৰ মিল নাই। মই কেলকুলেট কৰি চাইছিলো কোনোটোৰ লগত কোনটো নিমিলে। যাৰ ফলত আমি ৰাজহ সংগ্রহত ৬০০ বা ৮০০ শ কোটি টকা নাপাম। চাউল, দাইল আদিৰ কাৰণে ৭০০ কোটি টকাৰ পৰা ১২০০ শ কোটি টকা দিয়া হৈছে। আমি টেক্স নিদিলে বাহিৰৰ পৰা মাছ নাপাও কণী নাপাওঁ। গতিকে এইখন এখন সংগতিহীন বাজেট। গোটেই ৰাজ্যখন ধাৰত ধৰুৱা হৈছে আৰু আগৰ ধাৰখিনি আছেই। তাৰ পিচতো কেনেকৈ প্লেন কৰিলে আমি সেইটোকে জানিব বিচাৰিছো। কিন্তু কিছুমান কাম ঠিক কৰিছে। চিনেমা টেক্স ৰেহাই দিয়া হৈছে। অসমীয়া চিনেমাক সহায় কৰিবৰ কাৰণে অসমীয়া চিনেমা অসম চৰকাৰৰ সিদ্ধান্তমতে যিবিলাক টেক্স বা লেষ্ট কৰে সেইবিলাক আকৌ প্রডিউচাৰক ঘুৰাই দিয়া হয়। কিন্তু অসমীয়া চিনেমাৰ যে লাভ হব এইটো অসত্য কথা। অসমীয়াৰ সলনি হিন্দী চিনেমাৰহে লাভ হব। লটাৰী বাজেটত ২ কোটিৰ পৰা ১৭ কোটি কৰিছে। এইটো ভাল কৰিছে। এইখিনিতে বাজেটত অসমৰ প্রকৃত একো চিত্র নাই। ষ্টেটিষ্টিকচ আৰু ডিৰেক্টৰৰ লগত কোনো সম্পর্ক নাই। আনুমানিক কিছুমান তথ্য আৰু ফিগাৰ কিছুমান দি থৈছে। টুটেলৰ নামত ১৮৫.৫১ কোটি টকা ঘাটি মাৰিব কেনেকৈ? কেইটামান সামগ্রীত টেক্স ৰেহাই দিছে এইটো সত্য। প্রসাধনৰ ক্ষেত্রত টেক্স ৰেহাই দিয়াত মহিলা সকলক উপলুঙা কৰা বুলি কৈছে। মঙ্গল সূত্র আমাৰ

অসমীয়া মানুহবিলাকে বাৰহাৰ নকৰে। এইটো কণা হাঁহক পতাই দিয়াৰ দৰে হৈছে। কিন্তু ব্যপাৰী সকলৰ লাভ হৈছে।

এইটো আপোনালোকৰ তথ্য। মোৰ তথ্য নহয়। আজি যদি তিনি চুকীয়াত টেক্স দিবলগীয়া হয় তেতিয়া অনুসন্ধানৰ কাৰণে গুৱাহাটীলৈ আহে। এগ্রিকালচাৰ ইনকাম বহুত কমালে আৰু যিখিনি ৰাজহ সংগ্রহ কৰাৰ কথা আছিল তাৰো শতকৰা ৫০ ভাগ চেল টেক্স কমি যাব। ইপিনে ২৮৫'৫২ কোটি টকা মাটিৰ কাৰণে বস্তুৰ মূল্য প্রচণ্ড ভাবে বৃদ্ধি পাব। ৰাজহৰ ৰিচিপ আৰু এক্সপেন-ডিচাৰ কোনটোৰ সম্পর্ক নাই। কেনেকৈ কিহৰ ওপৰত ভিত্তিকৰি এই বাজেটখন কৰিছে মই আচৰিত হৈছো। ইটোৰ লগত সিটো মিল নথকাৰ কাৰণে মই বিত্ত মন্ত্রী মহোদয়ক অনুৰোধ কৰিছো যাতে বাজেটখনৰ বিষয়ে পুনৰ আলোচনা কৰি চায়। বাজেটখনত বহুত কথাই অস্পষ্ট হৈ আছে। এইখন বিসঙ্গতিপূর্ণ বাজেট ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

* শ্রী জয়নাথ শর্ম্মা : মাননীয় উপাধ্যক্ষ মহোদয়, পইণ্ট অব অর্ডাৰ এই বাজেটখন যে প্লেচ কৰিছে, এই ষ্টেটমেন বিলাক শুদ্ধ নে অশুদ্ধ মই জানিব বিচাৰিছো।

Mr. Deputy Speaker: It is not a Point of Order. It will be replied by Finance Minister.

* শ্রী জয় নাথ শর্ম্মা : মাননীয় উপাধ্যক্ষ মহোদয়, আমি কাৰ্বেকচনৰ ওপৰতহে আলোচনা কৰিম। গতিকে কোনখন শুদ্ধ আপোনালোকে কৈ দিয়ক। ইয়াত হেড অব এবাউণ্টচ্ আছে। হেডঅব এবাউণ্টচ্

---

* Speech not Corrected

আলোচনা কৰাত কোনটো ফিগাৰ লৈ কৰিম মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে কৈ দিয়ক।

Mr. Deputy Speaker : Now Shri Anowar Hussain.

• শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা : মাননীয় উপাধ্যক্ষ মহোদয়, আচলতে ক্লিয়েৰ কৰি দিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, : এতিয়া বাজেট স্পীচৰ ওপৰত কওক।

• শ্ৰী জয়নাথ শৰ্ম্মা : মাননীয় উপাধ্যক্ষ মহোদয় আমাৰ বিত্ত মন্ত্ৰী আছে, বিত্ত বিভাগ আছে, ডাইৰেক্টৰ আছে, বিভাগত এক্সপাৰ্ট আছে। গতিকে কোনটো ষ্টেটচমেনৰ ওপৰত আলোচনা হব কৈ দিয়ক। যদি অশুদ্ধ হৈছে, শুদ্ধ কৰি সদনত প্লেচ কৰক। গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, শুদ্ধ কৰি দিলে আমাৰ আপত্তি নাথাকে। গ্ৰাণ্টৰ বিষয়ে আমি কৰ পৰা আলোচনা কৰিম ?
এইখনৰমতে হেড ওৱাইজ আলোচনা কৰিলে একো নহব।

মাননীয় উপাধ্যক্ষ : কৰবাত প্ৰিন্টিং মিচটেক হব পাৰে।

• শ্ৰী জয়নাথ শৰ্ম্মা : চাৰ সেইটো নহয়। এই খনৰ পৰা ফিগাৰ বিলাক ইয়াৰে ডিৰাইভ কৰিছে গতিকে মূলখন শুদ্ধ নকৰিলে আমি বাজেট আলোচনাত অংশ গ্ৰহণ কৰাত কোনখনৰ ফিগাৰ লৈ আলোচনা কৰিম। গতিকে এইখন উইড্ৰ কৰিব লাগে নহলে শুদ্ধ কৰি দিব লাগে।

মাননীয় উপাধ্যক্ষ : বাজেট আলোচনাত গোটেই কেইটা পইণ্ট কব।

---

* Speech not Corrected

* শ্রী নগেন শর্ম্মা : চাৰ, এইটো টেকনিকেল কথা। বিভাগীয় হেডত টকা ধৰা হৈছে আৰু সেইটো বাজেট বক্তৃতাত প্রতিফলিত হৈছে কিন্তু কথা হৈছে দুয়োটাৰ অমিল কেনেকৈ হ'ল ? আমি কোনখনৰ ফিগাৰৰ ওপৰত আলোচনা কৰিম।

মাননী উপাধ্যক্ষ : আলোচনা কালত এইটো কব। এইটো দিয়া হৈছে।

* শ্রী জয় নাথ শর্মা : এইটো সাংঘাটিক কথা। এইখন মূল বাজেট, ইয়াত বাজেট বক্তৃতাত যিটো আছে সেইটো শুদ্ধ বুলি মানিম নে এই হেড ওৱাইজ দিয়া কিতাপখনৰ অংক শুদ্ধ বুলি ধৰিম কব লাগে। আমি কোনখন মতে আলোচনা কৰিম। এখন উইড্র কৰি নতুনকৈ এখন দিয়ক শুদ্ধ কৰি।

মাননীয় উপাধ্যক্ষ : আপোনাৰ কবলগীয়া খিনি আপোনাৰ আলোচনা কালত কব।

* শ্রী আনোৱাৰ হুচেইন : মাননীয় উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্রী মহোদয়ে ১৯৯৫-৯৬ চনৰ যি বাজেট উত্থাপন কৰিছে তাৰ ওপৰত মই কব বিচাৰিছো।

* শ্রী নগেন শর্ম্মা : চাৰ, ১৯৬৭ চনৰ পৰা এনে কথা কেতিয়াও হোৱা নাই। যদি উলিয়াব পাৰে মই পদত্যাগ কৰিম। এতিয়ালৈকে এনে পৰম্পৰা নাই।

শ্রী আনোৱাৰ হুচেইন : বাজেট খন বিশ্লেষণ কৰাৰ পিছত মোৰ এইটো নিশ্চিত ধাৰণা হৈছে যে চৰকাৰে যি উদ্দেশ্য লৈ বাজ্যখনত শান্তি-

---

* Speech not Corrected

শৃংখলা আৰু উন্নয়নৰ দিশত জনসাধাৰণক সুযোগ সুবিধাৰ ব্যৱস্থা কৰিব লাগে সেই কথাবিলাক এই বাজেটত সন্নিবিষ্ট হৈছে। বিভিন্ন বাতৰি কাকতৰ যোগেদি দেখিছো এই বাজেটৰ ওপৰত মিশ্রিত প্রতিক্রিয়া প্রকাশ পাইছে। সদনত মাননীয় সদস্য সকলেও বাজেটৰ ওপৰত আলোচনা সমালোচনা কৰিছে। মই মাত্র কব বিচাৰিছো যে বিৰোধী দলৰ দুই এজন মাননীয় সদসাৰ বাহিৰে বাকী সকলে যি আলোচনা কৰিছে তাৰ বেছি ভাগেই তথ্যভিত্তিক নহয় যুক্তিভিত্তিকো নহয়। উপাধ্যক্ষ মহোদয়, আমাৰ বাজেট সমালোচনা কৰাৰ যিটো সাংবিধানিক অধিকাৰ তাৰ দ্বাৰা চৰকাৰ, মাননীয় সদন আৰু আসমৰ বাইজে আমাৰ পৰা বিচাৰে গঠনমূলক আলোচনা। উপকৃত হব পৰা এনেকুৱা কিছু যুক্তি পৰামর্শ এই সদনত ৰখা উচিত যাৰ দ্বাৰা সকলেৰে উপকৃত হব পাৰে। বিৰোধী দলৰ মাননীয় সদস্য সকলৰ দুই এজনৰ বাহিৰে বাকী সকলে কেৱল চালে-বেৰে কোবোৱা কথাহে ইয়াত অৱতাৰণা কৰিছে। অলপ আগতে বামপন্থী দলৰ মাননীৰ সদস্য শ্রী সন্দিকৈ ডাঙৰীয়াৰ ভাষণ মই শুনিলো কিন্তু মার্কসবাদী সদস্য এগৰাকীয়ে কোৱা কথাখিনিত বিশেষ একো নাপালো। কিন্তু মার্ক্সবাদৰ এই তথ্য হৈছে ইকন'মিকস্ ইজ দা কনডেনসড্ ষ্টেজ অব পলিটিক্স অর্থাত্ অর্থনীতি হ'ল কোনো ৰাজ্য বা দেশৰ ৰাজনৈতিক অৱস্থাত ঘনীভূত অৱস্থা। অসমৰ সাম্প্রতিক পৰিস্থিতিত ৰাজনৈতিক অৱস্থাত এই গোটেই খিনি কথা সামৰি লৈ বাজেটখন যি ভাবে উপস্থাপন কৰা হৈছে মই ভাবো তাতকৈ ভাল বাজেট উপস্থাপন কৰা সম্ভৱপৰ নহয়।

(ভইচ : চেষ্টা কৰিলে পাৰিলেহেতেন)

মই ভাবো ১৯৯৫-৯৬ চনৰ বাজেটত কেৱল আজিৰ নিয়মটোৰ কথা চিন্তা কৰা হোৱা নাই। ইয়াত ভবিষ্যতৰ ইঙ্গিত আছে আৰু

অতীতৰো কথা আছে। ১৯৭৮ চনৰ পৰা ১৯৯১ চনলৈ মুঠতে তেৰটা বছৰত সাতটা চৰকাৰ এই ৰাজ্যলৈ আহিছে। তাৰ মাজতে দুবছৰ দহ মাহ একদিন ৰাষ্ট্রপতি শাসনৰ অধীনত আছিল। গতিকে দেখা যায় ৰাষ্ট্রপতিৰ শাসনক বাদ দিলে মাত্র দহ বছৰৰ ভিতৰত সাতটা চৰকাৰ ৰাজ্যখনত আছিল। ইয়াৰ দ্বাৰাই ৰাজ্যখনৰ সামগ্রীক ৰাজনৈতিক অৱস্থা কি সেইটো সহজেই বুজিব পাৰি। আমি দেখিছো যে ১৯৭৯ চনৰ পৰা অসম আন্দোলন হৈছিল আৰু ছয় বছৰ ধৰি আন্দোলন চলিছিল। আন্দোলনৰ পিছত ১৯৮৫ চনত যিটো চৰকাৰ আহিল সেই সময়তে তদানীন্তন চৰকাৰে অসমৰ অর্থ-নৈতিক অৱস্থাৰ আটাইতকৈ ডাঙৰ ক্ষতি কৰি গৈছে। আৰু এই চৰকাৰৰ শাসন কালতে আলফাৰ দৌৰাম্য বাঢ়িল। আমাৰ ইয়াত সেই চৰকাৰৰ দিনতেই সমান্তৰাল ভাবে চৰকাৰৰ লগতে আলফাৰ দৌৰাম্য্য চলি থাকিল আৰছু আন্দোলনৰ ভয়াবহ অবস্থাৰ কথাও আমি জানো। আমি ইয়াত সমালোচনা কৰাৰ কাৰণে এই কথা কোৱা নাই। সেই সময়ৰ ঐতিহাসিক অৱস্থা আৰু ঐতিহাসিক ভাবে আমাৰ পৰিস্থিতিৰ কথা পর্য্যালোচনাহে কৰিছো মাত্র। বর্ত্তমান চৰকাৰে উত্তৰাধিকাৰ সূত্রে পূর্ব্বৱর্ত্তী চৰকাৰ বিলাকৰ পৰা শান্তি শৃংখলাৰ পৰিস্থিতি আইন শৃংখলাৰ এই পৰিস্থিতিৰ মুখামুখি হবলগীয়া হৈছে। অর্থ নৈতিক ভাবে ধাৰৰ পিচত ধাৰ হৈ বোজাত ৰাজ্যখনৰ অৱস্থা ধাৰত পোত যোৱা যেন হৈছিল। আৰু আজি পুনৰনির্ম্মাণ কৰাৰ কাৰণে সুস্থিৰ অৱস্থা অনাৰ কাৰণে প্রয়াস কৰিছে সেইটো প্রসংশনীয়। গতিকে মই ভাবো সমালোচনা কৰাৰ কাৰণে কেৱল সমালোচনা নকৰি সমালোচনাৰ পৰা উদ্দেশ্য একোটা ইয়াৰ লগত ৰখা উচিত। এনে পৰামর্শ ৰখা উচিত যাৰ দ্বাৰা ৰাজ্যখনৰ উপকাৰ হব পাৰে।

(ভইচঃ ভাল পৰামর্শ নললে কি কৰিম।)

অপুনি নিশ্চয় ভাল পৰামর্শ দিব পৰা নাই।

মাননীয় অধ্যক্ষ মহোদয়, গতিকে মই ভাবো যে বিধান সভাত মাননীয় সদস্য সকলে যি সমালোচনা আগবঢ়াইছে সেই সমালোচনা কেৱল সমালোচনাৰ বাবে কৰিব নালাগে। একোটা উদ্দেশ্য ৰাখি সুপৰামর্শ আগবঢ়াই সমালোচনা বিলাক কৰিব লাগে যাতে এই আলোচনাৰ দ্বাৰা ৰাইজ তথা চৰকাৰে বিভিন্ন দিশত উপকৃত হব পাৰে। এই বাজেটখনৰ ওপৰত আলোচনা কৰিবলৈ গৈ বেচিভাগ মাননীয় সদস্যই এটা কথা বাৰ বাৰ কৈছে যে বাজেটখন মাটি বাজেট হৈছে আৰু এগৰাকী মাননীয় সদস্যই কৈছে যে এতিয়া বাজেটখন যি ধৰণে ডেফিচিট হৈছে আৰু যি ডেফিচিট থাকি গ'ল, তেনে অৱস্থাত এই মাটি পৰিপূৰণ কৰিবলৈ যাওতে আহিবলগা বছৰবোৰত অধিক কৰ ধার্য্য কৰিব ফলত অসমৰ ৰাইজে কৰৰ বোজাত সৰিয়হৰ ফুল দেখিব। আচলতে এই কথাটো তথ্য – ভিত্তিক নহয়। বাজেট অভিভাষন খন উপস্থাপন কৰি মাননীয় वित्त মন্ত্রী ডাঙৰীয়াই এটা কথা স্পষ্ট ভাবে কৈছে যে এই বাজেটখন যদিও ২৮০ কোটি টকাৰ ঘাটি বাজেট দেখুৱা হৈছে কিন্তু সেই ঘাটি শেষলৈ কমি আহি আহি ঘাটি ১১১ কোটিলৈ নামি আহিব। বাজেটৰ ঘাটি যিনি যদি প্রকৃতার্থত পূৰণ নহয় তেতিয়াহলে অহা বিত্তিয় বছৰত নতুন কৰ নলগোৱাকৈ কেনেদৰে ঘাটি বাজেট পৰিপূৰণ কৰা হব তাৰ কথা উল্লেখ কৰিছে। তেখেতে উল্লেখ কৰা মতে তেলৰ যিটো ৰয়েলটি ১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ চনত প্রতিটনত ৫২৮ কোটি টকা তদর্থ হিচাবে ধার্য্য কৰা হৈছে সেইটোৰ চূড়ান্ত ৰূপ পোৱাৰ পাছত অতিৰিক্ত ভালেখিনি টকা আমি পাম। এই টকাখিনি পোৱাৰ পাচত নিশ্চয় আমাৰ ৰাজাংনৰ বিত্তিয় ঘাটি কিছুদূৰ লাঘব হব। তাৰোপৰি চৰকাৰে ঘোষনা কৰা মতে চৰকাৰী খৰচৰ পৰিমান বা ব্যয়সংকোচন কৰি সম্পদ আহৰণ আৰু ৰাজহ বৃদ্ধিৰ পথ উদ্ভাৱন কৰি যদি আয় বৃদ্ধি কৰা হয় তেতিয়াহলে বাজেটৰ ঘাটিৰ পৰিমান বহু পৰিমানে কমি আহিব

আৰু আমাৰ উদ্দেশ্য পৰিপূৰণ হব । ১৯৯৩/৯৪ আৰু ১৯৯৪।৯৫ চনত ক্ষুদ্ৰ সঞ্চয়ৰ ক্ষেত্ৰত সাধাৰণ ৰ ইজে যি প্ৰবিহনা যোগাইছে সেইটো যথেষ্ট প্ৰশংসনীয় হৈছে । মই ভাবো ক্ষুদ্ৰ সঞ্চয় বিভাগটোক ক্ষুদ্ৰ সঞ্চয়ত সক্ৰিয় হৈ কাম কৰিবলৈ দিয়া হয় তেতিয়াহলে ঘাটি বাজেটখন পৰিপূৰণ কৰাৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হব । কিন্তু এই বিভাগটোক বাস্তবিকতে যেনেদৰে মনোযোগ দিব লাগিছিল তেনেধৰণে দিয়া আমি দেখা নাই কিয়নো বৰ্ত্তমান এই বিভাগটোত মাত্ৰ এজন ডাই�ৰেক্টৰ আৰু দুজন সহায়ক আছে ইমান কম সংখ্যক ষ্টাফৰে কাম কৰাতো সম্ভৱপৰ নহয় । গতিকে মই অনুৰোধ কৰিছো এই বিভাগটো অধিক ফলপ্ৰসু কৰি তুলিবলৈ অধিক কাৰ্যাক্ষম কৰি তোলক আৰু প্ৰয়োজন অনুপাতে সৰহ সংখ্যকলোকক কাম কৰিবলৈ সুবিধা দিয়ক তেতিয়াহলে আমি ভাবো এই ঘাটি হ্ৰাস পাব বুলি মই নিশ্চিত । যিটো বিষয়ে বাজেটত উল্লেখ কৰা নাই । সেই বিষয়ে কেইটামান কথা কম । দশম वित्तिय आयोगে যিখিনি নতুন ব্যৱস্থাৰ কথা কৈছে তাৰ আৰু আমাৰ ফিচকেল ডেফিচিট পৰিপূৰণ কৰাৰ ক্ষেত্ৰত যিখিনি ব্যৱস্থা গ্ৰহণ কৰিছে সেই খিনি যদি কাৰ্য্যকৰি হয় তেতিয়াহলে আমাৰ ঘাটি বহু খিনি হ্ৰাস হব । অতিৰিক্ত কৰৰ সলনি কৰ্পোৰেট টেক্স আৰু আমদানী কৰ এই দুয়োটা কৰ এটা কৰাৰ ফলত যিখিনি সুবিধা হব তাৰ পৰা ৰাজ্য চৰকাৰ সমূহলৈ শতকৰা ২৯ শতাংশ বেনিফিট আহিব । দশম वित्तिय आयोगে দিয়া পৰামৰ্শ কেন্দ্ৰীয় वित्त মন্ত্ৰায়ে গ্ৰহণ কৰা নাই যদিও আশ্বাস দিছে যে এই ২৯ শতাংশ টকা দিবলৈ চেষ্টা কৰিব আৰু অতিৰিক্ত ৩ শতাংশ দিয়াৰ ব্যৱস্থা কৰিব । আমি ভাবো ইয়াৰ দ্বাৰা আমাৰ ফিচকেল ডেফিচিট খিনি পৰিপূৰণ হব । আন এটা উল্লেখনীয় দিশ হল দশম वित्तिय आयोगে আৰু এটা ভাল ব্যৱস্থা দিছে সেইটো হল ৱেইলওৱে ভাৰাৰ বাবত যিটো টেক্স ১৫০ কোটি টকা আছিল সেইটো এতিয়া

৩৮০ কোটি টকা কৰা হৈছে, গতিকে ইয়াৰ দ্বাৰা ৰাজ্যখনত আৰ্থিক দিশত যথেষ্ট সহায়ক হব। দশম বিত্তিয় আয়োগে আৰু এটা ব্যৱস্থা ৰাখিছে সেইটো প্ৰাকৃতিক দুৰ্যোগ বা নেশ্যনেল কেলামেটিৰ ক্ষেত্ৰত যিটো ৰিলিফৰ ব্যৱস্থা আছে তাত ২২.৫ কোটি টকা দিয়ে আৰু ৰাজ্য চৰকাৰে ৭.৫ কোটি টকা ভৰিব লাগে। সেই খিনিয়ো থিক থাক ৰখা হৈছে। এইবাৰ নতুনকৈ জাতিয় পুঞ্জীৰ ৭০০ কোটি টকাৰ ব্যৱস্থা ৰখা হৈছে সেইটো হলে তাৰ পৰাও আমাৰ বহু খিনি সহায় হব।

১৮৫ কোটি টকা আৰু ১২৩.০০ কোটি টকাৰ যিটো ডেফিচিট দেখুওৱা হৈছে সেইটো আমি পৰিপুৰণ কৰিব পাৰিম বুলি আশা কৰা হৈছে। বিৰোধী দলৰ মাননীয় সদস্য সকলে যিটো কথা কৈছে যে অহা বছৰ কৰৰ বোজা বহণ কৰিবলৈ যাওতে ৰাইজে সৰিয়হৰ ফুল দেখিব সেই কথাটোৰ কোনো যুক্তি নাই। পৰিকল্পনাৰ ক্ষেত্ৰত ৰাজ্যখনৰ উন্নয়নৰ কাৰণে যোৱাবাৰ ১৩৫০ কোটি টকাৰ ঠাইত এইবাৰ ১৪১৬ কোটি টকা ধৰা হৈছে সেই ফালৰ পৰা আমাৰ উন্নয়নত যথেষ্ট সহায়ক যে হব তাত কোনো সন্দেহ নাই। বাজেট বক্তিতাত বিত্তমন্ত্রী মহোদয়ে যিটো কৈছে সেইটো অতি সুন্দৰ আৰু আশাপ্রদ। অসমৰ কৰ আদায়ৰ কাৰণে যি ব্যৱস্থা হাতত লৈছে তাৰ দ্বাৰা সকলো উপকৃত হব বুলি আমি আশা ৰাখিছো। মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানে এই ৰাজ্য চৰকাৰৰ গ্রামোন্নয়নৰ বাবে যি শতকৰা ২০ টকাকৈ দিয়ে কেন্দ্রিয় চৰকাৰে তাৰ চাৰি গুন হিচাপ দিয়ে। আৰু যোৱা বাৰৰ ১৮ কোটি টকাৰ বিপৰীতে কেন্দ্রই ৭২ কোটি টকা দিছিল। যোৱাবাৰ বাজেটত গ্রামোন্নয়নৰ কাৰণে ধাৰ্য্যকৃত ১৮ কোটি টকাৰ বিপৰীতে মুঠ ৯০ কোটি আছিল। কিন্তু এইবাৰ ১৯৯৫/৯৬ বাজেটত শতকৰা ২০ হিচাবত মুঠ টকা ধাৰ্য্য

কৰা হৈছে সেইটো হৈছে ৯৬ কোটি টকা। তেতিয়া হলে ৮০ শতাংশ হিচাপে ৩৮৪ কোটি টকা কেন্দ্ৰৰ পৰা পোৱা যাব অৰ্থাৎ মুঠ ধাৰ্যাৰ পৰিমান ৪৮০ কোটি টকা হৈছে। গ্ৰামোন্নয়নৰ বাবে শতাংশ হিচাবত যোৱা বছৰৰ তুলনাত ৪৩৩% শতাংশ বৃদ্ধি হৈছে। আগতে কেতিয়াও এনে ব্যৱস্থা কৰা হোৱা নাছিল। সেই ক্ষেত্ৰত কবলৈ গলে গ্ৰামাঞ্চলত যথেষ্ট উন্নতি হব। এই বাজেট সমালোচনা কৰি বলৈ গৈ বিৰোধী দলৰ সদস্য সকলে পি ডাব্লিউ, ডি, বানিয়ন্ত্রন, ইলিগেচন এম, আই, ডিচি আদিত কমকৈ ধৰা হৈছে বুলি কৈছে। পৰিপূৰনৰ কিটো ব্যৱস্থা গ্ৰামোন্নয়নত আছে সেই মতে কমকৈ ধাৰ্য্য কৰা টকা মেক আপ হব। গ্ৰাম্য উন্নয়নৰ বাবে ৪৮০ কোটি টকা ধাৰ্য্য কৰা হৈছে। আৰু বাজেটত উল্লেখ হৈছে ৯৬ কোটি টকা। বাজেটত DRDAত ৩৮৪ কোটি উল্লেখ নাই।

ৰাজহৰ ক্ষেত্ৰত আমি দেখিছো যে অন্যান্য বছৰৰ তুলনাত ৰাজহ সংগ্ৰহ বহু বেছি হৈছে। এইটো এটি উৎসাহ ব্যঞ্জক কথা। আমাৰ টেক্স বিভাগে বহু টকা আয় কৰে। আৰু ৰাজ্য গনৰ বাজেটলৈ টেক্স বিভাগৰ পৰা যি খিনি পইচা আহে সেইখিনি পইচাৰ ভিতৰত কেভিনিউ বিভাগৰ পৰা কৰ আহে মাত্ৰ ৫/৬ কোটি টকা। মই বিত্ত মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে এই কৰ আদায়ৰ বাবে যিবিলাক সংশ্লিষ্ট কৰ্ম্মচাৰী আছে তেওঁলোকৰ কাম কাজৰ ক্ষেত্ৰত সা-সুবিধা ভাল ধৰণে যেন দিয়া হয় তাৰ প্ৰতি দৃষ্টি দিব লাগে। নহলে বাজেটত যিবোৰ ঘাটি ক্ষতিপূৰনৰ ব্যবস্থা আছে সেইবোৰ কোনো কামত নাহিব।

বিৰোধী দলৰ কেইবা গৰাকীও মাননীয় সদস্যই কৈছে যে এই বাজেটত যি ব্যবস্থা ৰখা হৈছে এই ৰাৱস্থাৰ দ্বাৰা সাধাৰণ ৰাইজ কোনো উপকৃত নহয়। এই কথা কিনিৰ অতি সহজ সৰল উত্তৰত মই কব খোজো যে তেখেত সকলৰ এই অভিযোগ সম্পুর্ণ

ভিত্তিহীন আৰু ই যুক্তি সঙ্গত নহয়। এই বাজেটৰ দ্বাৰা যাতে সাধাৰণ মানুহ উপকৃত হয় তাৰ কাৰণে সকলো খিনি সামৰি লোৱা হৈছে। এই সম্পৰ্কত মই দুই এটা কথা কব বিচাৰিছো। এই বাজেটতত ১৫ লাখ ৩০ হাজাৰ পৰিয়ালক ২ টকা কেজিত চাউল দিয়া ব্যৱস্থা কৰা হৈছে। বিৰোধী দলৰ সদস্যই কৈছে যে উচ্চ শ্ৰেণীৰ মানুহে ভোগ কৰিব। (ভইচ—উচ্চ শ্ৰেণীৰ নহয় উচ্চ আয়ৰ মানুহ) এই বাজেটৰ দ্বাৰা ৬৫ বছৰ বা তাতোকৈ বেচি বয়সৰ ভূমিহীন কৃষকক যি সকলক ৩ বিঘা বা তাতোকৈ কম মাটি আছে তেওঁলোকক ৭৫ টকাকৈ ভাট্টা দিয়াৰ ব্যৱস্থা কৰা হৈছে। কথা হৈছে চৰকাৰ আৰু কাৰ্য্য পালিকা দুয়োটা বেলেগ বস্তু। কাৰ্য্য পালিকাই যদি কাম কৰিব নোৱাৰে তেনেহলে সকলোৱে ধৰিব লাগিব। প্ৰাথমিক বিদ্যালয় সমূহত দুপৰীয়াৰ আহাৰ যোগান দিয়াৰ ব্যৱস্থা কৰা হৈছে। দুপৰীয়াৰ আহাৰৰ দ্বাৰা সকলো স্তৰৰ লৰা-ছোৱালীয়ে সুবিধা পাব সেইটো ঠিক কথা। তাৰ ওপৰি পৰোক্ষ ভাবে যিবিলাক লৰা ছোৱালী স্কুললৈ নাযায়, বিশেষকৈ চৰ অঞ্চলৰ, অনুন্নত অঞ্চলৰ, পাহাৰ অঞ্চলৰ এই বিলাক লৰা ছোৱালীয়ে উৎসাহ পাব।

গতিকে মই ভাৰো যে এই বাজেটৰ দ্বাৰা সাধাৰণ ৰাইজ উপকৃত হব। ৩০ হাজাৰ দুখীয়া শিপিনিৰ গৃহ চালি সাজি দিয়াৰ ব্যৱস্থা কৰা হৈছে। ১ হাজাৰ যুবক যুবতীৰ কম্পিউটাৰ ট্ৰেইনিং দিয়াৰ ব্যৱস্থা কৰা হৈছে। দুখীয়া খেতিয়কক সামান্য দামত পাৰাৰ টিলাৰ আৰু ১৩১৮০ জন খেতিয়কক খেতিৰ মাটি আৰু ঘৰ সাজি দিয়াৰ ব্যৱস্থা কৰা হৈছে। ৫১৮৭টা অনুসূচীত জাতি আৰু অনুসূচীত জন জাতিৰ লোকক ইন্দিৰা আবাস যোজনাৰ অধিনত গৃহ নিৰ্ম্মান কৰি দিয়াৰ কথা কোৱা হৈছে। ১লাখ নিবনুৱা কৰ্ম্মসংস্থাপন দিয়াৰ কথা কোৱা হৈছে। নিবনুৱা ভাট্টা সম্প্ৰসাৰণ আৰু ব্যাপন কৰাৰ কথা কোৱা হৈছে। ইন্দিৰা আবাস যোজনাৰ অধীনত যিবিলাক ঘৰ দিয়া হব তাত একোটাকৈ

লাইটৰ পইণ্ট দিয়াৰ উপৰিও বিনামূলীয়াকৈ বিদ্যুৎ যোগানৰ ব্যৱস্থা কৰা হৈছে। সংখ্যালঘু সকলৰ কাৰণে ৫ কোটি টকাৰে এটা সংখ্যা-লঘু উন্নয়ন আৰু বিত্ত নিগম গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই ধৰণৰ বহুতো কথাই আছে।

মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলৰ মাননীয় সদস্য সকলে কৈছে যে এই বাজেটখন সাধাৰণ মানুহৰ বাবে নহয় আৰু সাধাৰণ মানুহ উপকৃত নহয়। তেখেত সকলে সম্ভৱত এই বাজেটখন ভালকৈ পঢ়ি চোৱা নাই। অথবা ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত হৈ এই সমালোচনা কৰিছে। এই বাজেটৰ দ্বাৰা সাধাৰণ মানুহ উপকৃত নহব বুলি অনা অভিযোগ সত্য নহয়।

যিখিনি কৰ ৰেহাই দিয়া হৈছে তাৰ দ্বাৰা সাধাৰণ ৰাইজ উপকৃত নোহোৱা কথা নাই। মমবাতিৰ ক্ষেত্ৰত কৰ ৰেহাই দিয়া হৈছে তাৰ দ্বাৰা সাধাৰণ ৰাইজ উপকৃত হব। শিক্ষাৰ সা-সজুলিৰ ওপৰত কৰ ৰেহাই দিয়া হৈছে তাৰ দ্বাৰাও ৰাইজ উপকৃত হব। চিনেমাৰ টিকেটৰ কথাও কেইবাজনো সদস্যই কৈছে। চিনেমা মানুহে মনোৰঞ্জনৰ বাবে চায়। যি সকল উচ্চ আয়ৰ মানুহ তেওঁলোকৰ ঘৰত কেবুল টি, ভি আৰু ভি, চি, পি আদি সকলো বিলাক আছে কিন্তু সাধাৰণ মানুহৰ ঘৰত সেইবিলাক নাই। মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে ৰাইজৰ মনোৰঞ্জনৰ কাৰণে যিখিনি কৰিছে সেই খিনি আচলতে সাধাৰণ ৰাইজৰ বাবেহে কৰিছে। মৰাপাটৰ কাপোৰৰ ক্ষেত্ৰতো কৰ ৰেহাই দিয়া হৈছে। সাধাৰণ ৰাইজৰ বাবে ২০ টকাৰ কম দামৰ জোতাত কৰ ৰেহাই দিয়া হৈছে। যি সামান্য কৰ ৰেহাই দিয়া হৈছে ইয়াৰ দ্বাৰা সাধাৰণ ৰাইজ উপকৃত হব। গতিকে উপকৃত নহব বুলি কোৱাটো যুক্তিসঙ্গত কথা হব নোৱাৰে।

আজি সমালোচনা কৰা হৈছে পৰিকল্পনাৰ ধন অপৰিকল্পনাৰ

শিতানত খৰচ কৰা হৈছে বুলি । এই কথাটো কোনো কাৰণতেই মানি লব নোৱাৰি । মোৰ মনত পৰে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে সদনত এবাৰ কৈছিল যে এইটো এটা অপৰাধ যদিহে এই চৰকাৰে এইটো কৰিছে তেনেহলে এইটো এটা নিশ্চিত অপৰাধ । কিন্তু কৰিছেনে নাই ? ১৯৯২-৯৩ চনত পৰিকল্পনাৰ শিতানত ধাৰ্য্য কৰা টকাৰ পৰিমান আছিল ৯৬১.৭২ কোটি টকা । তাৰ পৰা দিল্লীতে কৰ্ত্তন কৰা হল ৭৫৮.৫৬ কোটি টকা । ৰাজ্য চৰকাৰে পালে ২০৬ কোটি ৫৬ লাখ টকা । কিন্তু পৰিকল্পনাৰ কাৰণে চৰকাৰে খৰচ কৰিলে ৬৪৯.১৫ কোটি টকা । দ্বিতীয় বছৰত দেখিছো ১৯৯৩-৯৪ চনত ১০২৭ কোটি টকা ধাৰ্য্য কৰা হৈছিল । তাৰ পৰা কৰ্ত্তন কৰা হৈছিল ৭০৬.৮৬ কোটি টকা আৰু ৰাজ্য চৰকাৰে তাৰ বিপৰীতে খৰচ কৰিছে ৫৮৬ ০৬ কোটি টকা । ১৯৯৪-৯৫ চনত ধাৰ্য্য কৰা ধনৰ পৰিমান আছিল ১০৫১ কোটি টকা আৰু কৰ্ত্তন কৰা হল ৭৩৪.১০ কোটি টকা আৰু ৰাজ্য চৰকাৰে খৰচ কৰিলে ১০৫১ • কোটি টকা । এই ধৰণে ৩ বছৰৰ হিচাব উলিয়ালে দেখা যায় যে, ৩০৩৯.৭২ কোটি টকাৰ ধাৰ্য্যকৃত ধনৰ পৰা কৰ্ত্তন কৰি ৰখা হল ২১৮৯ ৬২ কোটি টকা । ৰাজ্যখন পালে ৭৪১ ১ কোটি টকা । ৰাজ্য চৰকাৰে বাকীখিনি নিজৰ পৰা খৰচ কৰিলে । গতিকে পৰিকল্পনাৰ ধন অপৰিকল্পনাত খৰচ কৰা হৈছে বুলি কোৱাটোত কোনো যুক্তি নাই । পৰিকল্পনাৰ শিতানত আমাৰ প্ৰাপ্ত ধন ৭৪১ কোটি ১০ লাখ টকাৰ যদি কমকৈ খৰচ হলহেতেন তেতিয়া হলে এই টকা অপৰিকল্পনাত খৰচ কৰা বুলি ধৰি লব পৰা গল হেতেন কিন্তু খৰচ কৰা হৈছে ২১৮৬ ১১ কোটি টকা । গতিকে এই তথ্য সমূহে প্ৰমান কৰে যে, এই কথাটো কোৱা যুক্তি সংগত নহয় যে পৰিকল্পনাৰ ধন অপৰিকল্পনাত স্থানান্তৰিত কৰা হৈছে বা খৰচ কৰা হৈছে । মুখ্যমন্ত্ৰী মহোদয়ে ঠিকেই কৈছিল যে পৰিকল্পনাৰ ধন অপৰিকল্পনাত খৰচ

কৰাটো এটা অপৰাধ। গতিকে পূৰ্বৰ চৰকাৰৰ দৰে এই চৰকাৰ অপৰাধী নহয়।

মাননীয় কেই গৰাকীমান সদস্যই কৈছে যে অভাৰ ড্ৰাফট হৈছে। এইটো অস্থায়ী ব্যৱস্থা। সাধাৰণ লেন দেনত অভাৰ ড্ৰাফট এটা সাধাৰণ কথা। আমি সকলোৱে জানো যে, কেতিয়াবা অভাৰ অনাটন হলেও অভাৰ ড্ৰাফট হব পাৰে। চৰকাৰে এইটো কৰিব পাৰে। অসমৰ অৰ্থনৈতিক অৱস্থা একেবাৰে দুৰ্বল বুলি কোৱাৰ থল নাই। ৰেভিনিউ দিপজিটৰ ক্ষেত্ৰত বিৰোধী দলৰ মাননীয় সদস্য সকলে চৰকাৰক সমালোচনা কৰিছে। মাননীয় সদস্য যতীন মালী ডাঙৰীয়াক মই ধন্যবাদ দিব বিচাৰিছো। এই সম্পৰ্কত সকলো বিভাগৰে কমিচনাৰ সকলক লৈ এষ্টিমেট কমিটিত বহি বিতং আলোচনা কৰি ব্যৱস্থা লোৱা হৈছিল। তাৰ পিচত দেখা গৈছে হে অৱস্থাৰ উন্নতি হৈছে। যোৱা পৰহিও মূখ্য মন্ত্রী দেৱে কৈছে যে, আমাৰ আৰ, দিত এতিয়া বৰ বেছি মোকলাই দিবলগীয়া টকা নাই। গতিকে আমাৰ বিত্ত মন্ত্রী ডাঙৰীয়াই আজি যি বাজেট উথাপন কৰিছে তাক সম্পূৰ্ণ সমৰ্থন কৰিছো আৰু আশা কৰিছো এই বাজেটখন ৰাজ্যখনৰ উন্নয়নত যথেষ্ট সহায়ক হব।

এই ক্ষেত্ৰত মোৰ এটা পৰামৰ্শ যে গ্ৰাম উন্নয়নৰ ক্ষেত্ৰত যিমানেই টকাই ধাৰ্য্য কৰা নহওক লাগে এই টকা যথা যথ ভাবে খৰচ নহলে আমাৰ উদ্দেশ্য সিদ্ধি নহব। টকা অপচয়ত ৰাজহুৱা অভিযোগো আমি পাই আহিছো।

মাননীয় অধ্যক্ষ মহোদয়, প্ৰয়াত প্ৰধানমন্ত্রী ৰাজীৱ গান্ধীয়ে কৈছিল যে গাৱঁৰ উন্নয়নৰ কাৰণে যি টকা দিয়া হৈছে সেই টকা-বোৰ প্ৰতিখন জিলালৈ প্ৰত্যক্ষভাবে যাব লাগে। নহলে মাজতে টকা অপব্যয় হয়। এই কথা আমি ডি, আৰ, ডি, এ বিভাগত দেখি-

বলৈ পাইছো। ডি আৰ, ডি এ তাৰ পৰ্য্যায়ৰ কৰ্ম্মচাৰীখিনিৰ ওপৰত বিভাগৰ কোনো নিয়ন্ত্রন নাই। এই বিভাগৰ কাৰণে অভিযন্তা ডেপুটেচনত অনা হয়, প্রায়েই দেখা যায় যে এই অভিযন্তা জনে ডি. আৰ,ডি এ বিভাগত কেইপইচামান ঘটিবলৈহে ডেপুটেচনত আহে। এওলোকৰ এই বিভাগৰ ওপৰৰ বিষয়াৰ প্রতি বিশেষ দায়বদ্ধতা নাই। আয়ুক্তৰ পৰা আৰম্ভ কৰি যি সকল বিষয়া আছে তেওলোকে বুৰক্রেট হৈ আছে। কেৱল ফাইল আৰু কাগজপত্রততে ব্যস্ত থাকে। টকা বিলিজৰ সময়ত এই ইঞ্জিনীয়াৰ সকলে ব্লকৰ পৰা এটা পাৰচেণ্টেজ বিচাৰে এই কথাটো আমি সকলোৱে জানো। (ভয়চ— বি, ডি, অ' সকলে টেন পাৰচেণ্ট বিচাৰে)। ডি, আৰ, ডি, এ বিভাগৰ টকা পইচাৰ ক্ষেত্রত আয়ুক্তৰ পৰা আৰম্ভ কৰি যি সকল কার্য্য পালিকা আছে সকলোৱেই লিপ্ত হৈ আছে বুলি কব পৰা যায়। আজি আমাৰ ৰাজ্যখনত গ্রাম্য উন্নয়নৰ নামত যি খিনি হৈছে তাৰ কাৰণে ক্রেডিট আমাৰ মুখ্যমন্ত্রীৰ। আমাৰ কথা হৈছে যি সকলৰ উন্নয়ণৰ নামত এই টকা দিয়া হৈছে—তেওলোকে তাৰ ফল পাব লাগে, টকাৰ সদ্ব্যবহাৰ হব লাবে। পঞ্চায়ত বিভাগৰ যি জন আধুক্ত আছে তেখেতে প্রশাসনটো ভালকৈ চাব লাগে। ভালকৈ চলাব লাগে। টকাৰ যাতে সদ্ব্যবহাৰ হয় চকু দিব লাগে। অধ্যক্ষ মহোদয় সদনত মাননীয় বিত্ত মন্ত্রী মহোদয়ে যি খন বাজেট উত্থাপন কৰিছে তাৰ কাৰণে তেখেতক মই ধন্যবাদ জনাইছো আৰু ইমানতে মোৰ বক্তব্য সামৰণি মাৰিছো।

Mr. Speaker . Now Hon'ble member Shri Prafulla Kumar Mahanta

* শ্রী প্রফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৫-৯৬ চনৰ কাৰণে মাননীয় বিত্তমন্ত্রী মহোদয়ে সদনত যি খন বাজেট উত্থাপন

* Speech not Corrected

কৰিছে, এই বাজেটখনক মই প্ৰশংসা কৰিব পৰা হলে সুখী হলোঁহেতেন, কিন্তু বাজেটত যি দেখা গ'ল, তেখেতক প্ৰশংসা কৰিব পৰা নগল। ইয়াৰ কাৰণে তেখেত কেৱল দায়ী নহয়, গোটেই কেবিনেট খনেই ইয়াৰ কাৰণে দায়ী। এই বাজেট সম্পৰ্কত 'নিউজ ফ্ৰণ্ট' নামৰ ইংৰাজী কাকত খনত এনেকৈ প্ৰকাশ পাইছে মই পঢ়ি দিছোঁ——

"Newsfront—Itd. 23rd March, 1995.

Never before has the Budget of a State been leaked. Today's Budget which was presented by Mr. Jiba Kanta Gogoi was published by 'Ajir Batori' in its to-day's issue.

The leaking of the Budget deficit figures (Rs. 245,52 lakh which were the actual figures created a sensation, despite the Finance Minister denying it. In fact the Budget speech which was given to the media persons in the House still had the deficit figures reading as Rs, 245.52 lakh. It was when the AGP bench protested that the deficit figures have been changed to Rs. 285.52 lakh. This was done by cutting the figure. This is how the State Budget has been tampered. Budget figures can never be tampered like this. For, if this is done like this way, the sanctity of Budget is lost."

অধ্যক্ষ মহোদয়, ইয়াৰ উপৰিও এই বাজেট সম্পৰ্কে বিভিন্নজন

অর্থনীতিবিদ হওক বা ইয়াৰ লগত জড়িত বিভিন্ন ব্যক্তিয়ে এই বাজেটৰ ওপৰত তেখেত সকলৰ মতামত প্ৰকাশ কৰিছে।

অধ্যক্ষ মহোদয়, এই বাজেট সম্পৰ্কত ১৯৯৫ চনৰ ২৪ মাৰ্চ্চৰ আজিৰ অসম বাতৰি কাকতৰ সম্পাদকীয়ত কি লিখিছে তাৰ কিছু অংশ মই পঢ়ি দিছো 'বিত্তমন্ত্ৰী শ্ৰীজীৱ কান্ত গগৈৰ ১৯৯৫-৯৬ চনৰ বাজেটখন দেখি বিস্ময় মানিবলগীয়া হয়। এই খননো কিহৰ বাজেট হ'ল? বাজেট বুলিলে সাধাৰণতে চৰকাৰৰ টকা পইচাৰ অংক মিলোৱা কাৰবাৰ যদিও বাজেটখন বাজেট হৈ নেথাকে। চৰকাৰৰ বাজেট বুলি ঠাই দিবলৈ বা ভৰষা কৰিবলৈ বিশেষ নোহোৱা হৈ যায়। এইবাৰ বাজেটখন কাটি-কুটি শেষ সময়ত কলমেৰে নতুনকৈ পৰিসংখ্যা লিখি অংক মিলোৱাৰ পন্থাটে ললে। তাৰ পৰাই গোটেই বাজেটৰ স্বৰূপটো দৰা চলতে ওলাই পৰিছে। এইখন টাংটুনি কাটি কুটি হিচাপ দেখুৱা তলাপতীয়া কৌশল। সেই হিচাবে চালে বাজেটখন নিৰ্ব্বাচনৰ আগৰ হলেও, নিৰ্বাচন মুখী বাজেট নুবুলি নিজা ব্যৰ্থতা ঢাকি ৰখাৰ বাবে কৰা চলনা বাজেট বুলি লেহে বজিতা খাই পৰিব। অৱশ্যে যি গতিৰে কেন্দ্ৰত ডঃ মনমোহনে বাজেটদাঙি ধৰি জনসাধাৰণক মুহি থবলৈ প্ৰয়াস পালে, ঠিক একে ধৰণেৰে নহলেও একে আৰ্হিৰেই শ্ৰীজীৱকান্ত গগৈয়ে ৰাজ্যৰ ক্ষেত্ৰত এনে কিছুমান কৌশল অবলম্বন কৰাৰ বাবে প্ৰয়াস পালে যে যিবোৰ দেখাতেই মনমোহিনী কিন্তু ৰাজ্যৰ উন্নয়নৰ বাবে যি বিলাকৰ ৰৱঙণি মুঠেই থাকিব নোৱাৰে। সেইবাবে ৰাজ্যৰ এইবাৰৰ বাজেট খন ৰাজনীতিৰ বাজেট বুলি কোৱাৰ থল ওলালত নিৰ্ব্বাচন মুখী বুলিও আন প্ৰকাৰে কব পৰা যায়। কিন্তু নিৰ্ব্বাচনী প্ৰতিশ্ৰুতিৰ দৰেই বাজেটে ৰাজ্যৰ উন্নয়নৰ ক্ষেত্ৰত কেতবোৰ স্পষ্ট প্ৰতিশ্ৰুতি আগবঢ়ায় ৰাইজক কিছুমান দানৰ অতিকাহে দাঙি ধৰিছে। এইটো ৰাজ্যৰ ভবিষ্যতৰ কাৰণে

বিপদজনক হৈ পৰিল। অৰ্থাত ৰাজনীতি ৰলেও বাজেটত ৰাইজৰ উন্নয়ন নীতি নৰল। আমাৰ বোধেৰে এইটোহে আচল কথা।" দৈনিক অসমটো মোৰা ২৪ মাৰ্চ্চত মন্তব্য ৰাখিছে যে—কেন্দ্রীয় ৰাজেটৰ পিচত ৰাজ্য চৰকাৰে উত্থাপন কৰা বাজেটত কোনো নতুন উন্নয়নমুখী আচনি দেখা নগল বুলি উল্লেখ কৰিছে। অধ্যক্ষ মহোদয়, নৰ্থ ইষ্ট টাইমচ কাকতেও এই বুলি বাজেট সম্পৰ্কে উল্লেখ কৰিছে

"The North East Times—24th March, 1995.

However, in its efforts the Government at Dispur have failed to convince the people with these insignificant sops, while they have kept open the flood-gates of extravagance and failed to check the hike in prices of essential items of daily need."

১৯৯৫ চনৰ ২৪ মাৰ্চৰ দৈনিক অসম কাকতত লিখিছে এই ৰাজেট খনৰ সম্পৰ্কত। ইংৰাজী ২৪ মাৰ্চৰ "দি চেণ্টিনেল কাকতত লিখিছে. . .

"The Sentinel, 24th March 1995.

There is nothing to write home about the State Budget for fiscal 1995-96 presented by the Finance Minister, Mr. Jiba Kanta Gogoi in the Assam Assembly on Wednesday particularly when the people are sick of the State of the finances previling during the past few years."

গতিকে অধ্যক্ষ মহোদয়, এই সম্পৰ্কত অৰ্থনীতি বিদ সকলে দিয়া বিভিন্ন পৰিসংখ্যা যদি চোৱা যায় তেতিয়াহলে দেখা যায় যে বাজেটখনে জনসাধাৰণৰ আশা আকাংখ্যা পূৰণ কৰিব পৰা

বাজেট নহ'ল। ১৫ মার্চ তাৰিখৰ 'ইকনমিস্ক টাইমচ্' এই বাজেট সম্পর্কে লিখা প্রকাশ পাইছে তাত লিখিছে—

In course of speech he quoted the writing of the Economic Times dated 15th March, 1995 under the heading 'Economic Survey wants against fiscal populism'

Budget Economic Survey presented to Parliament on Tuesday and come out with a warning against fiscal populism. The caution comes a day before presentation of the Union Budget which is widely expected to contain a large number of populist measures aimed at catching votes and offsetting the negative impact of severses in the State Assembly" ..

গতিকে অধ্যক্ষ ডাঙৰীয়া, বাজেটখনে এইটো সময়ত জনসাধাৰণক এইটো সময়ত যেনেদৰে আকৰ্ষিত কৰিব লাগিছিল তেনেদৰে আৰ্কষিত কৰিব নোৱাৰিলে। ১৯৯২-৯৩ চনতো চৰকাৰে সদনত বাজেট উত্থাপন কৰিছিল আৰু প্রচাৰ মাধ্যমৰ জৰিয়তে বাহনা লৱলৈ এখন চাৰপ্লাচ বাজেট বুলি সদনত উত্থাপন কৰিছিল। Finance Minister Presented a surplus Budget but Practically not So it is a magic কিন্তু একে বছৰতে কি হ'ল তাত ৩০১'৪২ কোটি টকা ঘাটি দেখুৱাইছে এই বাজেটখন অপকৌশলৰ দ্বাৰা সদনত উত্থাপন কৰা হৈছে। এইবাজেটখন যদি ভালদৰে আলোচনা কৰি চোৱা যায় যে এইখন এখন গতানুগতিক ৰাজনৈতিক বক্তৃতা আৰু নিৰ্ব্বাচনমুখী বাজেটৰ বাহিৰে আন একো হব নোৱাৰে। অধ্যক্ষ ডাঙৰীয়া, এই বাজেটখন সদনত উত্থাপনৰ পূৰ্ব্বে ৰাতিৰি

কাকতত প্ৰকাশ হোৱাটোওঁ চৰকাৰৰ চৰম বিফলতা। বাতৰি কাকতত প্ৰকাশ হোৱাৰ পিচত ভুল বিলাক হাতেৰে শুদ্ধ কৰিবলৈ চেষ্টা কৰিছে। তথাপিও বহুত ভুল ৰৈ গৈছে। এই বাজেটখন জনসাধাৰণৰ সৰ্ব্বাঙ্গীন স্বাৰ্থৰ সপক্ষে নহয়, জনসাধাৰণৰ স্বাৰ্থৰ বিৰুদ্ধে গৈছে। এই বাজেটখনত আয় বৃদ্ধিৰ জৰিয়তে ঘাটি কমোৱাৰ চেষ্টা কৰা হৈছে। আয় বৃদ্ধি নকৰি লোকৰ পৰা ধাৰ লৈ বাজেট ঘাটি কমাবলৈ বিচৰা এই বাজেট খনৰ সমৃদ্ধিশালী বাজেট বুলি কব নোৱাৰি। ঋণৰ বাবে অতিৰিক্ত সুতৰ বোজা বাঢ়িহে যাব। ইয়াৰ ফলত জনসাধাৰণৰ অৰ্থনৈতিক দিশটো উন্নতি নহৈ তললৈহে অৱনমিত হ'ব। প্লেনৰ টকা ননপ্লেনলৈ ডাইভাৰ্ট কৰা সম্পৰ্কে তেখেত সকলে কয় যে এ, জি. পি চৰকাৰৰ দিনত বহুত প্লেনৰ টকা ননপ্লেনলৈ ডাইভাৰ্ট কৰিছে। ননপ্লেনলৈ প্লেনৰ টকা ডাইভাৰ্ট আপোনালোকেও কৰি আহিছে। এইটো চলি আহিছে ভাগৰ পৰা। মতিৰাম দাস মন্ত্ৰী থকা দিনৰে পৰা এনেদৰে প্লেনৰ টকা ননপ্লেনলৈ ডাইভাৰ্ট হৈ আহিছে। অধ্যক্ষ ডাঙৰীয়া অসমৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল কৰিবলৈ হ'লে ৰাজহ সংগ্ৰহ বঢ়াব লাগিব। আমাৰ ৰাজহ সংগ্ৰহৰ পৰিমাণ অৱনমিত হৈছে। ১৯৯৩-৯৪ ত ৫০.৭৫ কোটি টকা ১৯৯৪-৯৫ ত ৪১ কোটি টকা সংগ্ৰহ হৈছে আৰু ১৯৯৫-৯৬ চনত ৩৫ কোটিৰ মাজত হ'ব। ৰাজহুৱা বিতৰণ ব্যৱস্থাতো চৰকাৰ সম্পূৰ্ণ ব্যৰ্থ হৈছে। মূল্যবৃদ্ধিৰ ক্ষেত্ৰত অধ্যক্ষ ডাঙৰীয়া আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিব লাগিব যে তেখেতে নিজে বাজেট বক্তৃতাত কৈছে যে মূল্যবৃদ্ধি ৰোধ হোৱা নাই। তেখেতে কৈছে যে পাইকাৰী আৰু খুচুৰা মূল্যসূচীৰ পৰিবৰ্ত্তনৰ ধাৰাৰ পৰা এই কথাই স্পষ্ট হৈছে যে ১৯৯৪ চনতো ৰাজ্যখনৰ বৰ্দ্ধিত মূল্যৰ গতি অব্যাহত থাকে ১৯৯৪ চনৰ প্ৰথম ৯ মাহৰ গড় হিচাপে পাইকাৰী মূল্যসূচী আগৰ বছৰৰ

অনুৰূপ সময় ছোৱাৰ তুলনাত ১০'৫ শতাংশ বৃদ্ধি পায়। চাহ বাগিচাৰ ক্ষেত্ৰত অধ্যক্ষ মহোদয় Budget continues trend of tax wastage at the expense of State Govt. of the estimated Rs. 348 crores...

Budget for 1991—92—— 1 Percent
1993—94—— 4 "
94—95—— 3.80 "

but as per Economic survey it is 5.3 percent, Central Govt. Finance Deptt. 3.8. Fercent estimated 1994-95-5.3 Percent.

অধ্যক্ষ ডাঙৰীয়া, ৰাজ্যিক আয়ৰ ক্ষেত্ৰত তেখেতে ইয়াত দিছে, দ্ৰুত হিচাপ অনুযায়ী অসমৰ প্ৰকৃত ৰাজ্যিক ঘৰুৱা উৎপাদন চলিত মূল্যত ১৪,০৩৪ কোটি টকা আৰু স্থিৰ (আধাৰ বছৰ ১৯৮০-৮১) মূল্যত ৫,১১৬ কোটি টকা নিৰ্দ্ধাৰণ কৰা হৈছে। ১৯৯২-৯৩ চনৰ অস্থায়ী হিচাপ আছিল যথাক্ৰমে ১১,৩২৫ কোটি আৰু ৪ ৬৮৪ কোটি টকা। সেইমতে ১৯৯১-৯৩ চনতকৈ ১৯৯৩-৯৪ চনত ৰাজ্যখনৰ প্ৰকৃত ৰাজ্যিক ঘৰুৱা উৎপাদনে চলিত মূল্যত ১৩'৯ শতাংশ আৰু স্থায়ী মূল্যত ৯'১ শতাংশ বৃদ্ধি দেখুৱাই। ১৯৯১-৯২ চনতকৈ ১৯৯২-৯৩ চনত একে ধৰণৰ শতকৰা হাৰৰ বৃদ্ধি আছিল যথাক্ৰমে ১৮.২ শতাংশ আৰু ৯.৩ শতাংশ। ইয়াত আগৰ তুলনাত একো পৰিবৰ্ত্তন হোৱা নাই। অধ্যক্ষ ডাঙৰীয়া সৰ্ব্ব ভাৰতীয় বাৰস্থাত দেখা গৈছে ভাৰত চৰকাৰৰ বিত্ত মন্ত্ৰালয়ে এষ্টিমেট মতে ১৯৯৩-৯৪ চনত ৩ ৪ শতাংশ আৰু ১৯৯৩-৯৪ চনত ৩'৪ শতাংশ আৰু ১৯৯৪-৯৫ চনত ৫.৩ শতাংশ হ'ব লাগে। মাননীয় অধ্যক্ষ মহোদয় উন্নত ৰাষ্ট্ৰ যেনে দক্ষিণ কোৰিয়াত ৭ শতাংশ,

আমেৰিকা যুক্তৰাষ্ট্ৰত ৬.৫ শতাংশ, জাৰ্মান ৪ শতাংশ ফ্ৰান্স ২.৫ শতাংশ ইত্যাদি ইত্যাদি। গতিকে তেনে ক্ষেত্ৰত আমাৰ দৰে ৰাজ্য এখনত, যাক আটাইতকৈ দুখীয়া ৰাজ্য বুলি কোৱা হয়, যিখন ৰাজ্যই কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰি থাকিব লগীয়া হয় তেনে ক্ষেত্ৰত আমাৰ ইয়াত ৯.৩ শতাংশ কেনেকৈ হব পাৰে? এইটো জনসাধাৰণক ভুল পথে পৰিচালিত কৰাৰ চেষ্টা নহয় নে? মুদ্ৰাস্ফীতী কেনেকৈ ৰোধ কৰা হব এই বিষয়ৰ কোনো কথাৰ উল্লেখ নাই। মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ কৰিব পৰা কোনো স্পষ্ট নীতি এই বাজেটত নাই। ইণ্ডিয়ান এক্সপ্ৰেছ কাকতৰ মাৰ্চ ২৩ৰ সংখ্যাত

—...Indian Express, March 23. "An anti-inflation strategy is a central concern of the Union Budget for 1995-96 and if the Finance Ministry has got its calculations right, a more definite declining trend would be visible over the next few weeks আৰু শেষত লিখিছে And everyone knows that checking inflation is easier said than done."

অধ্যক্ষ মহোদয়, বাজেটত আনুষ্ঠানিক বিত্তৰ ক্ষেত্ৰত দেখুৱাইছে ১৯৯৪ চনৰ চেপ্তেম্বৰ মাহৰ শেষলৈকে অসমৰ বেংকসমূহৰ শাখাৰ সংখ্যা হ'ল ১২৯৩। সৰ্বভাৰতীয় গড় হিচাপত বেংকৰ প্ৰতিটো শাখাত সেৱা আগবঢ়োৱা লোকৰ সংখ্যা হ'ল ১২,০০০ জন তাৰ বিপৰীতে অসমত সেই সংখ্যা ১৮,৭৪০ জন। অধ্যক্ষ মহোদয়, এইটো বৰ ভাল কথা। কৰ্মচাৰীৰ সংখ্যা বাঢ়িছে। চাকৰি কোনে কোনে পাইছে সেই বিষয়ে মই কবলৈ নাযাও। বেংকত যে টকা জমা কৰা হৈছে এই জমা টকা অসমত কেনেকৈ ইনভেষ্ট কৰিছে? যদি অসমত ইনভেষ্ট কৰিছে তেতিয়াহলে অসমৰ ইনকাম বাঢ়িব। কিন্তু এই

দিশত শুদ্ধ হিচাপ বিত্ত মন্ত্রী ডাঙৰীয়াই দিব পৰা নাই। অসমত ক্ষুদ্র সঞ্চয় বাঢ়িছে বুলি কোৱা হৈছে। এই বঢ়া-টুটাটো চাবলগীয়া বিষয়। অধ্যক্ষ মহোদয়, বার্ষিক পৰিকল্পনাৰ মূলধন ব্যৱহাৰ সম্পর্কত কোনো ধৰণে বাজেটখন এনকাৰেজিং নহয়। কাৰণ পৰিকল্পনাৰ মূলধন আমাৰ ইয়াত সঠিক অর্থত খটুৱাব পৰা নাই। কেন্দ্রীয় চৰকাৰক হিচাপ দিয়া হয় কিমান কোটি টকা খৰচ কৰা হৈছে। আচলতে সেইবিলাক খৰচ কৰা নহয় সেইবিলাক বেভিনিউ হেডত জমা ৰখা হৈছে। কেন্দ্রীয় চৰকাৰক খৰচ কৰা হৈছে বুলি দেখুৱাইছে। কিন্তু আজিৰ দিনটোত বেভিনিউ হেডত ৬ কোটি টকা জমা আছে। কাইলৈ হয়তো আৰু বাঢ়িব পাৰে। কাৰণ ৩১ মাৰ্চলৈ আৰু বেছি দিন নাই। তেতিয়ালৈকে নিশ্চয় এই পৰিমাণ বাঢ়ি যাব। তাৰ বাহিৰত অন্যান্য কথা কিছুমান কৈছে। চৰকাৰী বিতৰণ ব্যৱস্থা শূন্য। তেলৰ ৰয়েলটিৰে কিমান ঘাটি মাৰিব পাৰিব? এতিয়া কাইলৈৰ পৰা কেনেকৈ পইচা পাব এইটোৰ কোনো উল্লেখ নাই। আৰু এটা কথাৰ উল্লেখ নাই চৰকাৰে যে বিভিন্ন উগ্রপন্থী সংগঠনৰ পৰা ৫২৯ কোটি ৭১ লাখ ৭২ হাজাৰ কোটি ৰিকোভাৰ কৰিছে সেই টকাটো ক'ত জমা থলে? সেই টকা ট্রেজাৰীত বেভিনিউ হেডত জমা ৰাখিলে নে আন উন্নয়ন মূলক কামত খৰচ কৰিছে নে বেংকত জমা ৰাখিছে? এই বিষয়ে কোনো উল্লেখ নাই। ইয়াৰোপৰি বাজেটত পৰিকল্পনা বহির্ভূত ব্যয়ৰ পৰিমাণ ৩১১০ কোটি টকা বৃদ্ধি কৰি এই পৰিমাণ ৩১৯৯ কোটি টকা নির্দ্দিষ্ট কৰিছে। ইয়াৰ ওপৰি নন প্লেনত ১৯৯৪-৯৫ চনৰ বছৰটোৰ শেষত ধাৰ ৪,৭৯৮'৪১ কোটি টকা। তাৰ বাহিৰেও ১৮৫'৫২ কোটি টকাৰ ঘাটি পূৰণৰ বাবে কি ব্যৱস্থা লৈছে এই বাজেটতত কোনো উল্লেখ নাই। ৰাজাৰ ঋণৰ বোজা আছিল ১৯৯১ চনৰ মাৰ্চৰ শেষত ৪৮৬৬'২৩ কোটি

টকা। ই বাঢ়ি গৈ ১৯৯৩ চনৰ মাৰ্চৰ শেষত হয়গৈ ৪৮৭৪.৭৫ কোটি টকা। ধাৰ কমা নাই। ক্রমান্বয়ে বাঢ়িহে গৈছে। তাৰোপৰি এতিয়া আকৌ নতুন ঋণৰ ব্যৱস্থা কৰিছে। বাজেটত ১৩৬৪ ১১ কোটি টকাৰ প্রস্তাৱ দিছে। এই ঋণৰ প্রস্তাৱে জনসাধাৰণ কোনো পর্যায়তে উপকৃত হব নোৱাৰে। বৰং এই ঋণে জনসাধাৰণক ক্ষতিগ্রস্থহে কৰিব। বিত্তমন্ত্রী মহোদয়ে বাজেটত কৈছে আমি কৰ ৰেহাই দিছো'। তেখেতে ৰেহাই দেখুৱাইছে ৪০ কোটি টকা। কিন্তু তেখেতে এই ক্ষেত্রত বিতং তথা দিব পৰা নাই। অধ্যক্ষ মহোদয়, তেখেতে মম বাতি বাঁহ, মৰাপাটৰ কাপোৰ সেন্দুৰ, কুমকুম আদিত দিয়া কৰ ৰেহাইৰ দ্বাৰা জনসাধাৰণ উপকৃত হব নোৱাৰে। ইয়াৰ দ্বাৰা লাভবান হব মধ্যভোগী মিলৰ মালিক আৰু ব্যৱসায়ী মহলহে। অধ্যক্ষ মহোদয়, আমি এটা কথাত বৰ দুখ পাইছো। বিত্তমন্ত্রী ডাঙৰীয়াই প্লাষ্টিক জোতাৰ কৰ ৰেহাই দিছে। যি সময়ত আমেৰিকা, ব্রিটেইন আদি দেশত প্লাষ্টিক জোতাৰ ব্যৱস্থা বন্ধ কৰি দিছে। ই দেহৰ বাবে ক্ষতিকৰ। কিন্তু আমাৰ ইয়াত প্লাষ্টিক জোতাৰ কৰ ৰেহাই দি ব্যৱসায়ী সকলক উৎসাহিত কৰা হৈছে। যিহেতু এইবিধ সামগ্রী ক্ষতিকাৰক সেয়েহে আমাৰ ইয়াতো বন্ধ কৰিব লাগে। মমবাতিৰ পৰা চৰকাৰে কিমান পইচা পায়? এই বিষয়ে স্পষ্টভাৱে পোৱা নাযায়। আকৌ মৰাপাটৰ বস্ত্র, সেন্দুৰ আদিৰ ক্ষেত্রত কবলৈ নাযাওঁ। বাঁহৰ ক্ষেত্রত যি বিক্রীকৰ ৰেহাই দিছে তাৰ দ্বাৰা খেতিয়ক সকল লাভবান নহয়। লাভবান হব মিলৰ মালিক সকল। বিত্তমন্ত্রীয়ে মমবাতি আদিৰ ক্ষেত্রত কৰ ৰেহাই দিছে যদিও বজাৰত বস্তুৰ দাম কমা নাই। এক পইচাও নকমে। ইয়াৰোপৰি গোটেই ৰাজ্যখনৰ অৰ্থনৈতিক দিশটো এই বাজেট সম্পুৰকৃতাত ৰ্ণভাৱে প্রতিফলিত হোৱা নাই। অসমৰ আন এটা জলন্ত

সমস্যা হৈছে নিবনুৱা সমস্যা। কিন্তু এই নিবনুৱা সমস্যা সমাধানৰ কোনো স্পষ্ট নীতি এই বাজেটত নাই। ৰাজ্যপালৰ ভাষণতো স্পষ্ট নহয়। কিন্তু বিত্ত মন্ত্ৰীৰ লগত এটা ক্ষেত্ৰত একমত। বিত্তমন্ত্ৰীয়ে বাজেটৰ ৩১ পৃষ্ঠাত কৈছে মই শান্তি কেৱল বলৰ ব্যৱস্থাৰেই নহয় শান্তি জনকল্যান আৰু উন্নয়নৰ স্থায়ী প্ৰচেষ্টাৰে বৰ্ত্তাই ৰাখিব পাৰি'। কিন্তু আমাৰ ইয়াত শান্তি প্ৰতিষ্ঠাৰ বাবে সামৰিক বাহিনীৰ দৰকাৰ হৈছে। পুলিচ বাহিনী, পঞ্জাৰ কমাণ্ডোৰ দৰকাৰ হৈছে। আমাৰ মাননীয়া সদস্যা শ্ৰীমতি প্ৰমিলা ৰাণী ব্ৰহ্মৰ প্ৰশ্নৰ উত্তৰত আজি এই কথা কোৱা হৈছে। বিত্তমন্ত্ৰী ডাঙৰীয়াই 'কেৱল বলৰ ব্যৱস্থাৰেই নহয়' বুলি কৈছে। এইটো ঠিক কথা। কিন্তু এতিয়া শান্তি ঘুৰাই আনিবলৈ কি ব্যৱস্থা লোৱা হৈছে? এই বিষয়ে বাজেট সম্পূৰ্ণ নিৰৱ। ৰাজ্যপালৰ ভাষণতো নাই। অধ্যক্ষ মহোদয়, এচ চি হিলচত পঞ্জাৰ কামাণ্ডো ব্যৱহাৰ কৰা হৈছে আৰু প্ৰয়োজন আছে বুলি কৈছে। অৱশ্যে কেন্দ্ৰীয় গৃহমন্ত্ৰী ৰাজেশ পাইলটে এই সমস্যা সমাধানৰ ক্ষেত্ৰত অন্তৰূপ আলোচনা কৰিব বুলি কৈছে।

মাননীয় অধ্যক্ষ মহোদয়, এইটো নহয় যে সন্ত্ৰসবাদ আৰু হিংসাৰ আঘাত কেৱল অনুকম্পাৰে নহয়, প্ৰভূত পৰিমানৰ অৰ্থিক উন্নয়নৰ কাম-কাজ আৰু সামাজিক ন্যায়ৰ জৰিয়তেও ইয়াৰ উপশম ঘটাব পাৰি— কি কি উপশম ঘটাব পাৰি বাজেট বক্তৃতাত উল্লেখ কৰা নাই। সেই কাৰণে কৈছো এই বাজেট কি ব্যৱস্থা গ্ৰহণ কৰিছে সন্দেহ আছে, কি ব্যৱস্থা অসমৰ জনসাধাৰণৰ অৰ্থনীতিত কৰিব বিচাৰিছে। অসমৰ মানুহৰ উন্নয়ন সাধন কৰিব বিচাৰিছে, এই উন্নয়ন কৰিবৰ কাৰণে অসমৰ 'এগ্ৰিকালচাৰ স্কীম' কেনেধৰণে লৈছে। মৰাপাট ধানৰ উন্নয়নৰ ক্ষেত্ৰত কি কৰিবলৈ গৈছে সেই ক্ষেত্ৰত নিৰৱ হৈ আছে। চাহবাগিচাৰ চাহৰ ওপৰত থকা কৰ ৰেহাই দিব বিচাৰিছে।

চাহ মজদুৰ সকলক কি কি কৰিছে স্পষ্ট নহয় । সীমান্ত অঞ্চলত এন এচ চি এন ৰ ধৰ্মকিত চাহ বাগিচাৰ মালিক সকলে বহুটো টকা আদায় দিছে আৰু তেওঁলোকে ভয়ত কলিকটা পাইছেগৈ : সেই কাৰণে কেছো চৰকাৰৰ এইখন বাজেটে জনসাধাৰণৰ ওপৰত এটা ডাঙৰ বাধা হৈছে । অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক কি প্ৰস্তাৱ দিছে যি দৰে মহাৰাষ্ট্ৰ গুজৰাট আদি ধনী দেশ বিলাকে কেন্দ্ৰীয় চৰকাৰৰ পৰা বিদেশৰ পৰা অহা টকা বিলাক 'এইড' হিচাবে আদায় কৰিব পাৰিছে কিন্তু অসম চৰকাৰে সেই টকা আদায় কৰিব পৰা নাই । অসম চৰকাৰে ফৰাচীৰ পৰা ৭ হেজাৰ কোটি টকা শতকৰা ১০ টকা সুদত ধাৰলৈ লৈছে, কিন্তু মন্ত্ৰীয়ে এই কথা স্বীকাৰ কৰিছে । মাননীয় মন্ত্ৰীয়ে পৰিষ্কাৰ কৰি কৈছে । সচা কথাটো লুকাই ৰাখিছে অসমৰ উদ্যোগ বিলাকক উদ্যোগপতিৰ হাতত গটাই দিছে । লাভবান হৈ থকা উদ্যোগ বিলাক ব্যক্তিগত মালিকৰ হাতত গটাই দিয়াৰ কি যুক্তি থাকিব পাৰে ইয়ে অসমৰ কোনো ধৰণৰ অৰ্থ নৈতিক উন্নয়ন ক্ষেত্ৰত আগবঢ়াত বাধাৰ সৃষ্টি কৰিব । কেন্দ্ৰীয় চৰকাৰৰ ক্ষেত্ৰত 'চানদেঁত উলাইছে -- তাত কৈছে Finance Minister had done nothing about Corporate tax or personal income tax. যিটো কৰিছে উন্নয়ন হব পাৰে ? আৰু কোৱা হৈছে—এল এম থাপ্পাৰে কি কৈছে The industrialisation Complained that subridi had been increased, if meant fiscal deficit would increase কিন্তু তাৰ গুৰুত্ব থাকিব লাগে, বিচৰা হৈছে । মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ ওপৰত অসমৰ উন্নয়নৰ ক্ষেত্ৰত অসমৰ সামগ্ৰীক ভাবে কি প্ৰস্তাৱ আছে ? এইবোৰৰ সাহায্যৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ 'হোম মিনিষ্টিৰলৈ এটা 'চিঙ্গল প্ৰপজেল' দিয়া নাই । কিন্তু আমি দেখা পাইছো ৭ হেজাৰ কোটি টকা বিদেশৰ পৰা ঋণ হিচাবে

অসমে লবলৈ বিচাৰিছে। কিয় ব্ৰহ্মপুত্ৰ বৰ্ড বা বান নিয়ন্ত্ৰনৰ কাৰণে এটা প্ৰস্তাৱ দিয়া নাই। অসমৰ পৰা পঠিওৱা হৈছিল মনমোহন সিঙক, তেখেত এতিয়া বিত্ত বিভাগৰ মন্ত্ৰী। তেখেতে উত্তৰ পূৰ্বাঞ্চলক কি দিছে। আমাৰ ইয়াত আচাম ফাইনেঞ্চিয়েল কৰপৰেশ্যন এটা আছেই কিন্তু উত্তৰ পূৰ্ব্বাঞ্চলৰ সুবিধাৰ কাৰণে এটা বেংক দিব। ৫ কোটি টকা থাকিব তাৰ পৰা ঋণ লব পাৰিব। এই বিলাক থাকোতে ঋণ লোৱাৰ কি প্ৰয়োজন। এইখিনিটো ফাইনেঞ্চ বিভাগ স্পষ্ট নহয়। এই প্ৰস্তাৱ সমূহ ভালকৈ চালি জাৰি চোৱা নাই। মাননীয় অধ্যক্ষ মহোদয় এই কথাবিলাক ভালদৰে চালি-জাৰি চাই এখন 'পলিটকেল কৰেক্ট' বাজেট তৈয়াৰ কৰিব লাগে আৰু তাত শুদ্ধ তথ্য ডাঙি ধৰিব লাগে। তাৰোপৰি অন্যহাতে হিন্দু বাতৰি কাকতত ২৪ মাৰ্চত দিছে– It is not the totally populous Budget not without it they had to depend on mon soon and efficiency and clean administration. মাননীয় অধ্যক্ষ মহোদয় আমাৰ ইয়াত এনেও হয় হাজাৰ হাজাৰ 'চি' ফৰ্ম নাইকিয়া হৈ যায়। কিন্তু এই 'চি' ফৰ্ম বিলাক কেনেকৈ নাইকিয়া হবলৈ পালে যি টোৰ শশ কাটি টকা ৰাজহ চৰকাৰে পোৱা নাই। সাধাৰণতে কেন্দ্ৰীয় চৰকাৰৰ বাজেট ৰাজ্য চৰকাৰৰ বাজেটত বিফ্লেক্ট কৰে। কিন্তু আমাৰ কেন্দ্ৰীয় চৰকাৰৰ বাজেট বিফ্লেক্টৰ বা এফেক্ট আমাৰ ৰাজ্যৰ বাহি বাজেটত নাই। অন্যান্য ৰাজ্য সমূহৰ বিষয়েও কোনো উল্লেখ নাই। ৰয়েলিটি বঢ়াই দিছে, বান নিয়ন্ত্ৰণৰ কথা কোৱা নাই, শতকৰা ১০০ ভাগেই লোন লোৱা হৈছে। অসমত বানপানীৰ ক্ষেত্ৰত শতকৰা ৫০ ভাগ অনুদান কিয় আদায় কৰিব পৰা নাই বা ৯০/১০ কৰিব পৰা নাই। এই বিলাক প্ৰতিফলন হোৱা নাই ৭ শ কোটি টকা গৈ আছে। কিছুমানে টেক্স লৈ আছে, সেইটো গোণ্ডা

টেক্স বা মাফিয়া টেক্স হওঁক। সেই টেক্স বিলাক ৰেভিনিউ হেডলৈ অহা নাই। সেই বিলাক কথা মন্ত্রীয়ে উল্লেখ কৰা নাই। দুখীয়া শিপিনীৰ বাবে সুতাৰ ব্যৱস্থা কৰা হৈছে কিন্তু সেই বিলাকৰ দিছেনে নাই উল্লেখ কৰা নাই।

অধ্যক্ষ ডাঙৰীয়া, শ্রমিক সকলৰ কাৰণে এই চৰকাৰে কি ব্যৱস্থা হাতত লৈছে সেই সম্পর্কে বাজেটত স্পষ্ট ভাবে উল্লেখ কৰা নাই। আজি অসমত উৎপাদিত কৃষিজাত সামগ্রীৰে দুমাহ নোজোৰে। কিন্তু কৃষিৰ ক্ষেত্রত উন্নয়ন ব্যৱস্থা হাতত লোৱাৰ কাৰণে কোনো ব্যৱস্থা ৰখা হোৱা নাই। আপোনালোকে যি খন বাজেট দাঙি ধৰিছে সেইখন কেৱল কর্ম্মচাৰী সকলক দৰমহা দিয়া আৰু মেইণ্টে-নেন্স বাজেটৰ বাহিৰে অন্য একো নহয়। তাত উন্নয়নশীল কামৰ কাৰণে কোনো উল্লেখ নাই। ইয়াত ঋণৰ সংখ্যা বাঢ়ি গৈছে। তথাপিও আপোনালোকে কৈছে যে আমি ঋণৰ বোজা মাৰিম। কিন্তু আপোনালোকে ঋণৰ ধাৰ মাৰিব কেনেকৈ? আজি বেংকৰ ধাৰ মাৰিব। কিন্তু কাবুলিৰ পৰা ধাৰ লব। পিচত কাবুলিৰ ধাৰ মৰাৰ কাৰণে ৰাজ্যখনে আৰু অতিৰিক্ত টকাৰ বোজা বহন কৰিব লাগিব। গতিকে এনে ধৰণে চলিবলৈ হলে ৰাজ্য খনৰ অর্থনৈতিক উন্নয়ন হব কেনেকৈ? শক্তি দপ্তৰৰ ক্ষেত্রত ইয়াত কিছু কথা উল্লেখ কৰা হৈছে। শক্তি খণ্ডত অসম ৰাজিক বিদ্যুৎ পৰিষদৰ বাবে ১৯৯৪-৯৫ সময়চোৱাত প্রকৃত অনুমোদিত ব্যয় ১৯১.৬৯ কোটি টকাৰ বিপৰীতে ১৯৯৫-৯৬ সময়চোৱাত ২০২.৯৫ কোটি টকাৰ ব্যয় প্রস্তাৱ কৰা হৈছে। এতিয়া এই টকাটো আপোনালোকে ক'ত খৰচ কৰিব। কাৰ্বিলংপিকে ধৰি নামৰূপ সাৰ কাৰখানা, চেনিকল আদি প্রকল্পবোৰ আপোনালোকে ইতিমধ্যে ব্যক্তিগত মালিকৰ হাতত তুলি দিছে। গতিকে এই টকা ক'ত খৰচ কৰিব তাৰ কোনো স্পষ্ট ব্যৱস্থা ইয়াত উল্লেখ কৰা হোৱা নাই। আজি সুৰমশিৰি প্রকল্পটো কেন্দ্রীয় চৰকাৰলৈ চায় থাকোতে কোনো কাম হোৱা নাই। সেই প্রকল্পটো যদি অসম চৰকাৰে চেলেঞ্জ হিচাবে

কৰিব পাৰিলে হেতেন। কিন্তু সেই বিষয় বোৰৰ কোনো কথাই বাজেটত উল্লেখ হোৱা নাই। আজি বিধবা নিঃকৰা মহিলা সকলক মাহে ১০০ টকা দিয়াৰ ক্ষেত্ৰত আমি বাধা দিয়া নাই। কিন্তু ইন্দিৰা আবাস যোজনাৰ জৰিয়তে যিবোৰ ঘৰ নিৰ্ম্মান কৰা হৈছে তাত মানুহ থাকিব নোৱাৰে। এনে ধৰণৰ ঘৰ নিৰ্মান কৰোতে হয়তো বিহাৰ বা অন্য ৰাজ্যত কম খৰচ পৰিব পাৰে। কিন্তু অসমৰ নিচিনা ঠাইত সেই টকাৰে বিহাৰ আদি ৰাজ্যৰ লেখীয়া ঘৰ নিৰ্ম্মান কৰিব নোৱাৰে। গতিকে এই টকাটো ধাৰ্য্য কৰোতে কেন্দ্ৰীয় চৰকাৰৰ লগত অসমে কিবা এটা সিদ্ধান্ত কৰি লব লাগিছিল। আজি শিক্ষা বিভাগৰ ক্ষেত্ৰতো বাজেটত কিছু কথা কোৱা হৈছে যদিও প্ৰাইমেৰী এডুকেচনৰ ক্ষেত্ৰতে হওক বা হায়াৰ এডুকেচনৰ ক্ষেত্ৰতে হওক শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে কোনো নতুন পদক্ষেপ হাতত লব পৰা নাই। বহুতো চৰকাৰী মহাবিদ্যালয়ত প্ৰেক্তিকেলৰ কাৰণে ৰাসায়নিক দ্ৰব্যৰ যোগান ধৰিব পৰা নাই। তাৰ বাহিৰেও আজিলৈকে বহুতো ঠাইত পাঠ্য পুথিৰ যোগান ধৰিব পৰা নাই। মই অলপতে এখন প্ৰাইমেৰী স্কুললৈ গৈছিলো। তাত এটা টেপ ৰেৰ্কডাৰ পায় সেইটোৰ চুইচটো দিয়াৰ লগে লগে এটা অংশ খুলি পৰিল। গতিকে এইটো হৈছে বস্তুৰ নমুনা। এইবোৰ কেন্দ্ৰীয় চৰকাৰৰ আচনিৰ অধীনত যদিও আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত কিয় আপত্তি দৰ্শাব পৰা নাই।

অধ্যক্ষ ডাঙৰীয়া, উদ্যোগৰ উন্নয়নৰ কাৰণে চাবচিডিৰ বিষয়টো এটা গুৰুত্বপূৰ্ণ বিষয়। কিন্তু আজি ক্ষুদ্ৰ উদ্যোগ বিলাকক চাবচিডিৰ পৰা বঞ্চিত কৰা হৈছে কিন্তু নেচনেল ইণ্ডাষ্ট্ৰিয়েলাইজেচন পলিচি মতে আপোনালোকে ক্ষুদ্ৰ উদ্যোগ বিলাকক বেছিকৈহে চাবচিডি দিব লাগিছিল। স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ ক্ষেত্ৰতো

আপোনালোকে বিশেষ ব্যৱস্থা লোৱা দেখা নাযায়। আজি বহুতে হস্পিতেলত ঔষধ নাই, নার্চ নাই আৰু ডাক্তৰ নাই। ইফালে আপোনালোকে ২০০০ চনত সকলোৰে বাবে স্বাস্থ্য বুলি ৰাইজৰ আগত প্রচাৰ কৰি ফুৰিছে।

পানী যোগানৰ ক্ষেত্রতো আপোনালোকে এটা কথা কৈছে যে প্রত্যেকজন বিধায়ককে ৬০ টা কৈ টিউবওৱেল দিয়া হব বুলি। কিন্তু এতিয়া আমি খবৰ কৰি জানিব পাৰিছো যে এই বছৰ মাত্র ২/৩ টা মানকৈহে দিব পৰা হব। সেই কাৰণে আপোনালোকে এটা কথা স্পষ্টকৈ কওক। এফালে কৈছে আমি যিমান টকা বিচাৰিছো সিমান টকা পাইছো। কিন্তু আকৌ কৈছে ঋণৰ বাবে কাটি ৰখাৰ কথা। গতিকে কোৱাটো সত্য? আজি গুৱাহাটীৰ বেছিভাগ ঠাইতে খোৱাপানী নাই। পানী যোগানৰ বাবে এখন আচনি হাতত লোৱা হৈছিল যদিও সেইখন সম্পূর্ণ কৰিব পৰা নাই। সেইদৰে পথ উন্নয়ন আৰু গাওঁ উন্নয়ন আদিৰ ক্ষেত্রত বহুতো কথাই কব লগা আছে। কিন্তু সেই আটাইবোৰ এতিয়া মই কবলৈ সময় নহব। আজি পিচপৰা লোক সকলৰ উন্নয়নৰ কাৰণে চৰকাৰে কি কৰিছে? অস্ত্রবীশ লাহিৰীয়ে কাম নকৰাকৈ ১০ কোটি টকা কেনেকৈ উলিয়াই নিলে? আলফাৰ একটিভিটি ৰোধ কৰাৰ কাৰণে এই চৰকাৰে যথেষ্ট টকা পাইছে। কিন্তু সেই টকাবোৰ কেনে ধৰণে খৰচ কৰিছে? আজি প্রকৃত আলফাতকৈ চাৰেণ্ডাৰৰ সংখ্যা বৃদ্ধি পাইছে। এই বিষয়ে মই অলপতে এজন পুলিচ বিষয়াক সোধাত তেওঁ কলে - পলিটিকেল প্রেচাৰৰ কাৰণেও আমি চাৰেণ্ডাৰৰ লিষ্টত কিছুমান নাম সুমোয়াই দিব লগা হৈছে। গতিকে এনে বিষয়বোৰৰ ক্ষেত্রত এটা স্পষ্ট নীতি থাকিব লাগে। পার্বত্য অঞ্চল উন্নয়নৰ ক্ষেত্রতো কিছু কথা উল্লেখ কৰিছে যদিও এইবিলাকৰ কোনো স্পষ্ট নীতি নাই। তাৰ বাহিৰেও মুক্তি যুজাকৰ বিষয়টো এটা চাব লগীয়া বিষয়।

বহুতো ক্ষেত্রত দেখা গৈছে যে প্রকৃত যুক্তি যুজাকৰে কোনো সাহায্য পোৱা নাই কিন্তু নাপাবলগীয়াই পাইছে। আৰু এটা কথা হৈছে— এম, এচ, এফ, ডি, চি, সম্পৰ্কত। এই বিত্তীয় প্ৰতিস্থানটোৱে ৰাজ্য চৰকাৰলৈ এখন চিঠি লিখিছে — — —

Notional Scheduled Castes & Scheduled Tribes Finance and Development Corporation. DO letter No. NSFDC/PRO/ASM/dated March 2, 1995 from Shri B.R. Basua, Chairman cum Managing Director.

Kindly refer to our discussion yesterday regarding various pending issues with respect to the Assam State Scheduled Castes Development Corporation (ASCDC) and Assam Plains Tribes Development Corporation.

During the discussion, I recalled the decisions arrived at in my meeting with your Chief Secretary on November 17, 1994 where in the Finance Secretary and yourself were also present and pointed out that no action has been taken so far on the decisions arrived. As agreed, the Govt should have directed the ASCDC to return the entire unutiiised amount to the NSFDC and to pay penal interest as already communicated by NSFDC.

As no action has been taken so far by your Govt. I am constrained to advicse you, as was mentioned to you yesterday. that unutilised NSFDC

funds and the penal interest already raised on the corporation (Rs. 36.71 lakhs) as on 30.9.94 should be sent to us on or before March 15, 1995 failing which we shall—

1) cancel all the sanctioned schemes to ASCDC except those covered under the State Govt. guarantee amount of Rs. 75,425 lakhs, and

2) take up the matter with Ministry of Welfare Govt. of India to adjust be above amounts from the Share capital Special Central Assistance to SCP to the State.

এতিয়া ৰাজ্য চৰকাৰে এই টকাখিনি খৰচ নকৰি পেলাই থোৱাৰ কাৰণে সুদসহ টকাখিনি ঘুৰাই দিবলগা হব।

আজি পইচা খৰচ নকৰে, কাৰণ সুদ সহ ঘুৰাই দিব লগা হৈছে। হোম মিনিষ্ট্ৰিৰ ৰিপোৰ্টত আছে চেকেণ্ড ক্লচ মডাৰনাইজ কৰিলেহেতেন। প্ৰথমতে তেখেত সকলে ইউটিলাইজেশ্বন চাৰ্টিফিকেট দিব পাৰিলেহেতেন, কিন্তু আজিলৈকে দিয়া হোৱা নাই। তেখেত সকলে স্বীকাৰ কৰিছে। মুক্তি যুজাকৰ ক্ষেত্ৰত জিলা ভিত্তিত উৎথাপন কৰিছে, কি হিচাবে কৰিছে—"ভাৰতবৰ্ষক স্বাধীনতা প্ৰদান কৰাত যি সকল মুক্তি যুঁজাকৰে অশেষ ত্যাগ স্বীকাৰ কৰিছে তেওঁলোকৰ প্ৰতি আমাৰ চৰকাৰ অতিশয় সহানুভূতিশীল। সেই সকল মুক্তি যুঁজাকক বেছি ভাগেই আৰ্থিক দৈন্যভাত দিন অতিবাহিত কৰিছে। তেওঁলোকক চৰকাৰী নীতি প্ৰণালী অনুযায়ী সাহায্য দিয়াৰ প্ৰস্তাৱ উৎথাপন

কৰিলো।" এই ক্ষেত্ৰত এতিয়ালৈকে কিয়া সিদ্ধান্ত লব পৰা নাই, কি প্ৰস্তাৱ আছে? কিয় কব পৰা নাই? দশম वित्त আয়োগক প্ৰশংসা কৰিছে, ময়ো প্ৰশংসা কৰিলোহেতেন তেতিয়াহে, যদিহে অসম চৰকাৰে ইমান শতাংশৰ পৰা সেইটো নাইকীয়া কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক কলেহেতেন। वित्त মন্ত্ৰীয়ে পৰামৰ্শ দিছিল, তেওঁলোকে যদি কিবা কৰিলেহেতেন বিত্ত আয়োগক প্ৰশংসা কৰিলোহেতেন। দশম বিত্ত আয়োগৰ যি বিপোৰ্ট বাইজে আনিব পৰা নাই।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, কৃষি বিশ্ববিদ্যালয় বা বাকী দুখন বিশ্ব-বিদ্যালয়ৰ কথাকে কওঁক কৃষি বিশ্ববিদ্যালয়ৰ গবেষনাৰ টকা নাইকীয়া হৈছে, মেম্বাৰ সকলে কম টকা পাইছে। কৃষি বিশ্ববিদ্যালয়ৰ গবেষনাৰ ফলত কিবা হৈছে নে? গাওঁৰ জনসাধাৰণ, কৃষক জনসাধাৰণৰ উপকৃত কৰিব পৰা নীতি গ্ৰহন কৰিব পৰা নাই। তাক গ্ৰহণ কৰিব নোৱাৰাৰ কাৰণে সেইটো ৰূপায়ন হব পৰা নাই। বাজেট বক্তৃতাত वित्त মন্ত্ৰী মহোদয়ে প্ৰতি বিভাগৰ কথা উল্লেখ কৰিছে যদিও এই কথাটো ইয়াত স্পষ্ট ভাবে নাই। কৃষি বিশ্ববিদ্যালয়ক কোৱা হৈছে কৃষি ক্ষেত্ৰত সামৰি লোৱাৰ কাৰণে সেইটো হোৱা নাই। উৰ্ব্বিব্যাৰ লগত যি যোগাযোগ কৰা হৈছে সেইটো ইয়াত স্পষ্ট ভাবে নাই। গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ব-বিদ্যালয়ৰ অর্থনৈতিক অৱস্থাৰ কথা আপোনালোকে জানে, এই অৱস্থা নাইকীয়া কৰিবৰ কাৰণে শিক্ষা বিভাগ কি ব্যৱস্থা হাতত লৈছে? সেইটো স্পষ্ট ভাবে নাই। অসমৰ চাহৰ পৰা ৭/১২ শ কোটি টকা অহা বুলি কৈছে কোনোবাই। খাদ্য শষ্য অন্যান্য ৰাজ্যৰ পৰা আহে কোনো আচঁনিত শতকৰা ১০/১১/১৫ ভাগ লৈছে তেনেকুৱা আচঁনিৰ স্পষ্ট ভাবে ইয়াত উল্লেখ কৰিব পৰা নাই। ৰাজ্যিক পৰ্যায়ৰ যিবিলাক কাম হাতত লৈছে সেই বিলাক হোৱা নাই, সেইটো দাবী কৰিব নোৱাৰি।

ফৰেষ্ট ডিপার্টমেন্টৰ ২৩৫ কোটি টকাৰ কাঠ কাটি পেলাইছে, কাঠ ডিচপোজ কৰাৰ কাৰণে কি ব্যৱস্থা হাতত লোৱা হৈছে, তাৰ অসম চৰকাৰে কিমান ৰয়েলটি পায় ? অৰুণাচল চৰকাৰে এটা নীতি হাতত লৈছে যে ২১ হেক্টৰ মাটিত প্লেনটেচন কৰিব লাগিব, তেতিয়াহে মেচিঅৰ্দ কাঠ কাটিব পাৰিব। অসম চৰকাৰৰ তেনে কুৰা কোনো নাই। বন ধ্বংশ কৰাৰ কাৰণে কেইজন মান বন বিষয়াক চাচ্‌পেন কৰিছে এইটোৱে দাবাই সমস্যাৰ সমাধান নহয়। এই ক্ষেত্ৰত একে উত্তৰ দিয়া আন কেইজন মান বিষয়াক শ্ব কজ নটিচ দিয়া হৈছিল যদিও চাচ্‌পেন কৰ নাই। বিভাগৰ বুজা বুজি হল নেকি, এইটো নহলেও তেওঁলোকৰ ক্ষেত্ৰত ক্ষেত্ৰত যি কৰিছে তাত যথেষ্ট সন্দেহৰ অৱকাশ আছে। বিত্ত মন্ত্ৰী ডাঙৰীয়াই বাজেট বক্তৃতাত ভালেমান কথা কৈছে, আজি বাতৰিত ওলাইছে, বাতৰিত ওলাইছে, বাতৰিত ওলোৱা আৰু বাজেটৰ ফিগাৰ একেই, মিলি যায়, কিমান বেলেন্স আছিল সেইটো ওলাইছে, গতিকে বাজেট লিক্ হৈছে। কিছুমান ফিগাৰ কাটি হাতেৰে বহুৱাই দিয়া হৈছে হাতেৰে লিখি ফটোষ্টেট কৰি চাৰকুলেট কৰা হৈছে, এইটো অসম বিধান সভাৰ ইতিহাসত নজিৰ নাই। বেচৰকাৰী বাছৰ ভাড়া বঢ়াৰ কথা কোৱা হৈছে, টয়াৰৰ ওপৰত বিত্ত মন্ত্ৰী মনমোহন সিঙ ডাঙৰীয়াই শতকৰা ৭ ভাগ বঢ়াইছে, ইয়াৰ লগে লগে পৰিবহণৰ খৰছো বাঢ়িব. বস্তু বিলাকৰ দাম নাবাঢ়িব নে ? গুৱাহাটী-ডিব্রুগড়-শিৱসাগৰলৈ যোৱা বাছৰ ভাড়া বাঢ়িব, তিনিচুকীয়া, যোৰহাট, আদিলৈ যোৱা বস্তুৰ দাম বাঢ়িব। এই কথা তেখেতে তিনি পৃষ্ঠাত স্বীকাৰ কৰিছে। ১৯৯৪ চনতো ৰাজ্যখনত মূল্যৰ বৰ্দ্ধিত গতি অব্যাহত থাকে, ১৯৯৪-৯৫ চনত এইটো থাকিব, ইয়াৰ কোনো ব্যৱস্থা নাই। পে-কমিশ্বনে যিমানে নকৰক কিয় যদি তিনি টকাৰ পৰা ৮/৯ টকালৈ বস্তুৰ

দাম বাঢ়ি যায় তেতিয়া কর্ম্মচাৰী সকলে দাবী উত্থাপন কৰিবই। কাৰণ পে-কমিশ্বনে দিলেও তেওঁলোকৰ মতে হোৱা নাই। যদি মূল্য বৃদ্ধিৰ মান স্থিৰে থাকে চৰকাৰ লাভবান হব, কিন্তুই কেতিয়াও হব নোৱাৰে। এইটো সুস্পষ্ট হৈ পৰিছে। চাহ ব্যৱসায়ী সকলক বেহাই দিছে, বজাৰে ভাল হৈ গৈছে, এনে স্থলত চাহিদা পুৰণ কৰিব নোৱাৰ কাৰণ কি। চাহৰ উৎপাদন বাঢ়ি গৈছে, ৰাচিয়াত বজাৰ বেয়া হোৱা বুলি কব পাৰি এগ্রিকেলচাৰত ১০৫ কোটি টকা পাইছে। ১৯৯৪-৯৫ চনত ৩৫ কোটি টকা গৈছে। বানপানী সমস্যাৰ ক্ষেত্রত উন্নয়নৰ কাৰণে কোনো স্পষ্ট নীতি দাঙি ধৰিব পৰা নাই।

মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্রীয় চৰকাৰে যি খন বাজেত প্রেচ কৰিছে তাত পেট্রক জাতীয় সামগ্রীৰ দাম বাঢ়িছে। ইয়াৰ প্রভাব অসমত বাকৈকৈয়ে পৰিব। কাৰণ তেলৰ দাম বাঢ়িলে পৰিবহনৰ খৰচ বাঢ়িব। ফলত বাহিৰৰ পৰা অসমলৈ অহা বস্তুৰ দাম বাঢ়িব। আমাৰ বাজেট যদিও এষ্টিমেতেদ বাজেত তাৰ তাৰতম্য ঘটিছে। ইয়াৰ ফলত অকল জনসাধাৰণে ক্ষতিগ্রষ্ট নহয় চৰকাৰৰ পক্ষও ক্ষতিগ্রষ্ট হব। চৰকাৰী গাড়ীৰ এক্সপেণ্ডিচাৰ বাঢ়িব। এষ্টিমেতেদ কষ্ট বাঢ়িব আৰু এই এক্সপেণ্ডিচাৰ বাঢ়ি গৈ থাকিব। ইয়াৰ ফল পিচলৈ পৰিগনিত হব। এই বাজেতখনে যি আশাৰ বেঙনি আনিব লাগিছিল অসমৰ জনসাধাৰণৰ কাৰণে সেই আশাৰ বেঙণি আনিব নোৱাৰিলে। কাৰণ বাজেতখন এটা বাজনৈতিক ব্যৱসায় হৈছে। নিৰ্ব্বাচনমুখী বাজনৈতিক ব্যৱসায়। অসমৰ অর্থনৈতি প্রতি-চ্ছবিখন ইয়াত সম্পুর্ণ ভাৱে প্রতিফলিত কৰিব পৰা নাই। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া আহিছো ডুটকীয়া চাউলৰ কথালৈ। ডুটকীয়া চাউল জনমুৰি ১৫ কে, জি কৈ দিয়া হব বুলি প্রথমতে কোৱা হৈছিল।

কিন্তু প্রতিটো পৰিয়ালক সপ্তাহতহে এই চাউল দিয়া হৈছে। গতিকে ইয়াৰ বহুত পার্থক্য হৈছে। সেই কাৰণে কৈছো আনুষ্ঠানিক বিত্ত নিয়োগৰ ক্ষেত্রত মূল্যমান স্থিৰ ৰখাৰ ক্ষেত্রত ব্যর্থ হৈছে। আৰু ইয়াৰ ফলত আমাৰ ৰাজ্যখন অর্থনৈতিক ভাবে খতিগ্রষ্ট হব। মাননীয় অধ্যক্ষ মহোদয় এইটো নাইকীয়া কৰিবৰ কাৰণে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে তাৰ কোনো স্পষ্ট আভাষ নাই। অধ্যক্ষ মহোদয় আমাৰ বিত্তমন্ত্রী মহোদয়ে যি খন বাজেত উথাপন কৰিলে তাত সমর্থম থাকিলেও সমর্থন কৰিব নোৱাৰো কাৰণ আজি আমাৰ ৰাজ্য খনৰ যি অৱস্থা হৈছে তাৰ উন্নতি আৰু প্রতিকাৰৰ ব্যৱস্থা এই বাজেটত নাই। ১৯৯৫-৯৬ চনৰ বাজেতখন হ'ল এক ৰাজনৈতিক আৰু নির্ব্বাচন মুখী বাজেত। ইয়াকে কৈ মোৰ ব্যক্তব্যৰ সামৰণি মাৰিলো।

* শ্রী দিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, আমি নেচনেল হাইৱেৰে গৈ থাকোতে চাংচাৰীৰ ওচৰত থকা ৰেলৱে ক্রচিংত দেখিলো যে তাত থকা ৰেলৱে ক্রচিংৰ চেক পোষ্টটো অতি বেয়া। কেতিয়াবা গাড়ী গৈ ৰেল লাইনৰ ওপৰত এক্সিডেণ্ড হোৱাৰ সম্ভৱনা আছে। গতিকে অধ্যক্ষ মহোদয়, ৰেলৱে বিভাগৰ লগত আলোচনা কৰি ইয়াৰ কিবা এটা ব্যৱস্থা কৰিব নেকি।

* শ্রী নজমুল হক : মাননীয় অধ্যক্ষ মমোদয়, ১৯৯৫-৯৬ চনৰ বাবে অসম চৰকাৰৰ বিত্তমন্ত্রী মহোদয়ে যি বাজেট দাঙি ধৰিছে তাৰ ওপৰত মই কেইটামান কথা কবলৈ বিচাৰিছো। অধ্যক্ষ মহোদয়, বাজেটখনত ঘাটি মঞ্জুৰী দেখুৱা হৈছে। ৰাজ্যিক পুজি ১ হাজাৰ ৫৩ কোটি টকা। ইয়াত

---

* Speech not Corrected

পাচ হাজাৰ সাতাইচ কোটি টকা কৰ পৰা কি ভিত্তিত আহিছে। কেন্দ্ৰীয় চৰকাষৰ অনুদান আৰু ঋণৰ পৰা আহিব পাৰে আৰু সেই টকা সম্পৰ্কত আপোনালোকেও জানে। টকা যি আহে কেন্দ্ৰীয় চৰকাৰে আগৰ ঋণ কাটি ৰাখে গতিকে চৰকাৰে বাধ্য হৈ বিভিন্ন বিত্তীয় প্ৰতিস্থানৰ ওচৰত ভিক্ষা মাগিবলৈ যাব লাগে। নহলে এই বাজেটত ধাৰ্য্য কৰা বিভিন্ন বিত্তব্যয় বানপানী আদিৰ সমস্যা সমাধা কৰিব নোৱাৰিব। বাজেতত যি আয় থাকিব লাগে এই বাজেতত সেইটো নাই। বিশেষকৈ চাহৰ ক্ষেত্ৰত দেখা গৈছে যে অসমত চাহৰ উৎপাদন বাঢ়িছে। লাখ লাখ টকা অসমৰ বাজহ সোনাই গৈছে। ইয়াৰ ফলত ৰাজ্য চৰকাৰে ৰাইজৰ কাৰণে ডাঙৰ ডাঙৰ উন্নয়নমুলক কাম কৰিব পৰা নাই। কিন্তু চাহ বাগানৰ মালিক সকলৰ ওপৰত ধাৰ্য্য কৰা কৰ কমি গৈছে। সেই কৰ বাঢ়িব লাগে। কিন্তু প্ৰতি বছৰে ৰাজাখনত কৰৰ পৰিমান ফলত ৰাজাখনৰ উন্নয়ন মূলক কামত বাধাগ্ৰস্ত হৈছে। অধ্যক্ষ মহোদয়, অসমত যথেষ্ট পৰিমানৰ কয়লা উৎপাদন হয়। অসমৰ বাহিৰেও আয় আন ৰাজ্যত কয়লা আছে। তাতো যথেষ্ট কয়লা উৎপাদন হয়। কয়লাৰ ওপৰতো টেক্স আছে। নৰ্থ ইষ্টত যিমানখিনি কয়লা উৎপাদন হয় সেই সকলো বিলাক অসমৰ মাজেদি যাব লাগিব। দুৰ্ভাগ্যজনক বিষয় যে অসম চৰকাৰে কয়লাৰ ওপৰত বহুওৱা টেক্স আদায় কৰিব পৰা নাই। উদাহৰণ স্বৰূপে কৰ খোজা অসম চৰকাৰে কয়লাৰ পৰা যিমান টেক্স পায় তাৰ পৰা চাল্‌ফাই বেচি পায়। বাইহাটা চাৰিআলীৰ পৰা যোগী-ঘোপালৈ যোৱা কয়লাৰ ওপৰত অত্যাচাৰ চলিছে। প্ৰাক্তন বাজিক মন্ত্ৰীয়ে গোৱালপাৰৰ ওচৰত এখন চেক গেট বহুৱাইছিল। তাৰ পৰা ৩৫০ লাখ টকা আহিছিল। কিন্তু চৰকাৰৰ দূৰ্ব্বুদ্ধি আহিল তেখেতৰ মন্ত্ৰলয়ত হেৰাল আৰু সৰযন্ত্ৰ কৰি সেই গেট উঠাই দিছে।

তাৰ পৰা চালফাই টেক্স আদায় কৰিছে। গতিকে এই ক্ষেত্ৰত চৰকাৰ সজাগ হব লাগে আৰু টেক্স আদায় কৰিব লাগে। বিভাগ যদি দুৰ্নীতি মুক্ত নহয় তেতিয়াহলে চৰকাৰে ৰাজ্য চলাব নোৱাৰিব। গতিকে বিভিন্ন বিত্তিয় সংগঠনৰ উপৰিও চৰকাৰী প্ৰশাসন যন্ত্ৰ সথিকভাৱে পৰিচালিত কৰিব লাগিব যাতে টেক্সৰ টকা ৰাজহত যমা হয়। মুল্য বৃদ্ধিৰ সম্পৰ্কত বাজেত নিমাত। মূল্য বৃদ্ধি ৰোধ কৰাত চৰকাৰ ব্যৰ্থ হৈছে। স্বাধীনতাৰ আগত কৰ্মচাৰী সকলে যি বেতন পাইছিল তাতকৈ এতিয়া বহুত বেছি পায়। দুটকাৰ চাউল এতিয়া পাচ টকা হৈছে। বস্তুৰ দাম ইমান দ্ৰুতগতিত বাঢ়ি গৈছে যে এই মুল্য বৃদ্ধি এটা পগলা হাতীৰ নিচিনা হৈছে চৰকাৰে ৰোধ কৰিব পৰা নাই। শিক্ষা বিভাগত বাজেতত টকা ধৰা হৈছে। কিন্তু শিক্ষা বিভাগত যথেষ্ট দুৰ্নীতি চলিছে। কিন্তু বাজেতত ইয়াৰ কোনো উল্লেখ নাই। শিক্ষা বিভাগৰ চাকৰীত ৪০-৫০ হাজাৰ টকা দিবলগীয়া হৈছে। ইয়াৰ কাৰণে ঘৰ মাটি আদি বিক্ৰী কৰিবলগা হৈছে। এই টকাটো চাকৰীৰ নামত নিদি চৰকাৰী হেডত দিলে চৰকাৰ লাভৱান হব। বিৰোধী দলৰ মাননীয় সদস্য সকলে মাত্ৰ সমালোচনা কৰিছে। এই-বিলাক সম্পৰ্কত পৰামৰ্শ দিব খুজিছো।

মাননীয় উপাধ্যক্ষ মহোদয় বৰ্ত্তমান চৰকাৰৰ অধীনত যিমান চাকৰি-বাকৰি বিক্ৰী হৈআছে, দুখীয়ামানুহ খিনিয়ে তাৰ পৰা যাতে সকাহ পাই তালৈ যাতে চৰকাৰে চকু দিয়ে, চাৰ, আৰু এটা কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ, সেইটো হৈছে আমাৰ স্থায়ী ৰাজ-ধানীৰ সম্পৰ্কে। আমাৰ ৰাজ্যৰ ৰাজধানী আজিও অস্থায়ী হৈয়ে থাকিল। আজি ২৫ বছৰেও স্থায়ী ৰাজধানী নোহোৱাটো বৰদুখৰ বিষয়। আগতে যিখন ওৰেৰ হাউচ আছিল বৰ্ত্তমান তাতেই বিধান সভা আৰম্ভ কৰা হৈছিল। আজিলৈকে স্থায়ী ৰাজধানী নহ'ল।

আমি নিজেই আধাৰশিলা স্থাপন কৰি ইয়াক যদি সম্পূৰ্ণ কৰিব-নোৱাৰোঁ, এইটো ইৰ্জ্জতৰ কথাহৈ পৰিছে আৰু এটা বিষয়ৰ প্ৰতি মোৰ দৃষ্টি আকৰ্ষণ, হৈছে, সেইটো হৈছে এইবাৰ বাজেটত যি ৩ শ ৮৫ কোটি ঘাটি দেখুওৱা হৈছে। তাৰ পৰা ধাৰণা হয় যে এই ঘাটি পূৰাবৰ কাৰণে চাৰপ্লাস্ বাজেট পাছ কৰিবৰ কাৰণে প্ৰতি মাহে বৈঠক বহুৱাব লাগিব। নহলে ঘাটি পূৰণ কৰিব নোৱাৰিব। তাৰো পৰিস্থিতি বিভিন্ন শিতানৰ পৰা উন্নয়ণৰ কাৰণে কোটি কোটি টকা অনা হৈছে। আমাৰ ৰাজ্যত ২ কোটি, ৫ লাখ দুখীয়া মানুহ আছে। এই সকলোৰে কাৰণে বহু হেজাৰ কোটিৰ টকাৰ প্ৰয়োজন। তাৰোপৰি, কেন্দ্ৰীয় চৰকাৰেও নানা শিতানত কোটি কোটি টকা দিছে। আটা-ইতকৈ ডি, আৰ, ডি শিতানতেই বেছি টকা আছে। কিন্তু এই বিভাগতেই দুৰ্নীতি সোমাই থকা দেখা যায়।

মাননীয় অধ্যক্ষ : সময়ৰ প্ৰতি খিয়াল ৰাখিব। এনেকৈ যধে-মধে কথা কব নোৱাৰে।

* শ্ৰী নজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, মই আৰু এটা বিষয়ত কব বিচাৰিছো সেইটো হৈছে, চৰ' ডেভেলপমেণ্ট অথৰিটিৰ সম্পৰ্কত। এই শিতানত যি টকা সংখ্যালঘু লোক সকলক দিয়া হৈছে, তাৰে কোনো উন্নয়ন মুলক কাম কৰিব নোৱাৰে। গতিকে ইয়াৰ টকাৰ পৰিমাণ বঢ়াব লাগে। এই অঞ্চলত হস্পিটেল আদি কৰাৰ অসুবিধা আছে। গতিকে এই অঞ্চলত মভিং দিচ্পেনচেৰী কৰাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। কাৰণ বহুতো দুখীয়া জনসাধাৰণ ইয়াত বসবাস কৰি আছে, আৰু সেই দুখীয়া লোক সকলে দূৰৰ হস্পি-টেললৈ আহি চিকিত্সা আদি কৰিব নোৱাৰো।

* Speech not Corrected

অধ্যক্ষ মহোদয়, মই আৰু এটা কথা কব বিচাৰিছোঁ। সেইটো হ'ল কৃষিৰ ক্ষেত্ৰত। কৃষিৰ ক্ষেত্ৰত প্ৰধানকৈ জলসিঞ্চন আৰু বিদ্যুতৰ সু-ব্যৱস্থা নহলে কৃষিৰ উৎপাদনত সুফল পাব নোৱাৰে। আজি অসমৰ বহুতো পিছপৰা অঞ্চলত প্ৰায় ৪০ শতাংশতেই হাৰগেচন চিষ্টেম হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমত চাৰপ্লাচ্ ষ্টেট কৰিব লাগে। গতিকে ইয়াৰ কাৰণে জলসিঞ্চন, বিদ্যুৎ আৰু কৃষিৰ উন্নয়ণ সাধন কৰিব লাগে। সেইটো বৰ্ত্তমান চৰকাৰৰ দায়িত্ব হ'ব লাগে। তাৰ কাৰণে চৰকাৰৰ ওচৰত মই দাবী উত্থাপন কৰিলোঁ। ইয়াকে কৈ মোৰ বক্তব্য সামৰনি মাৰিলোঁ।

Mr. Speaker : As decided, the House will sit in the afternoon of today from 4.00 P.M. to 7.00 P. M.

I am happy to inform you that a Lunch at 1-30 P. M. today has been arranged in the Shamiana adjacent to the House by the Honourable Deputy Speaker in honour of the Honourable Chief Minister, Ministers, Leader of the Opposition, Ministers of State, all Hon'ble Members of the House, Officers in the Officers' Gallary and Official Reporters. Invitation has also been extended individually.

I take this opportunity to request you all to join in the Lunch.

The House stands adjourned till 4.00 P. M. today.

(The House reassembled at 4-00 P.M. in the afternoon Session with Hon'ble Speaker on the Chair)

Mr. Speaker : Any one who wants to speak ... (after a pause) ... Smti Rupam Kurmi.

* শ্রীমতী ৰূপম কুৰ্ম্মী : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৫-৯৬ চনৰ কাৰণে মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে যি বাজেট সদনত দাঙি ধৰিছে সেই বাজেট আলোচনাত অংশ গ্ৰহণ কৰি মই খুউব চমুকৈ ২-১ টা বিষয় কব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত তথা প্ৰাথমিক শিক্ষাৰ চৰকাৰী কৰণৰ ক্ষেত্ৰত আলোচনা কৰা হৈছে। ১৯৯২ চনত ১২ খন স্কুলক চৰকাৰী কৰণ কৰিবলৈ কোৱা হৈছিল। গভৰ্ণমেণ্টৰ নৰমচ্ অনুসৰি এচ, টি, টি, গাৰ্ডেন এৰিয়া জনগোষ্ঠি এৰিয়া আদিক হৈ স্কুলবোৰক চৰকাৰী কৰণ কৰিবলৈ সুবিধা পালে। যদিও ১২ খন স্কুল চৰকাৰী কৰণ কৰি দিছিল, নৰমচ্ৰ ওপৰত ভিত্তি কৰিয়ে দিছিল। মাননীয় অধ্যক্ষ মহোদয়, বাগিচা বিলাকৰ ২-১ খন স্কুলৰ বাহিৰে বেছি স্কুল চৰকাৰী কৰণ কৰিবলৈ সুবিধা পোৱা নগল। ইতিমধ্যে চৰকাৰে ঘোষণা কৰা মতে টি, গাৰ্ডেন আৰু বৰ্ডাৰ এৰিয়াত থকা সকলোবিলাক স্কুল চৰকাৰীকৰণ কৰিবলৈ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে প্ৰতিশ্ৰুতি দিছিল। যদিও ১৯৯৫ চনত ৭ খন স্কুল চৰকাৰী কৰণ কৰিবলৈ সিদ্ধান্ত ললে সিও চিনিয়ৰ বেচিচত আৰু নৰমচ্ অনুসৰিহে কৰিবলৈ দিয়া হল। চাহ বাগিচাৰ এখন স্কুলেও সেই সুবিধা নাপালে। মাননীয় অধ্যক্ষ মহোদয়, এই বাগিচাবিলাকক যদি আমি সুবিধা দিবলৈ যত্ন নকৰো তেতিয়া আমাৰ চাহ জনগোষ্ঠিৰ লৰা-ছোৱালী সকলক শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত আগবঢ়াই নিব নোৱাৰিম। প্ৰাথমিক স্কুলত পঢ়া লৰা-ছোৱালী বিলাকক দুপৰীয়া লঘু আহাৰ (জলপান) দিবলৈ চৰকাৰে ব্যৱস্থা কৰিছে। বিশেষকৈ খাবলৈ নোপোৱা বাগানৰ কণ কণ লৰা-ছোৱালী বিলাকে স্কুলত

* Speech not Corrected

খাবলৈ পালে তেওঁলোকে স্কুললৈ আহিবলৈ ইচ্ছা কৰিব। সেই কাৰণে মই আমাৰ চৰকাৰক ধন্যবাদ জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যি সকল বৃদ্ধ তথা বিধবা মহিলা আছে তেখেত সকলৰ কল্যাণৰ কাৰণে চৰকাৰে যি টকা ধাৰ্য্য কৰি দিছে, সেই টকা যাতে সঠ্ কামত ব্যৱহাৰ কৰা হয়। হয়তো প্ৰয়োজন হলে আৰু অধিক টকা মঞ্জুৰী দি বিধবা সবলক জীয়াই থকাৰ সুবিধা কণ কৰি দিবলৈ চৰকাৰক অনুৰোধ জনালো। এই এই মাহত্ কামৰ কাৰণে মই চৰকাৰক ধন্যবাদ জনাইছো।

স্বাস্থ্য আৰু পৰিয়াল কল্যাণৰ কথা বাজেটত উল্লেখ কৰা হৈছে। মাননীয় বিত্তমন্ত্ৰী মহোদয়ে এই বিভাগটোৰ কাৰণে যথেষ্ট শকত পুঁজি আগবঢ়াইছে। এই বিষয়ে ১-১ টা জন গোষ্ঠিৰ কথা উল্লেখ নকৰিলেও হব। মাননীয় অধ্যক্ষ মহোদয় যোৱা বছৰ গেষ্ট্রো এন-টাৰাইটিজ বেমাৰত অসমৰ প্ৰায় ৪০০ বো অধিক লোকে মৃত্যু বৰণ কৰিছে। সেইকাৰণে স্বাস্থ্যৰ ক্ষেত্ৰত অসম চৰকাৰে চোকা নজৰ ৰখা উচিত জনগোষ্ঠীৰ কাৰণে বাগিচাত যিবোৰ দৰব পাতি দিয়া হয়, বাগানৰ মালিক সকলে যি পৰিমাণৰ দৰব পাতি যোগান ধৰিব লাগে সেইবিলাক সুবিধাজনক নহয়। বহুত ঠাইত ডাক্টৰ নাৰ্চৰ অভাৱ দেখা পোৱা যায়। ডাক্টৰ আৰু নাৰ্চসকলৰ থকাৰ সুবিধা নাই। বেমাৰী থকা বিচনা পাতিবো ভাল সুবিধাজনক নহয়। গতিকে স্বাস্থ্যৰ প্ৰতি চৰকাৰে যাতে লক্ষ্য ৰাখে আৰু বাগিচাৰ মালিক সকলৰ লগত যোগাযোগ কৰিব লাগে যাতে তেওঁলোকে ভাল সুবিধা কণ শ্ৰমিকক দিয়াৰ ব্যৱস্থা কৰিব পাৰে। চৰকাৰে যদি সময়মতে দৰব পাতি যোগান ধৰে তেতিয়া ৰোগীসকল মৃত্যু মুখৰ পৰা ৰক্ষা পৰিব বুলি মই আশা কৰিলো।

অধ্যক্ষ মহোদয়, ইতিমধ্যে পৰিয়াল কল্যাণৰ দিশত কবলৈ গৈ

মই ভাল পাইছো যে আমাৰ চৰকাৰে পৰিয়াল কল্যাণৰ দিশত যথেষ্ট চিন্তা কৰিছে । বিশেষকৈ এই আচঁনি আৰু কটকটীয়া হোৱা উচিত । কিয়নো বাগানৰ মানুহৰ সংখ্যা দিনক দিনে বাঢ়ি আহিছে অথচ মাটিৰ সীমাৰেখা একেই আছে। সেই কাৰণে চাহ জনগোষ্ঠিৰ পৰিয়ালৰ মাজত সীমিতকৰণৰ ক্ষেত্ৰত চৰকাৰে আৰু কিছুমান টকা ধাৰ্য্য কৰি চাহ জনগোষ্ঠীৰ পৰিয়ালৰ মাজত সিমিত পৰিয়াল ক্ষেত্ৰত প্ৰচাৰ আদি ভালকৈ কৰাৰ ব্যৱস্থা কৰিব বুলি আশা কৰিব পাৰোনে ? ইতিমধ্যে আমাৰ কৃষিৰ কথা সদনত আলোচনা কৰা হৈছে । যোৱা বছৰ প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে আমাৰ অসমত খেতি কম পৰিমাণে হল তথাপিও আমাৰ চৰকাৰে বিভিন্ন জলসিঞ্চনৰ জৰিয়তে যথেষ্ট সা-সুবিধা দি আছে আৰু সেই একে সময়তে আমাৰ খেতিয়ক শ্ৰমিকৰ কাৰণে পাওয়াৰ টিলাৰ আদিৰ উপৰিও অন্যান্য আধুনিক পদ্ধতিৰে খেতি কৰিবলৈ সুবিধা দিয়াৰ ব্যৱস্থা কৰিব লাগে । মই আশা কৰিছো তেনে সা-সুবিধা চাহ জনগোষ্ঠীৰ মাজতো বিতৰণ কৰা হওক আৰু তেওঁলোকৰ কম পৰিমাণৰ মাটিত অধিক শস্য উৎপাদন কৰি অধিক লাভবান হবৰ বাবে সুবিধা কৰি দিব লাগে। আৰু আশা কৰিছো এই ক্ষেত্ৰত আৰু অধিক প্ৰচাৰৰ ব্যৱস্থা বহল ভাবে হাতত লৈ তেওঁলোকক এই বিলাক সুবিধা লোৱাৰ প্ৰতি আগ্ৰহী কৰি তুলিব লাগে ।

অধ্যক্ষ মহোদয়, ইতিমধ্যে সদনত বহুতো লাগতিয়াল কথা আমাৰ ভালেমান মাননীয় সদস্যই আলোচনা কৰিছে। মই এইটো কব বিচাৰিছো যে মমৰ ওপৰত কৰ বেহাই দিয়াটো বৰ ভাল কথা কৈছে কিয়নো আমাৰ ৰাজ্যত কেৰাছিন তেলৰ যি নাটনি চলি আছে তেনে অৱস্থাত আমাৰ দুখীয়া জনসাধাৰণে কম দামত বেহাই মূল্যত মমবাটি জলাব পাৰিব । ইয়াৰ উপৰিও কুমকুম আৰু মঙ্গলসূত্ৰ

ইত্যাদি সামগ্রীও বেহাই মূল্যত দিয়াৰ ব্যৱস্থা এই বাজেটত কৰা হৈছে। এইটো ভাল কথা হৈছে। আমাৰ অসমৰ জীয়ৰি-বোৱাৰীয়ে সকৰ পৰা বয়সস্থ মহিলালৈকে কুমকুম ব্যৱহাৰ কৰে। মহিলা সকলে কুমকুম ব্যৱহাৰ কৰি সৌন্দৰ্য্য বৰ্দ্ধন কৰে। মঙ্গলসূত্ৰ যদিও আমাৰ হয়াৰে অবিজিনেল নাছিল তথাপি অধুনিক যুগত বহুত দেখি দেখি আমাৰ মহিলা সকলেও মঙ্গলসূত্ৰ পৰিধান কৰা দৃষ্টিগোচৰ হৈছে। বিবাহিত মহিলাসকলে বিশেষকৈ মঙ্গলসূত্ৰ ব্যৱহাৰ কৰে। বাজেটত ইয়াৰ ওপৰত কৰ বেহাই দিয়াৰ কাৰণে বিবাহিতা মহিলা সকলৰ বৰ লাভ হৈছে আৰু মই এই সুযোগতে আমাৰ বিত্তমন্ত্ৰী মহোদয়লৈ অসমৰ সকলো মহিলাৰ হৈ ধন্যবাদ জনালোঁ।

(ভইচ : ফ্রি কৰি দিলেই ভাল আছিল।)

অধ্যক্ষ মহোদয়, শিল্পৰ দিশত অলপ কৰ বিচাৰিছোঁ। গোটেই অসমতে উদ্যোগ গঢ়ি উঠাৰ ক্ষেত্ৰত চাহ জনগোষ্ঠীৰ আবেদনো কোনেও নুই কৰিব নোৱাৰে। চাহ জনগোষ্ঠীয়ে দিনে ৰাতিয়ে শ্ৰম কৰি আজি অসমৰ বৃহত উদ্যোগ চাহ উদ্যোগ গঢ়ি তুলিছে। ৰদে ৰৰষুনে কপালৰ ঘাম মাটিত পেলাই হলেও আজি অসমৰ ৰাজভৰাল টনকীয়াল কৰিছে সেই হাচ জনগোষ্ঠীৰ লোক সকল বিভিন্ন প্ৰান্তৰ পৰা আহিলেও আজি অসমকে নিজৰ মাতৃভুমি বুলি গ্ৰহণ কৰিছে। ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা আহি অসমৰ কলাকৃষ্টি সংস্কৃতিকে নিজৰ কৰি লৈছে। আজি চাহ উদ্যোগৰ বিকল্প নাই। অথচ এই শ্ৰমিক সকলৰ কাৰণেই বিভিন্ন বাগানৰ মালিক বা চৰকাৰ লাভৱান হব পাৰিছে। গতিকে এই মজদুৰ ভাই সকলৰ অবদান ৰাজভড়াল লৈ তেনেই কম নহয়।

অধ্যক্ষ মহোদয় এই চাহ জনগোষ্ঠী সকল বিহাৰ, উৰিষ্যা, মধ্যপ্ৰদেশ আৰু অন্ধ্ৰপ্ৰদেশৰ পৰা আহিছে, সেই ঠাইবিলাকতো তেখেত

সকলক চাহ জনগোষ্ঠী হিচাবে উল্লেখ কৰি আহি আছে। অসমত এই সকল চাহ জনগোষ্ঠীক উন্নতি পথক আগুৰাই লৈ যাবলৈ এটা শকত পুঁজি ইতিমধ্যে বাজেটত ধৰা হৈছে। অৰ্থনৈতিক ভাৱে আগুৰাই নিবলৈ যদিও চেষ্টা কৰা হৈছে কিন্তু তেওঁলোকৰ কলা-কৃষ্টি আৰু সংস্কৃতি জানো আগুৰাই লৈ যাব পাৰিছে? মোৰা ১৯৯১ চনত সাধাৰণ নিৰ্ব্বাচনত চৰকাৰে প্ৰতিশ্ৰুতি দিছিল যে চাহ জনগোষ্ঠী সকলক জনজাতি হিচাবে পৰিগনিত কৰা হব কিন্তু আজি ইমান দিনে কি হ'ল আৰু নহ'ল সেই বিষয়ে অসত্য হলেও কিছু কথা মই কব লাগিব। বিগত ১৯৯১ চনৰ নিৰ্ব্বাচনী ইস্তাহাৰৰ প্ৰতিশ্ৰুতি মতে অসমৰ ৫০/৬০ লক্ষ্য চাহ জনগোষ্ঠীক অসমৰ জনজাতিয় হিচাবে পৰিগণিত কৰা কথা আছিল এই চাহ জনগোষ্ঠীৰ লোক সকলে বৰ্ত্তমান চৰকাৰক সমৰ্থন জনাইছিল আৰু তাৰ পৰিপ্ৰেক্ষিততেই আজি চৰকাৰ শাসনত বহিল কিন্তু দুখৰ বিষয় আজি ১৯৯৫ চনৰ ১৭-৩-৯৫ চনৰ তাৰিখলৈকে এই সম্পৰ্কত কোনো সিদ্ধান্ত লোৱা দেখা নগল। ১৯৯১ চনৰ জুন মাহত এই দাবী অনুমোদন জনাব লাগে বুলি দাবী উঠি ছিল আৰু সেই মতে কেবিনেট কমিটি পঠালে কিন্তু ১৯৯৩ চনৰ জুন মাচত দুবছৰৰ পাচত বেষ্ট্ৰং পৰা অসমলৈ এই বিষয়ে স্পষ্টিকৰণ বিচাৰি ওভতাই পঠালে। অধক্ষ মহোদয়, ইতিমধ্যে জুন আৰু আগষ্ট মাহৰ ভিতৰত চাহ জনগোষ্ঠীৰ লোক সকলৰ ওপৰত ৰিচার্চ কৰিবৰ কাৰণে অসমত থকা ট্ৰাইবেল ৰিচার্চ চেণ্টাৰলৈ পঠিয়াইছে। কিন্তু এই ৰিচাৰ্চৰ ৰিপোৰ্ট কেনে ভাবে আহিল বা কি আছিল আমি কব নোৱাৰিলো, গতিকে এই ক্ষেত্ৰত ট্ৰাইবেল ৰিচার্চে কি স্পষ্টীকৰণ দিলে সেইটো আমাক জনাব লাগে। আমাৰ অসমত থকা এই ৫০/৬০ লক্ষ চাহ জনগোষ্ঠীৰ বিষয়টো পুনৰ দয়া দৃষ্টিৰে চাবনে? বৰ্ত্তমান আমাৰ চাহ আৰু প্ৰাক্তন চাহ জনগোষ্ঠিৰ কল্যাণৰ কাৰণে যিটো সঞ্চালকালয় আছে তাত ৫০/৬০

লাখ চাহজনগোষ্ঠীৰ কল্যাণৰ কাৰণে যিমান অৰ্থৰ প্ৰয়োজন সেই অনুপাতে সঞ্চালকালয়ত সিমান টকা আবণ্টন কৰা হোৱা নাই। সেইটো চাফিচিয়েণ্ট নহয়। আমাৰ চাহশ্ৰমিক সকলে সময়তে বিভিন্ন দিশৰ পৰা হেচা পাই আহিছে কিন্তু তেওঁলোকৰ আৰ্থিক সামাজিক আৰু সাংস্কৃতিক দিশত উন্নতিৰ পদক্ষেপ লব পৰা হোৱা নাই। গতিকেই চাহশ্ৰমিকৰ কল্যাণ সঞ্চালকক অধিক পুঁজি বণ্টন কৰিব লাগে। অধ্যক্ষ মহোদয় আপুনি জানে আজি ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত মিজোৰাম, অসম পাঞ্জাব আদি ঠাইত ভয়াবহ আন্দোলনৰ সৃষ্টি হৈছিল কিন্তু এতিয়া সেই আন্দোলনৰ জুই শুকাই গৈছে বা নুমাল কিন্তু আমাৰ চাহ শ্ৰমিক সকলক সাংস্কৃতিক সামাজিক আৰু সাংবিধানিক দিশত বঞ্চিত কৰি ৰখাৰ বিনিময়ত যি আন্দোলনৰ জুই সেই জুই টমি টমি জ্বলি আছে সেই জুই যি দিনা উন্নদিগৰণ হব সেইদিনা কিন্তু ভাৰত মহাসাগৰৰ জলৰাশিয়েও নিৰ্ব্বাপিত কৰিব নোৱাৰিব। এইখিনিকে বক্তব্য ৰাখি মই সামৰণি মাৰিলো।

Dr, Abdul Matin Majumdar : Mr. Speaker sir, while speaking about the Budget proposal I would like to state that in the existing Centre-State financial relation Hon'ble Minister for Finance was compelled to present a deficit Budget. I would rather congratulate him for keeping the Budget deficit within 286 crores which could be made up by cutting down the wasteful expenditure including the fuel consumption of the Government and also by trying to tap the urban resources of earning more revenue. In addition to this, I hope the tenth

Finance Commission award also could cometo the rescue,

Mr. Deputy Speaker sir, agriculture has been stated as most major plank of our economy and the anticipated production of foodgrains has been given as 37 lakhs tonnes in the year 1994-95 as against 35 lakhs tonnes in the previous year. This anticipation cannot be stretched beyond 37 lakh tonnes by a staggering Agriculture Ministry with no imaginative direction, no support either from power or from the Irrigation. Mr. Deputy Speaker sir, we are yet to think seriously how best we can increase our agricultural production in order to reduce our dependence on other States for supply of foodgrains and essential commodities including fish, eggs etc to our state. Mr. Deputy Speaker sir, here is the situation where the constitution of standing Committees or consultative Committees by this August House to be attached to each Ministry is so badly necessary not only for preparation of the budget but also to help and guide the respective Ministry in its proper functioning.

Unless this is done the functioning of each Ministry will remain as stereotyped as before Mr. Deputy Speaker. sir in the Industrial Sector there has been

an allocation of Rs. 41 crores in industries other than village and small scale industries and Rs. 34 crores in village and small scale Industries, though the allocation is small it will give a boost to the development in industry and would help in solving the unemployment problem to some extent. The high priority for education is welcome and the allocation (of Rs. 337 Cross) of Rs. 337 crores would bring about tremendous improvement. The steps taken for provincialisation of High Schools and Junior Colleges, operationalisation of more DIETS and sanction of 8,153 posts of Primary Schools Teachers are definitely a progressive step but the Government must see that in filling up these posts the population pattern of different ethnic groups are properly reflected and rural population should get their proper shere. I am under obligation to say this because I saw in 1991-92, when appointment of L.P, School teachers were made by D.I. of Schools, Silchar 80% of candidates for the posts were appointed from urben areas and 20% from the rural areas with the result that when the boys and girls of the urban areas joined in schools rural of areas,, they hardly served for 2-3 months and then they returned to their

own houses in urban areas where they are drawing their salaries and rural schools are still as understuffed as before. The establishment of a centre for the treatment of AIDS victims nud Governments making over of Rs. 1.00 crore reeeived from Govt. of India to Mother Teres is a welcome gesture, so also welcom the Scheme of opening of 13 CHCS and 50 PHCS in 95-96 in addition to equel numbers which are being opened in 94-95. The Public Health measure like National Malaria Eradication programme, Leprosy Eradication Programme, T.B control programme prevention of blindness etc. are of definite public utility but I am under obligation to say that, uniess supplies of esential Medicines to the hospitals, specially the rural hospitals are improved and unress the Government, by suitable Legislative measuras, completely stops the present system of private medical services run by Government paid doctors the Health care services and family welfare service to the people would remain eye wash and Buakum. Since in the present system maximum beneficiaries are the affluent class and not the poorer sections of the society.

Mr. Deputy Speaker sir it is mentioned in the Governor's address that, in water supply and sani-

tation, Govt. has taken project of 1200 No source Habilation and completion 150 piped water supply schemes and also the maintenence of already functioning piped water supply schemes, such as repair rediggings aud extension of pipe lines, as well as the cost of fuel and the allocation made for this appears to be compáratively small. In roads and bridges Rs. 101 crore has been ear-marked. It is welcome measure on the part of the Govt. The fund earmarked for roads and bridges should be utilised as expenditiously as possible and also for repair of roads and bridges. I would request the Govt. to step in allocation of funds where DRDA does not do justice. I have been in the last year DRDA Cachar omitted taken up two important roads, one TRK road and the other Silchar Jaintapur road which have been life line of Comnucation not only for Barak Valley but also for Manipur. Tripura and Mizoram, in times of devasting flood, from World Bank fund but suggested taking up two most unimportant roads like Udharbund Baskandi road and Silchar-Shillong road via Amoranagar I wouid request the Govt. to take a judicious decision where DRDA fails to do. This

is my point.

Regarding Social Security and Social Service. I would like to state that rice at Rs. 2/ per kg for 15 lakhs families, 5000 urban 'weavers and 25000 Rural weavers' dwelling houses and workaheds, Indira Awash for 8987 famities, KUTHIRJYOTI FOR lakh families, midday meals for school children, widow penssion and pension for old aged farmers are programmes which will compell any detached observer to admit that the Budget presented this your is a Pro-poor one. Only the Budget has been presented in the year preceedieg the Election, so it is Pre-election budget, but it's contents are good.

Mr, Deputy speaker sir, as regards Rural Development. Rs. 480 crores for the rural poor as renliy a very big step and, the of the Rurale would be greatly improved if schemes lihe IRDP. Iewahar Rojgar Yojana and other are gainfully utilised. In the JRY the achievement shonld net only be given in implementation in terms of the percetage of the guantum of work done.

Thank you very much.

Mr. Deputy Speaker : Shri Khiren Borgoyari.

* শ্রী ক্ষীৰেন ৰৱগয়াৰী : মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৯৫-৯৬ চনৰ বাবে যিখন বাজেট বিত্তমন্ত্রী মহোদয়ে দাঙি ধৰিছে সেই বাজেটৰ আলোচনাত অংশ গ্রহন কৰি মই দুআষাৰ কব বিচাৰিছো। বিত্তমন্ত্রী মহোদয়ে ১৯৯৫-৯৬ চনৰ কাৰণে দাঙি ধৰা বাজেটখন ভালকৈ চালি জাৰি চালে দেখা যায় যে, এই বাজেটখনে অসম ৰাজ্যৰ কোনো উপকাৰ কৰিব নোৱাৰিব। মই বিএচি এলেকা সম্বন্ধে কবখোজো যে, এই বাজেটখন আমাৰ বিএচি এলেকাৰ বাবে সমস্যা হব। আমাৰ বাইজে যি ধৰণে আশা কৰিছিল সেইধৰণে কামটো নহব। প্রথমতে মই কব বিচাৰো যে, জলসিঞ্চনৰ ক্ষেত্রত বিশেষকৈ আমাৰ অসমৰ বেচিভাগ মানুহেই কৃষিৰ ওপৰত নির্ভৰ কৰে। বিএচি এলেকাত কৃষিৰ যদি উন্নতি কৰিব লগা হয় তেনেহলে জলসিঞ্চনৰ ব্যৱস্থা ৰাখিব লাগিব। উপাধ্যক্ষ মহোদয়, এই বছৰত বাজেটত জলসিঞ্চনৰ শিতানত যিটো লোৱা হৈছে আমাৰ অসমৰ কাৰণে ৯৮ কোটি ৬৫ লাখ ২০ হেজাৰ টকা ধৰা হৈছে। আৰু বিএচিৰ কাৰণে ধৰিছে ৫ কোটি টকা। আমি যদি গোটেই অসমৰ জলসিঞ্চন ব্যৱস্থাটো চাও তেনেহলে দেখা পাম যে বহুতো আচনি আধকৰা হৈ আছে। বিএচি এলেকাত যি ৫ কোটি টকা দিছে এই টকাৰে আধকৰা কাম শেষ কৰিবনে নতুন আচনি লব? মোৰ চিদলি সমষ্টিতে ৩ কোটি টকাৰ কাম বাকী আছে। তাতে ১॥ কোটিৰো বেচি টকা লাগিব। এনেকুৱা সমস্যা আৰু আছে। সম্পূর্ণ নোহোৱাকৈ থকা বহুতো আচনি আছে। এই বছৰৰ বাজেটৰ পৰা একো আশা কৰিব পৰা নাযায়। দ্বিতীয়তে, কৃষিৰ কাৰণে অসম চৰকাৰে যথেষ্ট কাম কৰিব, ট্রাইবেল এলেকাৰ উন্নতি কৰিব বিএচি এলেকাৰ উন্নতি

* Speech not Corrected

কৰিব বুলি কৈছে। কিন্তু আজিৰ বাজেটে এইটো প্ৰমান কৰে যে, চৰকাৰে বিএচিৰ বাবে কিমান চিন্তা কৰিছে। কৃষিৰ কাৰণে অসমৰ কাৰণে ১৩৮ কোটি ৬১ লাখ ২৪ হাজাৰ টকা ধৰা হৈছে। বিএচিত মাত্ৰ ৭ লাখ টকা দিছে। এই টকাৰে কি কৰিব? সেই কাৰণে আপত্তি কৰিছো যে, এই বছৰৰ বাজেটখন বিএচিৰ কাৰণে সমস্যা হব। বিএচিয়ে যিটো বিচাৰিছে সেইটো পোৱা নাই। বান নিয়ন্ত্ৰনৰ ক্ষেত্ৰত গোটেই অসমৰ কাৰণে ৬৭ কোটি ৯৮ লাখ ২৮ হেজাৰ টক ধৰা হৈছে। এই টকা অসমৰ কাৰণে যথেষ্ট নহয়। বিএচিৰ কাৰণে ১ কোটি ১৮ লাখ টকা ধৰা হৈছে। মই কব বিচাৰিছো যে, বিএচি এলেকাত বান নিয়ন্ত্ৰনৰ কাৰণে জলসিঞ্চনৰ কাম হৈ আছে। ১৯৯১-৯১ চনত আই নদী, সংকোচ নদীৰ বান নিয়ন্ত্ৰনৰ কাৰণে বিলিলাক কাম কৰিছিল সেই কাম কৰা ঠিকাদাৰ সকলে নিজৰ ঘৰৰ পৰিয়ালৰ অলংকাৰ বিক্ৰি কৰি কাম কৰিছিল কিন্তু আজিও পইচা পোৱা নাই। ১ কোটি ১৮ লাখ টকাৰে বিএচিত কি কাম কৰিব? আধকৰা কাম শেষ কৰিবনে নতুন আচনি লব? মই দুখেৰে সৈতে কৈছো যে, এই বাজেট খনৰ পৰা যি পৰিমানে আশা কৰিছিলো সেইটো নহল। ৰাষ্টা আৰু দলঙৰ ক্ষেত্ৰটো শুনিবলৈ পাই সুখী হৈছো যে, আমাৰ পি, দাবলিও, দি মন্ত্ৰীয়ে কথা দিছে যে জুন মাহৰ ভিতৰতে আমাৰ দলংখন সম্পুৰ্ণ হব। দলং সম্পুৰ্ণ কৰিলেই যথেষ্ট নহয়। ৰাষ্টাৰ অৱস্থা এনেকুৱা যে, মে' মাহতে চাইকেল যাব নোৱাৰে। সেই কাৰণে মই কব বিচাৰিছো যে, বিএচি এলেকাৰ বাবে যি ৪ কোটি টকা দিছে আমাৰ বিএচি এলেকাত যিমান ৰাষ্টা সম্পুণ কৰিব লগা আছে সেই টকাৰে কিমানখিনি কাম কৰিব পাৰিব? আজি আমি এইটো চিন্তা কৰিবলগীয়া হৈছে। মই চৰকাৰক কব বিচাৰিছো যে, এই বাজেটখনে অসমৰ কাৰণে যথেষ্ট

কাম কৰিব নোৱাৰিব। মই আৰু বেছি কথা নকও আমাৰ বন্ধু সকলে কব মাত্ৰ বিত্ত মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে বিএচিয়ে যি উদ্দেশ্যৰে অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ লগত চুক্তি কৰিছিল সেইমতে বিএচিৰ কাম যদি সুচাৰুৰূপে কৰিব খোজে তেনেহলে আমাক যি বাজেট দিছে সেই বাজেট যথেষ্ট নহয়। চৰকাৰৰ এটা নীতি আছে গতিকে বিএচিৰ কাৰণে চাপ্লিমেণ্টৰী বাজেট দিয়াৰ বাবে অনুৰোধ কৰিলো। বিত্তমন্ত্ৰী মহোদয়ে চাপ্লিমেণ্টৰী বাজেট বিএচিৰ কাৰণে দিব বুলি আশা কৰি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

Mr. Deputy Speaker : Now Hon'ble member Shri Mohibul Haque.

* শ্ৰী মহিবুল হক : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে যোৱা ২১ তাৰিখে এই পবিত্ৰ সদনত ১৯৯৫-৯৬ চনৰ কাৰণে যি বাজেট উৎথাপন কৰিছে সেই বাজেটৰ ওপৰত বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে বিভিন্ন ধৰণে সমালোচনা কৰি বক্তব্য ৰাখিছে। মই ভাবো যে, তেখেঁত সকলে সমালোচনা কৰিব লাগে বুলিয়েই সমালোচনা কৰিছে। এই সমালোচনা বিলাক গঠন মূলক সমালোচনা হোৱা নাই। বহুতো বিৰোধী দলৰ মাননীয় সদস্যই এই বাজেটখন নিৰ্ব্বাচন মুখী বাজেট বুলি অভিযোগ কৰিছে। তাৰোপৰি তেখেত সকলে এই বাজেট খন জনসাধাৰণৰ কোনো উপকাৰত নাহে বুলি বা উপকাৰত আহিব নোৱাৰে বুলি অভিহিত কৰিছে। বিশেষকৈ দৰিদ্ৰ মানুহৰ কাৰণে এইখন কল্যানমূলক বাজেট নহয় বুলি তেখেতসকলে প্ৰমান কৰিবলৈ চেষ্টা কৰিছে।

* Speech not Corrected

মাননীয় উপাধ্যক্ষ মাহোদয়, বিৰোধী দলৰ সদস্য সকলে জনা উচিত যে আমাৰ যোৱা ৩ টা বছৰত বা এই চলি থকা চতুৰ্থ বছৰত আমাৰ চৰকাৰে ৰাজ্যখনত যিবোৰ উন্নয়নমূলক কাম-কাজ কৰিছে তাৰ প্ৰমাণ দিয়াৰ প্ৰয়োজন নাই এইবোৰ বিৰোধী দলৰ সদস্য সকলে জানেই। সকলো প্ৰমাণ পাইছে। এই বাজেটখন যে দৰিদ্ৰ জনসাধাৰণৰ কল্যাণৰ হকে সম্পূৰ্ণ ভাবে প্ৰস্তুত কৰা হৈছে তাৰ যথেষ্ট প্ৰমাণ এই বাজেটত দেখিবলৈ পাইছো। মাননীয় উপাধ্যক্ষ মহোদয় মই আমাৰ বিৰোধী দলৰ মাননীয় সদস্য সকলক কব খুজিছো যে আমাৰ কংগ্ৰেছ দলৰ প্ৰাক্তন সভাপতি তথা বৰ্তমানৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই ১৯৯১ চনত অসমৰ জনসাধাৰণক যিবোৰ প্ৰতি-শ্ৰুতি দিছিল, সেই আটাইয়োৰ প্ৰতিশ্ৰুতি আখৰে আখৰে পূৰণ কৰা হৈছে। আমাৰ দলপতি, তথা মাননীয় মুখ্যমন্ত্ৰী তথা আমাৰ চৰকাৰৰ চৰকাৰৰ চতুৰ্থ বছৰত, জুন মাহত ৰাইজক দিয়া সকলো প্ৰতিশ্ৰুতি, পূৰণ কৰা হৈছে বুলি আমাৰ দলপতিয়ে সগৌৰবে ঘোষণা কৰিব পাৰিব। মাননীয় বিৰোধী দলৰ সদস্য সকলে নিশ্চয় জানে যে আমাৰ চৰকাৰে ৪ বছৰৰ আগতে যেতিয়া শাসনভাৰ গ্ৰহণ কৰিছিল তেতিয়া ৰাজ্যখনে ৪৩০৯ কোটি টকা ধাৰৰ বোজা মুৰত লৈছিল। উপাধ্যক্ষ মহোদয়, দৰিদ্ৰ জনসাধাৰণৰ কল্যাণৰ, অসমৰ জন-সাধাৰণৰ কল্যাণৰ কাৰণে আটাইতকৈ যিটো বস্তুৰ প্ৰয়োজন সেইটো হৈছে অৰ্থ। যেনেকৈয়ে, যিমান ভাল প্ৰশাসকেই নহওক লাগে ৰাজ্যখনৰ কাৰণে যদি অৰ্থ যথেষ্ট পৰিমানে নেপায় তেন্তে প্ৰশাসনে জনসাধাৰণৰ কাম কৰিবলৈ যথেষ্ট অসুবিধা, তথা বাধাৰ সৃষ্টি হয়। উপাধ্যক্ষ মহোদয়, ১৯৯২ ৯৩ চনৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰিকল্পনা আয়োগে অসমৰ কাৰণে ৯৬৯ কোটি ৭২ লাখ টকা ধাৰ্য্য কৰিছিল আৰু ইয়াৰে ৭৭৮ কোটি ৫৬ লাখ টকা কেন্দ্ৰীয় চৰকাৰে কৰ্ত্তন কৰি ৰাখিছিল।

১৯৯৩-৯৪ চনৰ কাৰণে ১ হেজাৰ ২৭ কোটি টকাৰ ভিতৰত ৭০৬ কোটি টকা কাটি ৰাখিছিল আৰু তাৰ পিচৰ বছৰত ১০৫১ কোটি টকা কাটি ৰাখিছিল ৭৩৪ কোটি ১০ লাখ টকা। কিন্তু উপাধ্যক্ষ মহোদয়, বৰ্ত্তমান বছৰত আমাৰ ৰাজ্যখনে, ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাচত এইবাৰেই অসমতে আটাইতকৈ বেছি টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা আৰণ্টন পাইছে। এইবাৰ কেন্দ্ৰীয় চৰকাৰে কোনো ধন কৰ্তন কৰা নাই, এই সমুদায় ধন ৰাজ্যখনৰ উন্নয়ণৰ কাৰণে খৰচ কৰা হব। এইটো অতি গৌৰৱৰ কথা বুলি মই কব খোজো। উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে আজিলৈকে ২ হেজাৰ ১০১ কোটি ২২ লাখ টকা কেন্দ্ৰক ধাৰ মাৰিছে। সৰ্ব্বমুঠ ৰীণ আছে ৪৩০৯ কোটি ৪৪ লাখ টকা। ইমান খিনি টকা ধাৰ মৰাটো মোৰা ৩ বছৰত আমাৰ চৰকাৰৰ কাৰণে গৌৰৱৰ কথা। উপাধ্যক্ষ মহোদয়, এ, জি, পি দলৰ মাননীয় সদস্য সকলে মনত ৰখা উচিত যে তেওঁলোক শাসনত থাকোতে ৬৩১ কোটি ৬৯ লাখ টকা ধাৰ লগাই গৈছিল আৰু সেই ধাৰ আমাৰ চৰকাৰে মাৰিছে—এইটো অসমৰ জনসাধাৰণৰ কাৰণে গৌৰৱৰ কথা। উপাধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰণৰ কাৰণে কেন্দ্ৰীয় জলসম্পদ বিভাগৰ পৰা ১৯৯২-৯৩, ৯৪ আৰু ৯৫ চনৰ কাৰণে দিছিল ৭৫ কোটি টকা ইয়াৰে আমি মাত্ৰ পাইছিলো ৬ কোটি ৭১ লাখ টকাহে। কাটি ৰাখিছে ৬৮ কোটি ২৯ লাখ টকা। উপাধ্যক্ষ মহোদয়, আজি এনে এটা পৰিস্থিতিত ইমানবোৰ টকা ৰীণ থকা অৱস্থাতো আমাৰ চৰকাৰে মোৰা ৪ বছৰত, আমাৰ চৰকাৰৰ শাসন কাল আৰু এটা বছৰ বাকী থকা অৱস্থাটো ১৯৯১ চনত ৰাইজক দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰিব পাৰিছে।

উপাধ্যক্ষ মহোদয়, মই গৌৰবেৰে ঘোষণা কৰিছো, আমাৰ চৰকাৰে ১৯৯১ চনত দিয়া প্ৰতিশ্ৰুতি আখৰে আখৰে পালন কৰিছে

আৰু এইবছৰ আমাৰ চৰকাৰে খৰচি মাৰি চাব কিবা তুল ত্ৰুটি আছে নেকি। উপাধ্যক্ষ মহোদয়, আমি দায়িত্ব পালনত গুৰুত্ব দিয়া নিদিয়াটো অসমৰ বাইজে বিচাৰ কৰিম। মাননীয় উপাধ্যক্ষ মহোদয়, এটা কথা মোৰ আজি সন্দেহ হৈছে, আমাৰ গণতান্ত্ৰিক ব্যৱস্থাত বিৰোধী দলৰ যি উল্লেখযোগ্য ভূমিকা আছে, সেই ভূমিকা তেখেত সকলে পালন কৰিব পাৰিবনে নোৱাৰে। মই আশা ৰাখিছো তেখেত সকল যাতে আগন্তুক নিৰ্ব্বাচনত ভালে ভালে জিকি আহি এইদৰে বিৰোধী দলৰ আসনত থাকি আমাৰ চৰকাৰক এইদৰে গঠন মূলক সমালোচনা কৰি সহায় কৰিব। উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰ অহাৰ আগতে তেখেতসকলৰ চৰকাৰ আছিল কিন্তু মোৰ সন্দেহ হৈছে, যোৱা নিৰ্ব্বাচনত তেওঁলোকে দিয়া প্ৰতিশ্ৰুতি আৰু দায়িত্ব পালন কৰিব নোৱাৰাৰ বাবে আজি বিৰোধী পক্ষত থাকিব লগীয়া হৈছে। কিছুদিন আগতে মাননীয় সদস্য ডাঃ কমলা কলিতাই এটা কথা কৈছিল যে তেখেতৰ সমষ্টিত ৮ কোটি টকাৰ কাম হৈছে। উপাধ্যক্ষ মহোদয়, ঠিক তেনেদৰে সকলোবোৰ সমষ্টিতে কাম যথেষ্ট পৰিমাণে হৈছে কিন্তু আমাৰ বিৰোধী পক্ষৰ সদস্য সকল নিজ নিজ সমষ্টিলৈ নোযোৱা কাৰণে নিজৰ সমষ্টিৰ লগত যোগাযোগ নৰখা কাৰণে কব পৰা নাই কিমান ভাল কাম হৈ আছে। আমাৰ গণতান্ত্ৰিক ব্যৱস্থাত বিৰোধীদলৰ যিটো ভূমিকা মই দেখিছো তেখেত সকলে বিৰোধী পক্ষৰ ভূমিকা সঠিক ভাবে পালন কৰিব পৰা নাই। যাৰ কাৰণে মোৰ ভয় হৈছে ইয়াৰ পিচত তেওঁলোকে বিৰোধী হৈয়ো আহিব নোৱাৰিব। কিন্তু আমি বিচাৰো তেওঁলোক অহাৰ বিশেষ প্ৰয়োজন আছে। উপাধ্যক্ষ মহোদয় আমি এই পবিত্ৰ সদনত যিমানেই আলোচনা বা সমালোচনা নকৰো, প্ৰত্যেকৰে লগত আমাৰ সম্পৰ্ক ভাল আৰু মই অনুৰোধ কৰিম আপোনা-লোকে এই সদন শেষ হোৱাৰ লগে লগে নিজ নিজ সমষ্টিলৈ গৈ যিবিলাক

কাম হৈছে সেইবিলাক কামৰ ক্ৰেডিত লওঁক আৰু আকৌ বিৰোধী পক্ষত অহাৰ বাবে চেষ্টা কৰক। উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰ তথা বিত্তমন্ত্ৰী মহোদয়ে যিখন বাজেট আনিছে, এইখন কৈল্যানমুখী বাজেট, বিশেষকৈ দৰিদ্ৰ সকলৰ উন্নয়নৰ বাবে যিবিলাক আচনি লোৱা হৈছে, আমাৰ চৰকাৰখনে যিখিনি জন কল্যানমুখী কাম কৰিছে বা হাতত লৈছে তাৰ যথেষ্ট প্ৰমান, যথেষ্ট প্ৰতিফলন এই বাজেট-খনত ঘটিছে। উপাধ্যক্ষ মহোদয়, আপুনি দেখিছে আমাৰ চৰকাৰে এপ্ৰিল মাহৰ এক তাৰিখৰ পৰা সমগ্ৰ অসমত ১৫ লাখ দুখীয়া পৰিয়ালক দুটকা মুল্যৰ চাউল যোগান ধৰিব আৰু এই প্ৰশংশনীয় কথাটো বাজেটত সন্নিবিষ্ট হৈছে। ইয়াৰ দ্বাৰা আমাৰ বহুত দৰিদ্ৰ সীমাৰেখাৰ তলত থকা মানুহ উপকৃত হ'ব। উপাধ্যক্ষ মহোদয় আমাৰ চৰকাৰে কৃষক সকলৰ উন্নয়নৰ কাৰণে, কৃষিৰ উন্নয়নৰ কাৰণে যিবিলাক আচনি লৈছে তাৰ প্ৰতিফলন এই বাজেটত ঘটিছে। ৬০ বছৰ বয়সৰ ওপৰৰ আৰু ৩ বিঘাৰ কম মাটি থকা কৃষক সকলক আমাৰ চৰকাৰে পেঞ্চন দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। তাৰ পৰা আমাৰ দুখীয়া কৃষকসকল যথেষ্ট উপকৃত হব। উপাধ্যক্ষ মহোদয় এই বছৰ দুখীয়া খেতিয়ক সকলক খেতিৰ মাটি আৰু থাকিবৰ বাবে ঘৰ দিয়াৰ বাবে আচনি লোৱা হৈছে আৰু এই বছৰ ১৩,২৮০টা খেতিয়ক পৰিয়ালক খেতিৰ মাটি আৰু ঘৰ দিয়াৰ বাবে ব্যৱস্থা গ্ৰহন কৰা হৈছে। চলিত সময়ত আমাৰ কৃষক সকলক পাৱাৰ টিলাৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে। সাতজন কৃষকে চহী কৰি আবেদন দিলে তেওঁলোকক এটা পাৱাৰ টিলাৰ দিয়া হ'ব। এটা পাৱাৰ টিলাৰৰ দাম ৮৪ হাজাৰ টকা আৰু ৭ জনক ১২ হাজাৰ কৈ ৰিণ দিয়া হ'ব আৰু চৰকাৰী অনুদান দিয়া হ'ব অকল সেয়ে নহয় তেওঁলোকে সোনকালে ঋণ পোৱাৰ বাবেও চৰকাৰে ব্যৱস্থা কৰি দিব। কৃষকসকলৰ উন্নয়নৰ

বাবে আমাৰ চৰকাৰ অতি উদগ্ৰীৰ। এজন কৃষকে এহাল গৰু বা ম'হ কিনিবলৈ ৭/৮ হাজাৰ টকাৰ প্ৰয়োজন হয় আৰু তাৰ দ্বাৰা কৃষকে তিনি বিঘা বা ৪ বিঘা মাটিৰ খেতি কৰিবলৈ যিখিনি সময়ৰ প্ৰয়োজন তাত কৈ এটা পাৱাৰ টিলাৰৰ দ্বাৰা সেইখিনি মাটি তিনিদিনৰ ভিতৰত সম্পূৰ্ণ কৰিব পাৰিব। তদুপৰি কৃষকজনে এহাল গৰু বা ম'হক লালন পালন কৰাৰ কাৰণে যথেষ্ট সময় অপচয় কৰিব লগীয়া হয়। কিন্তু পাৱাৰ টিলাৰৰ দ্বাৰা অতি কম সময়ৰ ভিতৰত কৃষকজনে মাটি চহাব পাৰিব, খেতিবাতি কৰিব পাৰিব আৰু তাৰপৰা যিখিনি সময় বাচিব সেইসময় খিনি বেলেগ ধৰণৰ, পাৰিবাৰিক বা সামাজিক কামত নিয়োজিত কৰিব পাৰিব।

মাননীয় উপাধ্যক্ষ মহোদয়, পাৱাৰ টিলাৰ পোৱাৰ ফলত কৃষকজনে অধিক মাটি চহাব পাৰিব আৰু লগতে যিখিনি সময় বাহি হব সেই সময়খিনিত বেলেগ কামত লগাব পাৰিব বা সমাজৰ উন্নয়নৰ কাম নিজকে নিয়োজিত কৰিব পাৰিব। আমাৰ যিবিলাক মাটিহীন ব্যক্তি আছে তেখেতসকলক চৰকাৰে মাটি দিয়াৰ বাবে আচঁনি লৈছে। আমাৰ চৰকাৰে বৰ্ত্তমানলৈকে ৩৫২১৮ টা পৰিয়ালক এই আচঁনিৰ অধীনত সামৰি লোৱাই নহয় তেখেতসকলক ঘৰ নিৰ্মাণৰ কাৰণে প্ৰতিটো পৰিয়ালক ২৫০০ টকাকৈ দিয়াৰ ব্যৱস্থা কৰিছে। তেখেত সকলৰ মাজত বিতৰণ কৰিছে। আমাৰ চৰকাৰৰ এইবাৰৰ বাজেটত দৰিদ্ৰ লোকৰ উন্নয়নৰ কাৰণে লোৱা বিভিন্ন আচঁনিৰ প্ৰতিফলন ঘটিছে। এইটোৱে তাৰ প্ৰমাণ। আমাৰ চৰকাৰে এই বছৰ ৩০ হাজাৰ দুখীয়া শিপিনীক থকা ঘৰ আৰু তাত শালৰ বাবে চালি সজাই দিয়াৰ ব্যৱস্থা কৰিছে। এই ৩০,০০০ দুখীয়া শিপিনীক আমাৰ চৰকাৰে ১৪,০০০ টকাকৈ অনুদান দিছে আৰু বেঙ্কৰ ঋণ দিয়া হয় ৫ হাজাৰ টকাকৈ মুঠ ১৯ হাজাৰ টকা লগতে

১০০০ টকাকৈ ইন্দিৰা বিকাশ পত্ৰৰ নামত জমা থাকিব। প্ৰকৃত পক্ষে শিপিনীসকলে যি ৫ হাজাৰকৈ টকা বেংকৰ পৰা ঋণ লব সেইটো ইন্দিৰা বিকাশ পত্ৰৰ পৰা লোৱা টকাৰে পৰিশোধ কৰিব পাৰিব। তেওঁলোকৰ ঘৰৰ পৰা দিয়াৰ প্ৰয়োজন নহব। সেয়েহে এই টকা সময়মতে দিব পাৰিব। উপাধ্যক্ষ মহোদয়, আমাৰ এই বাজেটখন এখন দৰিদ্ৰৰ উন্নয়নৰ বাজেট, এখন জনকল্যাণ মুখী বাজেট। এইটোৱে তাৰ প্ৰমাণ। এইখন যে জনকল্যাণ মুখী বাজেট তাৰ আৰু প্ৰমাণ আছে। আমাৰ চৰকাৰে ২৫ কোটি টকাৰ তাত শাল বিতৰণ কৰাৰ ব্যৱস্থা কৰিছে। এই তাত শালৰ দ্বাৰাই ২০ হাজাৰ দুখীয়া শিপিনী উপকৃত হব। উপাধ্যক্ষ মহোদয়, বিৰোধী পক্ষই সমালোচনা কৰিছে এইখন বাজেট ধনীৰ বাজেট বুলি। এই বাজেট খনত তেখেতসকলে কি দেখিবলৈ পাইছে মই এই কথাটো বুজিব পৰা নাই। উপাধ্যক্ষ মহোদয়, আজি আমাৰ জনসাধাৰণৰ মূল সমস্যাটো হৈছে ৰাস্তা-ঘাট দলংৰ অৱস্থাটো। যিটো জনসাধাৰণৰ ঘাই সমস্যা ৰাস্তা-ঘাট সমস্যা, আজি গোটেই অসমতে অনেক ৰাস্তা হোৱাৰ আলোড়ণৰ সৃষ্টি হৈছে। নিশ্চয় বিৰোধী পক্ষৰ সদস্য সকলেও এইটো অনুভৱ কৰিছে। আৰু আজি কেইদিন মান আগতে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে ডাঃ কমলা কলিতাৰ প্ৰশ্নৰ উত্তৰত এইটো প্ৰমাণ কৰি দেখুৱাইছে। উপাধ্যক্ষ মহোদয়, আজি গাৱে-ভূইয়ে, পাহাৰ অঞ্চল আদি সকলোতে ৰাস্তাই ৰাস্তা হৈ গৈছে। আপুনি যিফালে যায় সেইফালেই দেখিব ৰাস্তাই ৰাস্তা মই এটা প্ৰমাণ দিবলৈ বিচাৰিছো। এইবাৰ আমাৰ বাজেট অধিবেশন ১৫ মাৰ্চ তাৰিখে আৰম্ভ হোৱাৰ তিনিদিন আগতে অৰ্থাৎ ১২ মাৰ্চ তাৰিখে মই দক্ষিণ শালমাৰা সমষ্টিৰ জনিয়া চৰৰ এখন মিটিংলৈ গৈছিলো। আপোনালোকে জানে দক্ষিণ শালমাৰা সমষ্টিৰ প্ৰায় ৯০ শতাংশ অঞ্চলেই চৰ অঞ্চল। এই চৰ অঞ্চলৰ আজি ইমান

উন্নতি হৈছে মই তাৰ এটা প্ৰমাণ দিব বিচাৰিছো। এই দক্ষিণ শালমাৰা সমষ্টিটো আমাৰ কংগ্ৰেছ দলৰ বিধায়কৰ নহয়। ইয়াৰ পৰা এছ ইউ চি আই দলৰ মাননীয় আলাউদ্দিন চৰকাৰ চাহাব নিৰ্বাচিত হৈ আহিছে। মই যোৱা ১২ মাৰ্চ তাৰিখে যিটো অঞ্চলত মিটিং কৰিছিলো সেই অঞ্চললৈ ১৯৯১ চনত তেতিয়াৰ কংগ্ৰেছ সভাপতি আৰু এতিয়াৰ বৰ্ত্তমানৰ মুখ্য মন্ত্ৰী ডাঙৰীয়া তালৈ গৈছিল। তেখেতে ৮ কিঃ মিঃ ৰাস্তা গৰুৰ গাড়ীৰে গৈছিল। কিন্তু আমি যোৱা ১২ মাৰ্চ তাৰিখে যাওঁতে নিজা নিজ এম্বেচাদৰ গাড়ী লৈ গৈছো। গতিকে এই কথাটোৱে প্ৰমাণ কৰে যে আজি তাৰ ৰাস্তা ঘাটৰ যথেষ্ট উন্নতি হৈছে। আপোনালোক বিৰোধীসকলেও এই যে ৰাস্তা ঘাটৰ উন্নতি হৈছে সেইটো স্বীকাৰ কৰিব লাগিব। আমি তাত যি মিটিং কৰিছিলো তাত হাজাৰ হাজাৰ মানুহ গোট খাইছিল। যদি আমাৰ চৰকাৰে উন্নয়ন মূলক কাম কৰিব নোৱাৰিলেহেতেন তেতিয়াহলে তাত ইমান হাজাৰ হাজাৰ লোক কেতিয়াও গোট নাখালে হেতেন। মই বিৰোধী পক্ষই বিধায়ক সকলক নিজৰ নিজৰ সমিষ্টিলৈ গৈ এইবিলাক উন্নয়নমুলক কাম চাই আহিবলৈ কৈছো নহলে তেখেতসকলৰ দিকদাৰী আছে। অহা বছৰ বিৰোধী পক্ষৰ ভুমিকাও গ্ৰহণ কৰিব নোৱাৰিব পাৰে। উপাধ্যক্ষ মহোদয়, আমাৰ মুখ্য মন্ত্ৰীয়ে ইতিমধ্যে ঘোষণা কৰিছে যে অহা জুন মাহৰ ভিতৰতে অসমৰ আটাইবিলাক ভগা চিগা ৰাস্তা মেৰামতি কৰিব। যিবিলাক ভগা কাঠৰ দলং আছে আটাইবিলাক মেৰামতি কৰা হব। গতিকে আমাৰ জনসাধাৰণৰ যিটো প্ৰধান সমস্যা, ৰাস্তা-ঘাটৰ সমস্যা সেইটো আমাৰ চৰকাৰৰ চতুৰ্থ বছৰৰ ভিতৰতে সম্পূৰ্ণ হৈ উঠিব। উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে আজি দুখীয়া জনসাধাৰণৰ বাবে কুটীৰ জ্যোতি নামৰ এখন আঁচনি গ্ৰহণ কৰিছে। অসমৰ এক লাখ পৰিয়ালক এই আঁচনিৰ দ্বাৰাই সামৰি লব।

প্রতিটো পৰিয়ালকে একোটাকৈ বাল্ব দি বিজুলী সৰবৰাহৰ ব্যৱস্থা কৰিব। এইটো আমাৰ কম গৌৰৱৰ কথা নহয়। চৰকাৰে লোৱা এই সকলো বিলাক আঁচনিয়ে অসমৰ দুখীয়া জনসাধাৰণৰ কাৰণে লোৱা আঁচনি। উপাধ্যক্ষ মহোদয়, খুব সত্বৰ আমি এতিয়াৰে পৰা কোনো ধৰণৰ লোড চেডিংৰ সমস্যাৰ সন্মুখীন হব নালাগিব। আমাৰ বিৰোধী পক্ষই চৰকাৰৰ সমালোচনা কৰিব লাগে কাৰণে সমালোচনা কৰিছে। আপোনালোকে ভাবি চাওক চৰকাৰে লোৱা এই আঁচনিবিলাক দৰিদ্ৰৰ উন্নয়ৰ তথা জনকল্যাণমুখী আঁচনি নহয়নে? গতিকে আমি আমাৰ বাজেটখনক জনকল্যাণ মূলক বাজেট বুলি কবই লাগিব।

উপাধ্যক্ষ মহোদয়, বাজেটৰ আলোচনাত যথেষ্টভাবে কৈছে। ৰাজ্যপালৰ ভাষণৰ বিতৰ্কত যথেষ্ট সমালোচনা কৰিছে আৰু আমাৰ মাননীয় মুখ্য মন্ত্রীয়ে তাৰ উত্তৰ দিছে। আমাৰ মুখ্য মন্ত্রী ভাৰতৰ ভিতৰত এক মাত্র মুখ্য মন্ত্রী যি ৰাষ্ট্রীয় আন্তৰাষ্ট্রীয় বটা পাইছে। তেখেতক বেলেগ কাৰণত এই বটা বিলাক দিয়া হোৱা নাই। তেখেতে অসমলৈ শান্তি, সম্প্রীতি ঘুৰাই অনাৰ কাৰণে এই বটাবিলাক প্রদান কৰা হৈছে। বিৰোধী দলৰ সদস্য সকলে স্বীকাৰ কৰিবলৈ কিয় টান পায়। আমাৰ মুখ্যমন্ত্রীক সন্মান দিছে একমাত্র শান্তি সম্প্রীতিৰ কাৰণে।

* শ্রীচন্দ্র মোহন পাটোৱাৰী : পইণ্ট অব অর্ডাৰ। বটা পোৱাৰ কথাটো বাজেটৰ কোন হেডৰ কথাটো কৈছে।

* মুহিবুল হক : আইন শৃংখলাৰ কথাটোত এই খিনি কথা আহিছে। তেখেতে বাজেটখন ভালকৈ পঢ়ি অহা নাই। এই খন জনকল্যাণমুখী বাজেট। সমালোচনা কৰাৰ অধিকাৰ আছে গণতান্ত্রিক দেশ এখনত।

---

* Speech not Corrected

কিন্তু সমালোচনাৰ কাৰণে সমালোচনা কৰা উচিত নহয়। বিৰোধী পক্ষক সদস্য সকল বিৰোধী পক্ষত থকাকৈ নিৰ্ব্বাচিত হৈ অহাটো বিচাৰো। এই খন এখন জনকল্যাণমুখী বাজেট। এই খিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো। জয় হিন্দ।

শ্ৰীঅতুল বৰা : মাননীয় উপাধ্যক্ষ মহোদয় মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ বাজেটখন লিকেজ হোৱা লৈ সদনত বহুত হুলস্থূল হৈছিল। সেই লিকেজ হোৱা লৈ বিৰোধী দলৰ ভূমিকা লৈ বাহিৰত সমালোচনা হৈছিল। বিৰোধী দলে লিকেজৰ বিষয়টো লৈ কিয় লেচিকৈ নধৰিলে। সামান্য প্ৰতিবাদ কৰি আপোচ কৰি পেলালে। সেই সময়ত ময়ো বৰ চিঞৰ বাখৰ কৰা নাই। নিজৰ আসনত বহি আছো। কাৰণ চিঞৰ বাখৰ কৰি লাভ নহব। বাজেট লিক হোৱাটো সৰু কথা। বাজেটত ধন ধৰা হৈছে। এই বিলাকৰ পৰ' মূলধন আৰু ইয়াৰ সুদ পৰিশোধ কৰাত ওলাই যাব। খৰছ সম্পৰ্কত যিটো হব সেইটোহে আছল কথা। ১৯৯৫-৯৬ চনৰ বছৰটোত এই বাজেটত ধাৰ্য্য কৰা ধন বিলাক এল ও চি ফুটাইদি ওলাই যাব। জনসাধাৰণৰ কাম নহব। বাজেটৰ ধনৰ অংকটো কাগজত ওলোৱাটো চিৰিয়াচ বুলি নাভাৰো। মই মনে মনে আছিলো এই কাৰণেই যে গোটেই বছৰটোত এল, অ চিৰ, ফুটাইদি দুৰ্নীতিত টকাখিনি ওলাই যাব। এইখন বাজেট বিৰোধী পক্ষৰ বহুত সদস্যই বিভিন্ন নামেৰে নামকৰণ কৰিছে। মোৰ মতে এইখন বিন্দিয়া কুম কুম বাজেট। তেখেতে হাতেৰে লিখা খিনিত গুৰুত্ব দিছো। তেখেতে কৈছে সেন্দূৰ, কুমকুম : মহিলাসকলে ধৰ্মীয় ভাৱেৰে সেন্দূৰ কুমকুম আৰু বিন্দিয়া ব্যৱহাৰ কৰে। মহিলা সকলে সাধাৰণতে ব্যৱহাৰ কৰা এই সামগ্ৰীও বিক্ৰী কৰাৰ পৰা মুক্ত। মঙ্গল সূত্ৰ বহুলোকে নৈতিক আৰু ধৰ্মী অনুভূতিৰে মঙ্গল

সূত্রও ব্যৱহাৰ কৰে। সেয়ে এহেজাৰ টকাতকৈ অনুর্দ্ধ মূল মংগল সুত্র এই বিক্রী কৰৰ পৰা মুক্ত ৰাখিবলৈ প্রস্তাৱ কৰিছো। মহিলা সকলৰ সেন্দুৰ কুমকুমৰ আৰু বিন্দিয়াৰ পৰা বিক্রী কৰৰ পৰা মুক্ত। এই মুক্ত আগৰ পৰ নে? এইবিলাক সামগ্রীৰ পৰা আগতে কি কৰা হৈছিল? মই জানো অসমীয়া মহিলা সকলে বিন্দিয়া কমকৈ ব্যৱহাৰ কৰে এইবিলাক বিক্রী কৰাৰ পৰা মুক্ত বুলি কৈছে। আনহাতে মংগল সুত্র বিক্রী কৰৰ পৰা মুক্ত ৰখাৰ প্রস্তাৱ কৰিছে। সকলো বিলাকৰ ক্ষেত্রত প্রস্তাৱ কৰা হৈছে বুলি আছে কিন্তু সেন্দুৰ কুমকুমৰ ক্ষেত্রত মাহে টকা ধাৰ্য হৈছে। কৰ মুক্ত বুলি গতিকে এইটো নতুন প্রস্তাৱ নহয় নেকি? আগৰ পৰা কৰৰ পৰা মুক্ত নেকি? মই কৰ খুজিছো অসমীয়া মহিলা সকলৰ কপাল সেন্দুৰৰ অভাৱত উকা হৈ থকা নাই। টকাৰ অভাৱত কিনিব নোৱাৰে এইটো মই মানি লব নোৱাৰো। সেন্দুৰৰ অভাৱত কপাল উকা হোৱা নাই। অসমীয়া মহিলাৰ কপাল উকা হৈছে পুলিচ মিলিটাৰীৰ হতাৰ কাৰণে। সেন্দুৰৰ কাৰণে অসমীয়া মহিলাই আন্দোলন কৰা নাই। আন্দোলন কৰিছে নিৰাপত্তাৰ কাৰণে ধৰ্ষণৰ প্রতিবাদ কৰিছে, পুৰুষৰ পৰা সমানি ব্যৱহাৰ বিচাৰিছে। সেন্দূৰ আদিৰ কাৰণে কপাল উকা হোৱা নাই মানুহৰ চিকিৎসাৰ অভাৱত মৃত্যু হৈছে পত্নী বিধবা হৈছে। মংগল সুত্র অসমীয়া মহিলাই শতকৰা ৯৯ ভাগে ব্যৱহাৰ নকৰে। মংগল সুত্রৰ কাৰণে মূৰ ঘমাব নালাগে। চৰকাৰে শিপিনী সকলৰ দায়িত্ব দিছে ব্রহ্মপুত্র সমবায়ক। এই বাজেটখনত ব্যৱসায়ীক গোষ্ঠীৰ প্রস্তাৱ পৰিছে বুলি মই বিশ্বাস কৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া কথা হৈছে চাহ খেতিয়ক সকলক কৃষি আয়কৰ ৰেহাই দিছে। ১৯৯০ ৯১ চনত অসম গণ-

পৰিষদ চৰকাৰ আছিল সেই সময়তে কিছুদিন ডি, ডি, ঠাকুৰ ৰাজ্যপাল আছিল। ৰাষ্ট্ৰপতি শাসন চলিছিল। কৃষি আয়কৰ ৰেহাই দিয়াৰ ফলত এই কৰ ৫০ কোটিলৈ কমি আহিল। এইদৰে বহু কোটি চাহ খেতিয়ক সকলক ৰেহাই দিয়া হল। হৈছিল ১০৩ কোটি টকা। খেতিয়ক সকলক ৰেহাই দিয়াৰ কথা কৈছে, চাহ খেতিয়ক সকলো খেতিয়ক। তেওঁলোক লাভবান হৈছে কিন্তু পাৰাৰ টিলাৰ দিছে, এই পাৰাৰ টিলাৰ বিলাক কোনে পাইছে সাধাৰণ কৃষকে পোৱা পাৰাৰ টিলাৰ কত চলাব ডিজেল নাই, মাটি নাই, পানী নাই, এই পাৰাৰ টিলাৰ বিলাক পকা ৰাস্তাত চলাব নেকি ? সাৰৰ দাম দুগুণ হল, এই নবেম্বৰ মাহতে বাঢ়িল। আমাৰ দিনত খেতিয়ক সকলক বীজ সাৰ ঔষধ ৰেহাই দিয়া হৈছিল এতিয়া এই বীজ-সাৰ খেতিয়ক সকলে ১ গুণ দাম দি কিনিব লগা হৈছে। জলসিঞ্চন বিভাগক 'ডিজেল' কিনি দিব লাগে। টকা দিলেও ঔষধ দিব নোৱাৰে। সাৰ যোগান ধৰিব নোৱাৰে, ফ্ৰি পাৰাৰ টিলাৰ দিলে সেইবিলাক পকা ৰাস্তাত চলাব লাগিব : ইয়াৰ পৰা দেখা গৈছে চাহখেতিয়ক সকলক উপকাৰ কৰা হৈছে। ইউৰিয়া সাৰ আহিছে প্ৰকৃত খেতিয়ক সকলে যি নাঙল লৈ খেতি কৰে সেই সকলে নেপালে চাহ মালিক সকলে সেই বিলাক পাইছে সেই চাহ খেতিয়ক সকলক ৰেহাই দিলে। এই চাহ খেতিয়ক সকলক যি কৃষি আয়কৰ ৰেহাই দিলে সেই টকাৰে ১ হেজাৰ মান বছৰলৈ অসমীয়া মহিলাই সেন্দুৰ কিনিব পাৰিব।

মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া কবলৈ গৈছো মই 'লটাৰী'ৰ কথা। এই লটাৰীৰ পৰা পাবলৈ আছে কৰ বিভাগে কৰ ২১ কোটি টকা। বিত্তীয় বিভাগে কৰ বিভাগক কোৱা নাই এই ২১

কোটি টকা কৰ দিব লাগে বুলি। শতকৰা ১০ ভাগ কৰ লগাওতে ২১ কোটি টকা এবছৰত লটাৰী বিভাগে কৰ দিবলৈ বাকী আছে তেতিয়া হলে কিমান কোটি টকা লটাৰীৰ এজেণ্টে উপাৰ্জ্জন কৰি আছে। এই লটাৰীৰ সংক্ৰান্তত জড়িত এম এচ এচচিয়েত নামটোৰ ওপৰত মোৰ সন্দেহ হৈছে। এই ২১ কোটি টকা কৰ দিবলৈ থকা মালিক বিলাকে কিমান কোটি টকা উপাৰ্জন কৰিছে। শতকৰা ৫০ ভাগ কৰ হেহাই দিয়া হৈছে অসমৰ চিনেমা মালিক সকলক। সেই মালিকসকলে হলত এবছৰত ১০০ দিন অসমীয়া চিনেমা চলাব লাগে। অসমীয়া চিনেমা চলালে কৰ সংগ্ৰহ কৰি অসমীয়া চিনেমাৰ প্ৰযোজক সকলক ঘুৰাই দিয়া ব্যবস্থা আছে। এতিয়া এনে ব্যবস্থাই অসমীয়া চিনেমাৰ প্ৰযোজক সকলৰ লোকচান হব। মই ভাবো তাৰ পৰা হিন্দী চিনেমাৰ প্ৰযোজক সকল আৰু 'ডিষ্ট্ৰিবিউটৰ' সকল লাভবান হব আৰু উপকৃত হব। মাননীয় উপাধ্যক্ষ মহোদয়, মটৰ-পাৰ্টচৰ ক্ষেত্ৰত কোটি কোটি টকা লাভ কৰিব পাৰে। আমি আজি দেখিছো সকলোবে গাড়ী মটৰ আছে। গাড়ী মটৰৰ প্ৰকোপত গুৱাহাটীৰ নোৱাৰি। এই মটৰ পাৰ্চৰ ওপৰত আগতে যি শতকৰা ১৪ ভাগ আছিল সেইটোই সংগ্ৰহ হৈ থাকিব। ইয়াৰ ফলত পাইকাৰী বিক্ৰেতা সকল লাভবান হব। মটৰ পাৰ্টচৰ দাম মালিকে বঢ়াই আছে, কমা নাই। তাত শতকৰা ১৪ ভাগ আগৰ কৰ দিয়াৰ ব্যবস্থাই থাকিল। সাধাৰণ নৰমনিছে এই কথাটো গম নেপালে গতিকে পাইকাৰী ব্যৱসায়ীয়ে পাইকাৰী হাৰত কৰ ফাকী দিবলৈ সুবিধা দিছে। মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ এটা ডাঙৰ দোষ হৈছে আপুনি বেল মাৰি দিলে মই কথা কব নোৱাৰো হৈ যাওঁ। 'ডিছিপ্লেন চলজাৰৰ' দৰে বেল মৰা লগে লগে বহি-

বলৈ বিচাৰো। সকলো কথা পাহৰি যাওঁ। (হাঁহিৰ ৰল উঠে সদনত) কিন্তু দেখা পাইছো মাননীয় সদস্য মহিবুল হক ডাঙৰীয়াৰ ক্ষেত্ৰত সেইটো হোৱা নাই। কৰ সংগ্ৰহৰ ক্ষেত্ৰত দুখলপীয়াৰ ঠাইত পোনপটীয়া কৰা হৈছে। এনে ধৰণৰ দুখলপীয়া কৰ সংগ্ৰহৰ নীতি যদি বাদ দিয়া হয় পাইকাৰী ব্যৱসায়ী ব্যাপক হাৰত কৰ ফাকী দিবলৈ সুবিধা পাব। দুখলপীয়া কৰ সংগ্ৰহৰ ব্যৱস্থা থাকিলে খুচুৰা ব্যৱসায় আৰু গ্ৰাহক সকলে কৰ সম্পৰ্কে জ্ঞাত হব। পোন-পটীয়া কৰ সংগ্ৰহৰ ব্যৱস্থা প্ৰতিবাদ জনাইছো। এতিয়া উদ্যোগ বিলাক ব্যক্তিগত মালিক সকলক দিয়া হৈছে। বোকাজান চিমেণ্ট ফেক্টৰী কঠালগুৰি তাপ বিদ্যুৎ প্ৰকল্প ব্যক্তিগত মালিকক দিলে তাৰ পৰা সমস্যা বাঢ়িলে। এই বিলাকত মিডিল মেন লাভবান হৈছে। এই মধ্যভোগী সকলক সুবিধা দিয়া হৈছে। কয়লাৰ ক্ষেত্ৰত কি দেখা পাইছো আৰ এচ গান্ধীয়ে কোটি কোটি টকা লুটি আছে এই বিলাক মানুহে কংগ্ৰেছৰ মিটিঙত ৪০ টকাৰ হাজিৰা দি মানুহ আনি দিব পাৰে। এই বিলাক মানুহক সুবিধা দি থকা হৈছে। এই মধ্যভোগী সকলেই এই চৰকাৰৰ দিনত কোটি কোটি টকা ঘটিব লাগিছে।

উপাধ্যক্ষ মহোদয়, এতিয়া মই অন্য এটা কথালৈ আহোঁ। আমাৰ ৰাজ্যখনৰ সীমান্ত নিৰাপত্তাৰ কাৰণে যথেষ্ট গুৰুত্ব দিয়া উচিত। আজি নাগালেণ্ড অৰুণাচল প্ৰদেশে অসমৰ হাজাৰ হাজাৰ বিঘা মাটি বেদখল কৰি আছে। তাৰ বাহিৰেও অসমত প্ৰতি বছৰে হোৱা বানপানীৰ ফলতো বহুতো মাটি খহাই নিয়াৰ ফলত অসমৰ কৃষিৰ মাটিৰ পৰিমান কমি আহিছে। গতিকে আমাৰ সীমান্ত ৰক্ষা বিষয়টোত চৰকাৰে টপ প্ৰায়ৰিটি দিব লাগে।

আজি জনজাতি ৰাইজৰ সমস্যা সমাধানৰ কাৰণে এই চৰকাৰে ঢাক ঢোল বজাইছে যদিও জনজাতি লোক সকলৰ সমস্যা সমাধানৰ ক্ষেত্ৰত কোনো গুৰুত্ব দিয়া নাই বৰং জনজাতি লোক সকলৰ মাজতে কিছুমান কথা সুমুৱাই দি বড়ো, ৰাভা, হাচং আদি জনজাতি লোক সকলৰ মাজত বিভাজন আনি কটা কটি, মৰা মৰিৰ ব্যৱস্থা কৰিছে। আন এটা কথা হ'ল — ৪০০ কোটি টকাৰ এল, ও, চি সম্পৰ্কত এটা ডাঙৰ কেলেংকাৰী হৈ গল। এই ক্ষেত্ৰত চি, বি, আইক তদন্ত কৰিবলৈও দিয়া হ'ল সেইটো আমি ভাল পাইছো আৰু ধন্যবাদ জনাইছো। কিন্তু চি, বি, আইৰ তদন্ত চলি থকা অৱস্থাতে এজন নায়কে ১৭০ কোটি টকা উলিয়াই নিলে। এতিয়া কথাটো ধৰা পৰাত সেই মানুহজনে মাহে ৫০ হাজাৰকৈ টকা ঘুৰাই দিয়াৰ কথা কৈছে আৰু এইটো মুখ্য মন্ত্ৰীয়ে মানি লৈছে। এতিয়া কথা হ'ল এই টকাটো ঘুৰাই দিওঁতে সময় লাগিব ২৮ বছৰ মান। এই ১৭০ কোটি টকা বেংকত থলে তেওঁ মাহে সুদৰ বাবদ পাব ১ লাখ ৭০ হেজাৰ টকা। তাৰ পৰা তেওঁ মাহে ৫০ হাজাৰকৈ টকা ঘুৰাই দিলেও ১ লাখ ২০ হাজাৰ টকা তেওঁৰ লাভ হব। কিন্তু তেওঁ আপোনালোকক ধাৰ মাৰিব ৫০ হাজাৰ টকা। গতিকে এইটো এটা কেনে ব্যৱস্থা ? এইক্ষেত্ৰত মুখ্য মন্ত্ৰীয়ে মাত মতা নাই কিয় ? সেই কাৰণে এই বিষয়টোত তেখেতৰ ইনভালজেন্স আছে বুলি মই বাৰে বাৰে কব খোজো। মুখ্য মন্ত্ৰীয়ে সুবিধা নিদিলে আনে একো কৰিব নোৱাৰে।

মাননীয় উপাধ্যক্ষ :— আপোনালোকৰ সময় মুঠেও নাই। গতিকে আপুনি সোনকালে শেষ কৰক।

* শ্ৰী অতুল বৰা : উপাধ্যক্ষ মহোদয়, মই কিছু কথা কবই লাগিব।

* Speech not Corrected

মই গুৱাহাটী ধৰিছো। গছৰ গুৰি ডালত নধৰিলে নহয়। চালে বেৰে কোবাই লাভ নাই। এইখিনিতে আৰু এটা কথা কওঁ — আমাৰ ৰাজ্যখনত আচকাৰ্ড নামে বেংক এটা আছে। এই বেংক-টোৱে ৰাজ্যখনৰ কিছুমান কৃষকক সাহায্য আদি আগবঢ়াই। কিন্তু এই বেংকটোৱে চিনেমা কৰিবলৈ লৈছে। কি আচৰিত কথা। তেওঁলোকে কৃষকক সাহায্য দিয়াৰ পৰিবৰ্তে চিনেমা প্ৰডিউচ কৰি-বলৈ লৈছে। তেওঁলোকে খেতিয়কৰ কাৰণে কি কাম কৰিছে আপোনালোকে এবাৰ চাওক। শেষত মই আৰু এটা কথা কওঁ যে — জুন মাহৰ ভিতৰত আমাৰ অসমৰ সমস্ত ৰাস্তা পহুলি, দলং আদি ঠিক কৰি দিব বুলি কৈছে। কিন্তু আপোনালোকে এটা কথা লক্ষ্য কৰি চাওক — এতিয়া বিভাগৰ মানুহ বিলাক বাজেট চেচনতে ব্যস্ত আছে। চেচন শেষ হোৱাৰ পিচত আহি পৰিব বিহু অৰ্থাৎ এপ্ৰিল মাহ শেষ হব। তাৰ পিচত ইটো সিটো কৰোতে যে মাহটো পাৰ হৈ জুন মাহৰ পৰা বাৰিষা আহিব। এতিয়া কেনেকৈ তেওঁলোকে জুন মাহৰ ১৫ তাৰিখৰ ভিতৰত এই সমগ্ৰ কামখিনি কৰি শেষ কৰিব? এইটো জানো সম্ভৱ?

উপাধ্যক্ষ মাহাদয়, মই আৰু বেছি কথা কবলৈ নাযাওঁ। কিন্তু অসমৰ জনসাধাৰণক আপোনালোকে যিখন কুমকুমীয়া বাজেট ডাঙি ধৰিছে সেই ক্ষেত্ৰত মই কৈ শেষ কৰিব নোৱাৰো। আজি বিত্ত-মন্ত্ৰী ডাঙৰীয়াৰ বাজেটখন প্ৰকাশ হোৱাৰ লগে লগে সমগ্ৰ অসমৰ ছোৱালী বোৱাৰী সকলে তেওঁক মালা পিন্ধাবলৈ আহিব লাগিছিল। তাৰ বাবে ইয়াত এটা হুলস্থুলীয়া পৰিবেশ সৃষ্টি হব লাগিছিল। কিন্তু সেইটো আমি দেখিবলৈ পোৱা নাই। তাৰ কাৰণ এইটোও হব পাৰে হয়তো অসমৰ বাইজে এই বাজেট খন মানি লোৱা নাই। আৰু এটা

কথা হল— মই পি ডব্লিউ, ডি মন্ত্রী হৈ থাকোতে দৰংৰ এটা ডিভিজনত ৮০ লাখ টকা দিব লগা আছিল। কিন্তু এই চৰকাৰ অহাৰ পিচত সেই ডিভিজনৰ ৮০ লাখ টকা খৰচ নকৰি ঘুৰাই দিছে। গতিকে এই চৰকাৰৰ দিনত তেনে কামো হৈছে। আন এটা কথা হ'ল বানপানী সমস্যাৰ ক্ষেত্ৰত এই চৰকাৰে একো কাম কৰা নাই। অসমৰ যিটো জলন্ত সমস্যাৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগিছিল সেইটো সমস্যাত কোনো গুৰুত্ব দিয়া নাই। উপাধ্যক্ষ মহোদয়, আপুনি বাৰে বাৰে বেলটো বজাই আছে। গতিকে মই আৰু দীঘলীয়া নকৰো। শেষত বিন্দিয়া, কুমকুম আৰু সেন্দুৰত কৰ ৰেহাই দিয়াৰ কাৰণে বিত্ত মন্ত্রী ডাঙৰীয়াক ধন্যবাদ জনাইছো।

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী): উপাধ্যক্ষ ডাঙৰীয়া মাননীয় সদস্য শ্রীযুত ডাঙৰীয়াই যি ১৭০ কোটি টকা কথা উল্লেখ কৰিছে সেইটো সত্য নহয়। এই বিষয়টোত চৰকাৰে বিবেচনাহে কৰি আছো কোনো সিদ্ধান্ত লোৱা নাই। টকাতো কেনেকৈ ঘুৰাই লোৱা হব সেইটো সিদ্ধান্ত পিচতহে বুজিব পাৰিব। আন এটা কথা তেখেতে মন্ত্রী হৈ থাকোতে যি ৮০ লাখ টকা ঘুৰাই দিয়া বুলি কৈছে। সেই ক্ষেত্ৰত মই কওঁ যে আমি ৩৪ লাখ টকাহে ঘুৰাই দিছো।

* শ্রীঅতুল বৰা: উপাধ্যক্ষ ডাঙৰীয়া, ধাৰ মৰা কথাটো শাসক দলে বাৰে বাৰে কৈছে। তেওঁলোকে বাৰে বাৰে এটা কথাকে কৈছে যে এ, জি, পিয়ে বহুত টকা ধাৰ লগাই থৈ গ'ল আৰু আমি সেইবোৰৰ ধাৰ মাৰি আছো।

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী): উপাধ্যক্ষ ডাঙৰীয়া, এইটো সচা কথা। আমি ইতিমধ্যে বহুত ধাৰ মাৰিছো।

* Speech not Corrected

Mr. Deputy Speaker : Now Hon'ble Member Shri Derhagra Mushahari

শ্রী ডেৰহাগ্রা মুছাহাৰী : মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৯৫-৯৬ চনৰ বাবে বিত্তমন্ত্রী ডাঙৰীয়াই যি খন বাজেট উৎথাপন কৰিছে তাৰ ওপৰত মই কেইটামান কথা কবলৈ ওলাইছো। মই পোনতে কব খুজিছো যে আমাৰ ৰাজ্যখনৰ বিভিন্ন বিভাগৰ কাৰণে যিমান টকা মঞ্জুৰ কৰিছে তাৰ তুলনাত বি, এ, চি,ৰ কাৰণে ১৯৯৫-৯৬ চনৰ বছৰ টোত কেৱল মাত্র ৮৯ কোটি টকা মঞ্জুৰ কৰিছে। সেই কাৰণে মই বিত্ত মন্ত্রীক এটা কথা কব খোজো যে আজি বি, এ, চি, ত ৩৮ টা বিভাগ আছে আৰু তাত বহুতো কাম কৰিব লগীয়া আছে। কিন্তু তাত যি ৮৯ কোটি ১১ লাখ টকা দিছে সেই টকাৰে কি উন্নয়নমুলক কাম কৰিব ? এই টকাৰ পৰিমান যদি ১০০ কোটি মান কৰি দিলে হেতেন তেনেহলে তাত কিছু কাম কৰিব পৰা হব বুলি আশা কৰিব পাৰিলোহেতেন। এই ক্ষেত্রত এই ৮৯ কোটি ১১ লাখ টকা দি তাত উন্নয়ন মুলক কাম কাজ কৰিব পৰা হব বুলি কোৱাতো কোনো অর্থ থাকিব নোৱাৰে।

মাননীয় উপাধ্যক্ষ মহোদয়, মই কব খুজিছো যে তেনেবুৰা ধৰণে বিভিন্ন বিভাগক যিবিলাক টকা দিয়া হৈছে বহুত বিভাগৰ টকা খুউব সহজ দিশপুৰত আৰদ্ধ হৈ থাকে নেকি। সেই টকা বিলাক বোধহয় গাওঁৰ ৰাইজৰ মাজত গৈ নাপায় নেকি ? আমাৰ অসমৰ শতকৰা ৯০ জন লোক খেতিয়ক আৰু অসমৰ অর্থনৈতিক দিশত যদি উন্নতি কৰিবলগীয়া হয় তেনেহলে কৃষিৰ ক্ষেত্রত যথেষ্ট গুৰুত্ব দিবলগীয়া আছে। কিন্তু আমি দেখিছো আৰু জানো যে খেতিৰ

